● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

মোৰ জীৱনত মোৰ
স'তে যি হৈছে
সেয়া মই সলনি
কৰিব নোৱাৰো
অথবা যি হোৱা
নাই তাক কৰি
পেলাব নোৱাৰো।

মাৰ্গাৰেট লৰেন্স
*কানাডাৰ ঔপন্যাসিক*



৭ ২০২৪ৰ নিৰ্বাচন হ'ব কেজৰিৱাল বনাম মোদীৰ ঃ আপ
১৫ ৰাষ্ট্ৰীয়
৪ অমানৱীয় ধৰ্ম আৰু ৰাজনীতি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪৭ তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১০ আহিন ১৪২৯ ভাস্কৰাব্দ ২৭ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 27 September 2022 মূল্য ঃ ৯.০০ টকা

■ ৰাজস্থানত মুখ্যমন্ত্ৰী পদক লৈ গেহলটৰ সমৰ্থক ৯০ বিধায়কৰ বিদ্ৰোহে জোঁকাৰিছে দলক ■ ক্ৰমাৎ দলত খোপনি হেৰুৱাইছে গান্ধী পৰিয়ালে ■ দুই কেন্দ্ৰীয় পৰ্যবেক্ষকক অংগুষ্ঠ প্ৰদৰ্শন

# দলীয় বিশৃংখলাত হতাশ কংগ্ৰেছ নেতৃত্ব



*ক্ষমতা হেৰুৱাই বিশৃংখল হৈ পৰা কংগ্ৰেছ কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতি, ধুবুৰীত সোমবাৰে।*

**গান্ধী পৰিয়ালৰ চৌপাশে আবৰি থকা তথাকথিত দুৰ্ভেদ্য আবেষ্টনী ভাঙি চূৰমাৰ ঃ বিজেপি**

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটী (এআইচিচি)ৰ সভাপতি নিৰ্বাচনক লৈ সৃষ্টি হোৱা বিশৃংখলাই হতাশ কৰিছে গান্ধী পৰিয়ালক। গান্ধী পৰিয়ালৰ বিশ্বস্ত অশোক গেহলট এআইচিচিৰ সভাপতি পদত অধিষ্ঠিত হৈ ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰি দলৰ এক ব্যক্তি এক পদ নীতি বাহাল ৰখাটো ৰাহুল গান্ধীয়ে বিচৰাৰ সময়তে ৰাজস্থানত মূৰ দাঙি উঠা বিদ্ৰোহে পৰিস্থিতি জটিল কৰি তুলিছে। গেহলটৰ পৰিৱৰ্তে শচীন পাইলটক মুখ্যমন্ত্ৰীৰ পদত বহুৱাব বিচৰা বুলি চৰ্চা হোৱাৰ সময়তে গেহলটৰ বিশ্বস্ত ৯০জনৰো অধিক বিধায়কে গেহলটে



মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ বিষয়টোৰ বিৰোধিতা কৰিছে। অৱশ্যে গেহলটে উদ্ভৱ হোৱা পৰিস্থিতিক লৈ ক্ষমা বিচাৰে যদিও গান্ধী পৰিয়ালে কংগ্ৰেছক অপমান কৰা বুলি তেওঁক লৈ হতাশ হোৱাৰ তথ্য সূত্ৰই সদৰী কৰে। কালি জয়পুৰত গেহলটে কেন্দ্ৰীয় পৰ্যবেক্ষক তথা বৰ্ষীয়ান কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ ক্ষমাপ্ৰাৰ্থী হয় বুলি দলীয় সূত্ৰত প্ৰকাশ। বিধায়কসকলৰ সমান্তৰাল বৈঠক আৰু পৰৱৰ্তী পৰ্যায়ত তেওঁলোকৰ বিদ্ৰোহ ভুল আছিল বুলি অনুশোচনা প্ৰকাশ কৰি গেহলটে কয় যে এই পৰিস্থিতি উদ্ভৱ হোৱা উচিত নাছিল। ঘটনাৱলীৰ স'তে কোনোপধ্যে জড়িত নহয় বুলি গেহলটে কয়। *আঠ পৃষ্ঠাত চাওক*

## দুবিধ অসমীয়া মানুহৰ অৱলুপ্তি

■ সঞ্জীৱ সভাপণ্ডিত



**অকণ** হালৈ নামৰ এজন মানুহে মাজে মাজে মোলৈ ফোন কৰে— মোৰ লেখাৰ ওপৰত তেওঁৰ বক্তব্য দাঙি ধৰে। বহুত ক্ষেত্ৰত আমাৰ মতৰ অমিল হয়। তেৰোঁ বৰ্তমান ৭৭ বছৰ বয়সৰ অভিজ্ঞতাৰে সমৃদ্ধ। গতিকে তেওঁৰ কথাবোৰ অগ্ৰাহ্য বা নস্যাৎ কৰিবলৈ মোৰ মন নাযায়।

আজি (২৫/৯/২২) তেওঁ ফোন কৰি মই আগৰ লেখাটোত 'মোক বৌদ্ধিক মুক্তি লাগে' বুলি মই লিখা *১০ পৃষ্ঠাত চাওক*

জনজাতিকৰণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ঘোষণা

## ছয় জনগোষ্ঠীৰ মাজত বিভেদ অনাৰ ষড়যন্ত্ৰ চৰকাৰৰ ঃ টাইপা

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৬ ছেপ্টেম্বৰ ঃ** জনজাতিকৰণৰ প্ৰক্ৰিয়াক লৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ভূমিকাত সৰৱ হ'ল তাই আহোম যুৱ পৰিষদ। *১০ পৃষ্ঠাত চাওক*

■ ৰুষ্ট প্ৰকৃতিৰ গ্ৰাসত নামনি সোৱণশিৰি প্ৰকল্প ■ পাৱাৰ হাউছত বিপৰ্যয় ■ এনএইছপিচিৰ মিথ্যাচাৰ উদঙালে প্ৰকৃতিয়ে ঃ সৰৱ আছু

## জলবিদ্যুৎ প্ৰকল্পৰ মূল বান্ধলৈ যোৱা পথ খহিল, পলায়ন কৰ্তৃপক্ষৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ধেমাজি, ২৬ ছেপ্টেম্বৰ ঃ** বিশেষজ্ঞই জলবোমা আখ্যা দিয়া নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পস্থলীত ৰুদ্ৰ প্ৰকৃতিৰ কৰলত পৰি এটাৰ পাছত আন এটা অঘটন সংঘটিত হৈ আহিছে। সপ্তাহ ধৰি অৰুণাচলত অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত প্ৰকল্পস্থলীত ব্যাপক ভূমিস্খলন, সুৰংগ খহাই বৃহৎ গাঁত সৃষ্টিৰ লগতে বান্ধটোৰ আশে-পাশে খহনীয়া অব্যাহত থকাৰ সময়তে পাৱাৰ হাউছক সুৰক্ষা দিবলৈ নিৰ্মাণ কৰা বৃহৎ দেৱাল পানীৰ কোৱাল সোঁতে নিশ্চিহ্ন কৰাৰ পাছতে আজি ৰুষ্ট প্ৰকৃতিয়ে মূলবান্ধলৈ যোৱা পথ খহাই বিচ্ছিন্ন কৰে। তাৰ পাছতে সমগ্ৰ অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। তাৰ মাজতে বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ আওকাণ কৰি বান্ধ নিৰ্মাণ কৰাৰ ফলতেই আজি বৃহত্তৰ অঞ্চলত সম্প্ৰতি সাধাৰণ জনতাই আতংকময় পৰিৱেশত দিন *আঠ পৃষ্ঠাত চাওক*

■ ৰাজ্য চৰকাৰৰ বাজেটৰ ধাৰণাক অবাস্তৱ আখ্যা কেগৰ ■ বাজেট ধাৰ্য পুঁজি ব্যয়ৰ বাবে উপলব্ধই নাছিল ■ কৰ্মচাৰীৰ এনপিএছৰ বৰঙণিও সম্পূৰ্ণৰূপে আদায় দিয়াত ব্যৰ্থ দিছপুৰ

## পুঁজিৰ অভাৱ! সীমাবদ্ধ বাজেট ব্যয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** বাজেটৰ পৰিসৰ বৃদ্ধি কৰি চমক দিলেও পুঁজিৰ অভাৱত ধাৰ্য পুঁজি সম্পূৰ্ণৰূপে ব্যয়ত ধাৰাবাহিকভাৱে ব্যৰ্থতা প্ৰদৰ্শন কৰিছে ৰাজ্য চৰকাৰে। বিগত ২০১৬-১৭ বৰ্ষৰ পৰা ২০২০-২১ বৰ্ষলৈ ৰাজ্য চৰকাৰে পাঁচটা বছৰত কোনো এখন বাজেটতে ধাৰ্য পুঁজিৰ ৭০ শতাংশৰ অধিক পুঁজি ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই। বিগত ২০২০-২১ বিত্তীয় বৰ্ষত বিত্তমন্ত্ৰী অজন্তা নেওগে দাখিল কৰা বাজেটখনৰ মাথোঁ ৬৭.৭৫ শতাংশহে ব্যয় কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (কেগ)ৰ

**প্ৰতি বছৰে বৃদ্ধি পাইছে ঋণৰ বোজা**

প্ৰতিবেদনত উন্মোচিত হৈছে বাজেট ধাৰ্য পুঁজিৰ ব্যৱহাৰত অসম চৰকাৰে প্ৰদৰ্শন কৰা ব্যৰ্থতা। কেগৰ প্ৰতিবেদনত উল্লেখ কৰা তথ্য মতে, ২০১৭-১৮ বৰ্ষত বাজেটৰ ৭০.০৪ শতাংশ পুঁজি ব্যৱহাৰৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ব্যৱহৃত হৈছিল ৬৯.৯২ শতাংশ প্ৰস্তাৱ। আকৌ ২০১৮-১৯ বৰ্ষত বাজেটৰ পুঁজি ব্যৱহাৰৰ হাৰ ৬৬.৬৭ শতাংশলৈ অৱনমিত হৈছিল। এই হাৰ ২০১৯-২০ বৰ্ষত ৭০.৩০ শতাংশলৈ ঊৰ্ধ্বগামী হ'লেও ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ বিগত বিত্তীয় বৰ্ষৰ বাজেটৰ মুঠ ধাৰ্য পুঁজিৰ ৬৭.৭৫ শতাংশ *১০ পৃষ্ঠাত চাওক*

■ নেতাৰ আমদানিক লৈ বিজেপিত ক্ষোভৰ সৃষ্টিৰ মাজতে ক'লে ৰাজ্যিক সভাপতি কলিতাই

## কংগ্ৰেছৰ ডাঙৰ নেতাৰ বাবে বন্ধ হ'ল দুৱাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** আন দল বিশেষকৈ কংগ্ৰেছৰ আগশাৰীৰ নেতাৰ বাবে বিজেপিৰ দুৱাৰ বন্ধ কৰিছে দলৰ ৰাজ্যিক নেতৃত্বই। কংগ্ৰেছৰ কে'বাগৰাকী শীৰ্ষ নেতা-নেত্ৰীয়ে শীঘ্ৰে বিজেপিত যোগ দিব বুলি দীৰ্ঘদিন ধৰি চৰ্চা চলি আহিছে। সেইসকলৰ ভিতৰত একাধিক প্ৰাক্তন মন্ত্ৰী আৰু বিধায়কো আছে। তথাপি তেওঁলোকৰ বাবে দুৱাৰ বন্ধ কৰাৰ কথা আজি 'দৈনিক অগ্ৰদূত'ৰ আগত সদৰী কৰে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। উল্লেখ্য যে অহা সাত অক্টোবৰত দুদিনীয়া কাৰ্যসূচী লৈ অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা। এই দুই নেতাৰ উপস্থিতিত দলত যোগদানৰ চেষ্টা চলাই আহিছে কংগ্ৰেছক মুখ্য কৰি আন বিৰোধী দলৰ একাংশ নেতাই। সম্ভাব্য কংগ্ৰেছ নেতাৰ ভিতৰত নাম চৰ্চাত আছে প্ৰাক্তন মন্ত্ৰীদ্বয় অজিত সিং আৰু বিস্মিতা গগৈৰ। জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন সিং ঘাটোৱাৰৰ পুত্ৰ প্ৰাঞ্জল ঘাটোৱাৰৰ নামো এই চৰ্চাত *১০ পৃষ্ঠাত চাওক*

■ ৰাজহ বিভাগৰ তথ্যৰ ভিত্তিত তৎপৰতা

## ভিজিআৰ-পিজিআৰত বাস কৰা খিলঞ্জীয়াক পট্টা প্ৰদানৰ সিদ্ধান্ত চৰকাৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** গোচৰণীয়া পথাৰকে ধৰি বছৰ বছৰৰ পৰা চৰকাৰী ভূমিত বাস কৰি অহা অসমৰ 'খিলঞ্জীয়া' ভূমিহীন লোকক এইবাৰ ভূমি পট্টা প্ৰদান কৰিব ৰাজ্য চৰকাৰে। অহা দুই অক্টোবৰৰ পৰা 'মিছন বসুন্ধৰা'ৰ দ্বিতীয় পৰ্যায় আৰম্ভ হ'ব। এই পৰ্যায়তে 'খিলঞ্জীয়া ভূমিহীন' সন্দৰ্ভত উক্ত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি অসম চৰকাৰৰ ৰাজহ বিভাগৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰে। সূত্ৰটোৱে কয় যে প্ৰধানকৈ 'ভিজিআৰ' আৰু 'পিজিআৰ' ভূমিত বাস কৰি থকা খিলঞ্জীয়া লোকসকলক এই ক্ষেত্ৰত প্ৰধান অগ্ৰাধিকাৰ দিয়া হ'ব। *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩২° | ২৪° |
| দিল্লী | ৩১° | ২৪° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৯° | ২৪° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৩° | ১৭° |

*২৬ ছেপ্টেম্বৰ, ২০২২*

## চেঙা তেল



*সেইবিধ হোৱা বুলি ফাকি মাৰি ঘৈণীৰ খেচখেচনিৰ পৰা ১৪দিন সাৰি আছো বুজিছে!*



*দুৰ্ধৰ্ষ গাড়ী চোৰৰ গৃহত পুতি থোৱা ১৫ লাখ টকা, তেজপুৰত সোমবাৰে।*

## মাটি খান্দি পুতি থোৱা ১৫ লাখ টকা উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ আলিচিঙা উৰিয়ামগুৰিস্থিত দুৰ্ধৰ্ষ গাড়ীচোৰ এজনৰ বাসগৃহ চৌহদৰ পৰা যোৱা নিশা উদ্ধাৰ হৈছে গোপনে পুতি থোৱা ১৫ লাখ *১০ পৃষ্ঠাত চাওক*

## আইআইআইটিত অধ্যয়নৰত বহিঃৰাজ্যৰ তিনি ছাত্ৰ দুৰ্ঘটনাত নিহত

কামৰূপৰ ভোলাগাঁৱত নিশা ভয়ংকৰ পথ দুৰ্ঘটনা

**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত ভোলাগাঁৱত যোৱা নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত বহিঃৰাজ্যৰ তিনিজন ছাত্ৰ নিহত হয়। এএছ-০১ এফবি-৫২৪৯ নম্বৰৰ এখন নিয়ছ আই-১০ বাহনখনেৰে নৱনিৰ্মিত পথেৰে বঙৰাস্থিত আইআইআইটিত অধ্যয়নৰত পাঁচজন ছাত্ৰই চানডুবিৰ পৰা মিৰ্জা অভিমুখে আহি থকা অৱস্থাত ভোলাগাঁৱৰ পথৰ কাষত নিয়ন্ত্ৰণ হেৰুৱাই এটা চালি ঘৰত খুন্দা মাৰে। ফলত *১০ পৃষ্ঠাত চাওক*

নিশাই আৰক্ষীৰ অভিযানত ধৰা পৰিল ■ কামৰ পৰা খেদি দিয়াৰ প্ৰতিশোধত হত্যা ■ স্বামী-দেওৰেকক হত্যাৰ অভিপ্ৰায়েৰে গৈছিল

## স্বামীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰীয়ে হত্যা কৰিলে ৰুমী দত্তক

■ হত্যাৰ পাছত ঘটনাস্থলীত ভিৰৰ মাজত থাকি পৰিস্থিতি নিৰীক্ষণ কৰিছিল অভিযুক্তই



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** স্বামীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ হাততে নিহত হৈছিল নগাঁও চহৰৰ মাজমজিয়াৰ হৰিজন কলনীৰ নিবাসী ৰুমী দত্ত নামৰ সম্ভ্ৰান্ত ঘৰৰ বোৱাৰীগৰাকী। কালি সন্ধিয়া প্ৰায় ৭-১৫ বজাত ঘৰৰ ভিতৰতে মহিলাগৰাকীক ছুৰীৰে ডিঙি ৰেপি অতি নৃশংসভাৱে হত্যা কৰা ঘটনাৰ চাঞ্চল্য আজিও অব্যাহত আছে। ইয়াৰ মাজতে যোৱা নিশাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে নগাঁও কঁপাই *১০ পৃষ্ঠাত চাওক*



*ধৃত সুব্ৰত মজুমদাৰ।*

■ আৰম্ভ হ'ল বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গাপূজা ■ ভগ্ন পথেৰে আহিব লাগিব ভক্তগণ, পাটোৱাৰীৰ খবৰ নাই ■ সপ্তম পাঁচশ স্বেচ্ছাসেৱক

## চাৰি লাখ ভক্তৰ বাবে সাজু দেৱালয়, ৪০টা ম'হ বলি-২০টা উছৰ্গাৰ যোজা

■ আব্দুল মজিদ

**নলবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** আজি পৱিত্ৰ শুক্ল প্ৰতিপদ। আজিৰে পৰা আৰম্ভ হ'ল ইতিহাসপ্ৰসিদ্ধ অসমৰ অন্যতম শক্তিপীঠ বেলশৰৰ বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজা। উল্লখ্য যে এই দেৱালয়ত প্ৰতিপদ তিথিৰ পৰাই আৰম্ভ হয় শ্ৰীশ্ৰীদুৰ্গা পূজা। অহা পাঁচ অক্টোবৰত সামৰণি পৰিব দেৱালয়ৰ উক্ত দুৰ্গা পূজা। এই পূজাক কেন্দ্ৰ কৰি মণ্ডপৰ লগতে প্ৰয়োজনীয় সকলো প্ৰকাৰৰ আয়োজন প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। *দুই পৃষ্ঠাত চাওক*



## অতিৰিক্ত কৰ্মচাৰীক কামত লগাই সম্পত্তি কৰ সংগ্ৰহৰ সিদ্ধান্ত জিএমচিৰ

মেয়ৰ ইন কাউন্সিলৰ বৈঠকত সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটীবাসীৰ সম্পত্তি কৰ সংগ্ৰহৰ বাবে ব্যক্তিগত খণ্ডৰ কোম্পানীৰ পৰিৱৰ্তে গুৱাহাটী পৌৰ নিগম (জিএমচি)-এ নিজাববীয়াকৈ কৰ সংগ্ৰহৰ দায়িত্ব পালন কৰিব। অন্ততঃ অহা বছৰলৈ ব্যক্তিগত কোম্পানীক পৌৰ নিগমৰ *১০ পৃষ্ঠাত চাওক*




■ ভূজল প্ৰাধিকৰণৰ নিৰ্দেশ ■ ৩০ ছেপ্টেম্বৰৰ ভিতৰত ১০ হেজাৰ টকাৰ মাচুল, এক লাখ টকাৰ জৰিমনাসহ কৰিব লাগিব ভূগৰ্ভস্থ পানী ব্যৱহাৰৰ পঞ্জীয়ন ■ নিজাকৈ মিটাৰ বহুৱাই ব্যৱহৃত পানীৰ বিপৰীতে আদায় দিব লাগিব মাচুল

## গুৱাহাটীসহ নগৰ অঞ্চলত পানীৰ ওপৰত কৰ আৰোপ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** মাটি-সম্পত্তি, খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য সকলো সামগ্ৰীৰ পাছত এইবাৰ ভূগৰ্ভৰ পৰা উলিওৱা পানীটুপিৰ ওপৰতো কৰ ধাৰ্য কৰিলে কেন্দ্ৰীয় চৰকাৰে। গভীৰ নলী নাদ বহুৱাই ভূগৰ্ভস্থ পানী আহৰণ কৰা আৱাসিক

**■ পঞ্জীয়ন নকৰিলে পানী উঠোৱা যন্ত্ৰ জব্দ-বিদ্যুৎ সংযোগ কৰ্তন**

এপাৰ্টমেণ্ট, হাউছিং ছ'চাইটী, চৰকাৰী পানী যোগান সংস্থা তথা ঘৰুৱা ব্যৱহাৰকাৰীসকলে এতিয়াৰে পৰা কেন্দ্ৰীয় চৰকাৰৰ ভূজল প্ৰাধিকৰণৰ ওচৰত পঞ্জীয়ন কৰিব লাগিব আৰু ইয়াৰ পাছতে মাহিলি ব্যৱহৃত পানীৰ বিপৰীতে মাচুল আদায় দিব লাগিব। গুৱাহাটীকে ধৰি ৰাজ্যৰ নগৰ অঞ্চলৰ আৱাসীসকলে এই নিয়ম অগ্ৰাহ্য কৰিলে বিভাগীয়ভাৱে জিলা প্ৰশাসনৰ জৰিয়তে পানীৰ উৎস বাজেয়াপ্ত কৰা হ'ব আৰু সংশ্লিষ্ট ক্ষেত্ৰত বিদ্যুৎ যোগান কৰ্তন কৰা হ'ব বুলি চৰকাৰে আগতীয়াকৈ সতৰ্ক কৰি দিছে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো ৰাজ্যতে নহয়, বৰঞ্চ অসমকে ধৰি মুঠতে ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত পানীৰ ওপৰত কৰ আৰোপৰ নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে ভূগৰ্ভৰ পানী ব্যৱহাৰকাৰীসকলে নতুন নিয়ম অনুসৰি সংশ্লিষ্ট চৰকাৰী কৰ্তৃপক্ষৰ ওচৰত পঞ্জীয়ন কৰিবলৈ যাওঁতে আবেদনকাৰীয়ে চৰকাৰীভাৱে যে তেওঁক পানীযোগান ধৰিবলৈ অসমৰ্থ তাৰ প্ৰমাণপত্ৰ সংগ্ৰহ কৰি কৰ্তৃপক্ষৰ ওচৰত *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ ছেপ্টেম্বৰ, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## চাপৰৰ ডিবিআই ইটাভাটাত হত্যাকাণ্ড ঃ শ্ৰমিকে হত্যা কৰিলে পত্নীক

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৬ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত ধীৰঘাটস্থিত ডিবিআই নামৰ ইটাভাটাটোৰ চৌহদত যোৱা নিশা সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ড। তথ্য মতে, পৰ্বত আলী নামৰ শ্ৰমিকজনে যোৱা নিশা ইটাভাটাটোৰ শ্ৰমিক আৱাসগৃহতে তেওঁৰ পত্নী আকলিমা খাতুন (২৬) ক ডিঙি চেপি হত্যা কৰে। ইটাভাটাটোৰ পৰিচালক *ছয় পৃষ্ঠাত চাওক*

## কলিয়াবৰৰ বাগৰিত মহিলাক খুকুৰিৰে ঘপিয়াই নৃশংসভাৱে হত্যা

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৬ ছেপ্টেম্বৰ ঃ** কলিয়াবৰৰ বাগৰিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ হত্যাকাণ্ড। পাঁচ দুৰ্বৃত্তই মিলি এগৰাকী মহিলাক হত্যা কৰি কাৰ্বি পাহাৰৰ দিশে পলায়ন কৰাৰ অভিযোগ উঠিছে। কলিয়াবৰৰ জখলাবন্ধা আৰক্ষী নিৰেশৰ অন্তৰ্গত বাগৰি আৰক্ষী চকীৰ অন্তৰ্গত বাগৰি গাঁৱত আজি পুৱা সংঘটিত হয় এই ঘটনা। মৃত মহিলাগৰাকীৰ নাম অঞ্জনা কুৰুৱা। তথ্য অনুসৰি, মহিলাগৰাকীয়ে পুৱা উঠি মুখ-হাত ধুই থকা অৱস্থাতে কাৰ্বি পাহাৰৰ দিশৰ পৰা নামি অহা পাঁচ দুৰ্বৃত্তই মহিলাগৰাকীক ডিঙি কাটি নৃশংসভাৱে হত্যা কৰি পেলায় থৈ যায় ঘৰৰ পাছফালে। ইয়াৰ পাছতে মহিলাগৰাকীয়ে যন্ত্ৰণাত চিঞৰ-বাখৰ কৰাত ঘৰৰ আন সদস্যই আহি মহিলাগৰাকীক ভিতৰলৈ লৈ আহে যদিও মৃত্যু হয়। মহিলাগৰাকীক হত্যা কৰি পাহাৰৰ দিশে পাঁচ দুৰ্বৃত্তই পলায়ন কৰা দেখিছে বুলি অভিযোগ কৰিছে পৰিয়ালৰ সদস্যৰ লগতে স্বামীয়ে। ঘটনা সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকৰ খবৰৰ ভিত্তিত ঘটনাস্থলীত বাগৰি আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে, ঘটনাস্থলীত কলিয়াবৰ মহকুমাৰ দণ্ডাধীশ আহি সমগ্ৰ পৰিস্থিতিৰ বুজ লয়। কি কাৰণত কোনে হত্যা কৰিলে জানিব পৰা হোৱা নাই এই পৰ্যন্ত। ইফালে, সমগ্ৰ ঘটনাত ৰহস্যৰ গোন্ধ পাইছে। অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।







*মহানগৰীত দুৰ্গা পূজাৰ প্ৰস্তুতি, সোমবাৰে।*

■ বঙাইগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

# নিৰ্বাচনী প্ৰচাৰত জড়িত শিক্ষয়িত্ৰীক নিলম্বনৰ দাবী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও চহৰৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বঙাইগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আসন্ন নিৰ্বাচনক কেন্দ্ৰ কৰি আজি শিক্ষা প্ৰতিষ্ঠানখনত এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব বঙাইগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন। নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত মহাবিদ্যালয়খনৰ এগৰাকী শিক্ষয়িত্ৰীৰ লগতে মহাবিদ্যালয়ৰ বাহিৰৰ লোকে আহি নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰি শিক্ষা প্ৰতিষ্ঠানৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাৰ ভিতৰত পাঠদান চলি থকাৰ মাজতে শিক্ষয়িত্ৰী শ্ৰেয়শ্ৰী সাহাই এটা নিৰ্দিষ্ট দলৰ হৈ প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। শিক্ষয়িত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট দলক সমৰ্থন কৰিবলৈ আহ্বান জনায়। শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে এনে পক্ষপাতিত্বমূলক ভূমিকা গ্ৰহণৰ অভিযোগ কৰি ক্ষুব্ধ হৈ পৰে ছাত্ৰ-ছাত্ৰীসকল। পাছলৈ ক্ষুব্ধ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰত অৱস্থান গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী

পিএফআইৰ দৰে ৰাষ্ট্ৰবিৰোধী শক্তি দেশৰ অখণ্ডতাৰ প্ৰতি ভাবুকি ঃ পৰিষদ

## অসমত পিএফআইৰ নেতা গ্ৰেপ্তাৰত হিন্দু যুৱ ছাত্ৰ পৰিষদৰ আদৰণি

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৬ ছেপ্টেম্বৰ ঃ** 'পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া' (পিএফআই)ৰ অসমত নেতৃত্ব বহন কৰা কে'বাজনো লোকক ৰাষ্ট্ৰীয় অনুসন্ধান এজেন্সীয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যক আদৰণি জনাইছে হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি হিন্দু যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি বকেন বৈশ্যই কয় , 'পিএফআইৰ দৰে ৰাষ্ট্ৰবিৰোধী সংগঠনৰ অসমত অস্তিত্ব প্ৰকট হোৱাটো কেৱল অসমৰে নহয়, সমগ্ৰ দেশৰে অখণ্ডতাৰ প্ৰতি এক প্ৰৱল ভাবুকি। একাধিক বিচ্ছিন্নতাবাদী সংগঠন আৰু বহুসংখ্যক ইছলামিক জেহাদী সংগঠনে শক্তিশালী ৰূপত সাংগাঠানিক কাৰ্যকলাপ চলাই থকাৰ সময়তে ভূতৰ ওপৰত দানহ পৰাদি এইবাৰ পিএফআইৰ সাংগঠনিক অৱস্থিতিয়ে অনাগত দিনৰ ভয়াৱহ ছবি দাঙি ধৰিছে।' একেটা বিবৃতিত বৈশ্যই আক্ষেপ প্ৰকাশ কৰি কয় যে পূৰ্বৰ চৰকাৰবোৰৰ নাকৰ তলতেই এই জেহাদী সংগঠনসমূহে ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ চলাই আছিল; কিন্তু কেৱল নিজৰ চৰকাৰ আৰু গাদী ৰক্ষা কৰাৰ স্বাৰ্থত পূৰ্বৰ চৰকাৰসমূহে এই জেহাদী আৰু মৌলবাদী সংগঠনসমূহৰ বিৰুদ্ধে প্ৰতিৰোধৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। সেয়া অসম আৰু খিলঞ্জীয়া অসমবাসীৰ বাবে অতি দুৰ্ভাগ্যজনক বুলিও নেতাজনে লগতে উল্লেখ কৰে। হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে বৰ্তমানৰ চৰকাৰৰ পিএফআইৰ বিৰুদ্ধে লোৱা কঠোৰ পদক্ষেপক আদৰণি জনাই কয়, 'পিএফআইৰ দৰে শক্তিয়ে একেদিনাই অসমত সাংগঠনিক কামকাজ আৰম্ভ কৰা নাই। তেওঁলোকে নিশ্চিতভাৱে কে'বাবছৰৰ আগৰে পৰাই খোপনি পুতি ৰাষ্ট্ৰবিৰোধী কামকাজ চলাই আছিল যদিও ইমান দিনে এইসমূহ তথ্য যদি পূৰ্বৰ চৰকাৰসমূহৰ হাতত নাছিল, তেন্তে সেয়া তদানীন্তন চৰকাৰ আৰু প্ৰশাসনৰ অকৰ্মণ্যতাৰ বাদে আন একো নহয়।' আনহাতে, পিএফআই অথবা জেহাদীৰ তথ্য পূৰ্বৰ চৰকাৰসমূহৰ হাতত থকাৰ পাছতো যদি ৰহস্যজনক কাৰণত কোনো বিহিত ব্যৱস্থা লোৱা নাছিল, তেন্তে সেয়া পূৰ্বৰ চৰকাৰসমূহে দেশ আৰু দেশবাসীৰ কৰা প্ৰৱঞ্চনা-প্ৰতাৰণা বুলি হিন্দু যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতিজনে উল্লেখ কৰে। বিবৃতিটোত বৈশ্যই অসমত জেহাদী, পিএফআই আদিৰ দৰে সংগঠনৰ বিৰুদ্ধে কঠোৰ স্থিতি ল'বলৈ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰক দাবী জনাইছে। ইফালে, একাংশ ইছলামিক সংগঠনৰ নেতা আৰু বুদ্ধিজীৱীকো তদন্তৰ আওতালৈ আনিবলৈ উক্ত বিবৃতিটোৰ যোগেদি চৰকাৰক দাবী জনাইছে হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমৰ কেন্দ্ৰীয় সভাপতি বৈশ্যই।

অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা অসম চৰকাৰৰ চক্ৰান্তৰ বিৰুদ্ধে সৰৱ

## গোগামুখত কৃষক মুক্তিৰ প্ৰতিবাদ

**ধেমাজি, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা চক্ৰান্তৰ বিৰুদ্ধে গণ আন্দোলন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ। আজি গোগামুখ আঞ্চলিক আৰু বৰদলনি আঞ্চলিক সমিতিৰ উদ্যোগত গোগামুখ ৰাজপথেৰে সমদল উলিয়াই গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। 'অসমৰ মাটি অৰুণাচলীক কোনোপধ্যে এৰি দিয়া নহ'ব', "অৰুণাচলীৰ' আগ্ৰাসন ৰোধ কৰক', 'অৰুণাচলী চৰকাৰ হুচিয়াৰ', 'অসম চৰকাৰ কাম নাই', 'ৰণোজ পেগু বিক্ৰী গ'ল' আদি ধ্বনিৰে আকাশ- বতাহ মুখৰ কৰি তোলে ৰাজহ চক্ৰ কাৰ্যালয়। উল্লেখ্য যে ইতিমধ্যে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ধেমাজিত অসম-অৰুণাচল সীমান্ত পৰিদৰ্শন কৰিবলৈ অহাৰ সময়তে দুখন ৰাজ্যৰ জনতাৰ মাজত তয়াময়া ৰণ হৈছিল সীমা সমস্যাক লৈ। এই ক্ষেত্ৰত অসমৰ জনতাক আওকাণ কৰি চলে-বলে- কৌশলে অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা অভিসন্ধিৰ বিৰুদ্ধে সৰৱ হৈ উঠে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। শ শ জনতাই গণ আন্দোলনত ভাগ লোৱা দেখা যায় প্ৰতিবাদৰ সময়ত। মন কৰিবলীয়া যে দুপৰীয়া ১১ বজাৰ পৰা আৰম্ভ হোৱা গণ আন্দোলনত ছঘণ্টা ধৰি প্ৰতিবাদ অব্যাহত ৰাখে। আন্দোলনকাৰীৰ দাবী আৰু ভাষ্য মানি নোলোৱাৰ অভিযোগত গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখতে বহি পৰে প্ৰতিবাদকাৰী। উত্তাল হৈ পৰে পৰিৱেশ। আৰক্ষী-অৰ্ধ-সামৰিক বাহিনী মোতায়েনত আন্দোলনকাৰী আৰু আৰক্ষীৰ মাজত হতাহতি সৃষ্টি হয়। অৱশেষত প্ৰতিবাদকাৰীৰ মাজৰ পৰা ফেচিবাদী চৰিত্ৰৰে অসম আৰক্ষীয়ে ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ যুটীয়া সম্পাদক দুৰ্গা বড়াক প্ৰথমে ৰাইজৰ মাজৰ পৰা টানি আনি আটক কৰে। অৱশেষত ছঘন্টাৰ অন্তত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ধেমাজি জিলাৰ যুটীয়া সম্পাদক পাপু ডেকা, উপ-সভাপতি বাবলি আহমেদ, গোগামুখ আঞ্চলিক সমিতিৰ সভাপতি সঞ্জয় লাগাছু, বৰদলনি আঞ্চলিক সমিতিৰ সম্পাদক চেন্টু গগৈ আৰু বহু মহিলা প্ৰতিবাদীসহ শতাধিক প্ৰতিবাদী কৰ্মীক গোগামুখ আৰক্ষীয়ে আটক কৰে।

## চতিয়াত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২৬ ছেপ্টেম্বৰ ঃ** চতিয়াৰ পোকেখাটিত আজি দিনৰ প্ৰায় ১ বজাত বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকৰ মৃত্যু ঘটে। বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুমুখত পৰা যুৱকজন হৈছে কুঢ়ৰআটিৰ ছমচেৰ আলী (২৫)। প্ৰাপ্ত তথ্য মতে পোকেখাটিৰ আইনুল হক নামৰ লোকজনে তেওঁৰ গৃহলৈ বিদ্যুৎ সংযোগ দিয়াবলৈ ছমচেৰক মাতি আনিছিল। বিদ্যুৎ সংযোগ কৰাৰ ন্যুনতম জ্ঞান নথকা ছমচেৰক খুঁটাত উঠাই বিদ্যুৎ সংযোগ দিয়াবলৈ চেষ্টা কৰাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হোৱাৰ অভিযোগ উঠিছে। তথ্য অনুসৰি, বিদ্যুৎ পৰিবাহী তাঁৰত হাত দিয়াৰ লগে লগে বিদ্যুৎস্পৃষ্ট হৈ ছমচেৰ তললৈ সৰি পৰে আৰু ঘটনাস্থলীতে তেওঁৰ মৃত্যু হয়। মৃত ছমছেৰ পেছাত এজন পকী মিস্ত্ৰি আছিল। ঘটনা সন্দৰ্ভত চতিয়া বিদ্যুৎ বিতৰণ উপ-সংমণ্ডলৰ বিষয়াৰ লগত যোগাযোগ কৰাত বিষয়াজনে জানিবলৈ দিয়া মতে, অবৈধভাৱে বিদ্যুৎ সংযোগ স্থাপন কৰিবলৈ যোৱাৰ বাবেই কৰুণ ঘটনাটো সংঘটিত হয়। ইতিমধ্যে ছমচেৰৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে চতিয়া আৰক্ষীয়ে বিহালীলৈ প্ৰেৰণ কৰিছে।

## বালিপৰাত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** আজি দিনৰ প্ৰায় ৩-৩০ বজাত শোণিতপুৰৰ বালিপৰাৰ ঢেকেৰিগাঁৱত স্থানীয় মণি দাস নামৰ এজন লোক বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে আৱাসিক অঞ্চলটোৰ মানুহৰ ঘৰৰ পদূলিৰ ওপৰেৰেই সংযোগ কৰা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰত গছৰ পাত কাটি থকা অৱস্থাত বিদ্যুৎস্পৃষ্ট হয় লোকজন। বিদ্যুৎস্পৃষ্ট হৈ তেনেদৰেই ওলমি থকা লোকজনক পাছত স্থানীয় ৰাইজে ১০৮ এম্বুলেন্সৰ সহায়ত চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও ইতিমধ্যে তেওঁৰ মৃত্যু ঘটে। এই শোকাৱহ ঘটনাত ক্ষোভিত স্থানীয় লোকে অভিযোগ কৰি কয় যে এই উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰসমূহ মানুহৰ ঘৰৰ সমীপৰ পৰা আঁতৰাই নিৰাপদ দূৰত্বৰে সংযোগ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক কে'বাবাৰো আহ্বান জনোৱা হৈছে যদিও ইয়াৰ প্ৰতি কৰ্তৃপক্ষই কোনোধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই।

## জনজাতিকৰণৰ দাবীত ডিচেম্বৰৰ পৰা আন্দোলন কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ

মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি অনুসৰি নৱেম্বৰলৈ অপেক্ষা কৰিব

**বৰমা, ২৬ ছেপ্টেম্বৰ ঃ** 'অসমৰ মুখ্যমন্ত্ৰীয়ে আমাক দিয়া প্ৰতিশ্ৰুতি অনুসৰি আমি নবেম্বৰলৈ অপেক্ষা কৰিম। নবেম্বৰত যদিহে আমাৰ সংগঠনৰ স'তে ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত নহয়, তেন্তে ডিচেম্বৰৰ পৰা চলিব ধাৰাবাহিক আন্দোলন। কোচ- ৰাজবংশীসকলে নিজৰ প্ৰাপ্য অধিকাৰ আঁজুৰি আনিবলৈ সংগ্ৰাম কৰি যাব।' এই মন্তব্য কোচ ৰাজবংশী ছাত্ৰ



## যোৰহাটৰ কে'বাখনো প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন আছুৰ

এজনীয়া শিক্ষক আৰু শিক্ষকবিহীন বিদ্যালয়ৰ সমস্যাক লৈ সৰৱ যোৰহাট জিলা ছাত্ৰ সন্থা

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ জয়জয়কাৰ অৱস্থাৰ বিপৰীতে ৰাজ্যৰ চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ চৰম দুৰৱস্থাৰ কথা আৰু নতুন নহয়। চৰকাৰী বিদ্যালয়সমূহৰ প্ৰতি ৰজাঘৰৰ চৰম অমনোযোগিতা আৰু অৱহেলা মনোভাব প্ৰদৰ্শনৰ বাবে ফলাফল, আন্তঃগাঁথনি, শিক্ষক-ছাত্ৰৰ অনুপাত সকলো দিশৰ পৰা চৰকাৰী বিদ্যালয়সমূহত একপ্ৰকাৰ মৃত্যুঘণ্টা বজা পৰিলক্ষিত হৈছে। তেনে সময়তে যোৰহাট জিলাত প্ৰায় ১১৯ খন বিদ্যালয়ত এজনীয়া শিক্ষক আৰু বহুকেইখন বিদ্যালয় শিক্ষক বিহীনভাৱে চলি থকাৰ কথা পোহৰলৈ আনিছে ছাত্ৰ সন্থাই। আজি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে যোৰহাট জিলাৰ এজনীয়া শিক্ষকৰ সমস্যাৰে ভাৰাক্ৰান্ত প্ৰত্যেকখন বিদ্যালয়ত উপস্থিত হৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ স'তে মত বিনিময় কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকদ্বয় ক্ৰমে জিতু নেওগ, দীপ দত্ত, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি সংকল্প গগৈৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে দুই নম্বৰ কাকজন বাগান প্ৰাথমিক বিদ্যালয় (ক), দুই নম্বৰ *ছয় পৃষ্ঠাত চাওক*

## হোজাইত পুনৰ ড্ৰাগছ জব্দ ঃ আটক তিনি

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৬ ছেপ্টেম্বৰ ঃ** আজি বিয়লি হোজাই আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি হোজাইৰ নীলবাগানৰ মাচুমা হোটেলত অভিযান চলাই প্ৰায় ১০ লাখ টকাৰ নিষিদ্ধ ড্ৰাগছসহ তিনিজনক আটক কৰে। হোজাই থানাৰ আৰক্ষী বিষয়া তপন মেধিয়ে এক সংবাদমেল যোগে এই কথা সদৰী কৰে। আজি বিয়লি গ্ৰাহকৰ বেশত যোৱা হোজাই আৰক্ষীয়ে প্ৰায় দহ লাখ টকা মুল্যৰ ড্ৰাগছখিনি মাত্ৰ এক লাখ টকাত বিক্ৰী কৰাৰ চেষ্টা চলোৱাৰ সময়ত নীলবাগানৰ মাচুমা হোটেলৰ পৰা তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজন ক্ৰমে আলম হুছেইন, স্নেহনাজ হুছেইন আৰু লতিবুৰ ৰহমান। ইয়াৰে এজন পূৰ্বতে ড্ৰাগছৰ গোচৰত জেললৈ গৈছিল। ধৃত লোককেইজনৰ পৰা এএক্স-০১এএক্স-৪৭৩৫ নম্বৰৰ এখন নেক্সন বাহনৰ লগতে তিনিটা ম'বাইল ফোন জব্দ কৰে। এই বাহনখনতেই চৰিটা চাবোনৰ বাকচত প্ৰায় ষাঠি গ্ৰাম সন্দেহযুক্ত হেৰ'ইনখিনি আনিছিল। গ্ৰেপ্তাৰ হোৱা তিনিজনৰ বিপক্ষে এন ডি পি ইচ আইনৰ অধীনত গোচৰ ৰুজু কৰি কাইলৈ আদালতত হাজিৰ কৰিব বুলি আৰক্ষী বিষয়া মেধিয়ে সংবাদমেলত প্ৰকাশ কৰে।

বদৰুউদ্দিনৰ পক্ষত নাথাকিলে হত্যাৰ ভাবুকি ঃ গোচৰ

## গাঁওৰক্ষী বাহিনীৰ কমিটী গঠনক লৈ দুই পক্ষৰ সংঘাত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৬ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ ডবকা ৰৌৱাৰপাৰ গাঁৱত চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। গাঁওৰক্ষী বাহিনীৰ সম্পাদকক হত্যাৰ ভাবুকি যুৱকক। নিশা ফোন কৰি সম্পাদক আনিচুল হক নামৰ এজনক ভাবুকি প্ৰদান কৰাৰ অভিযোগ বদৰউদ্দিন আৰু চুলতান আহমেদৰ বিৰুদ্ধে। ভাবুকি দিয়া কল ৰেকৰ্ড ভাইৰেল হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সংক্ৰান্তত আনিচুলে মোৰাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে ৰৌৱাৰপাৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক আব্দুল হক কিছুদিন পূৰ্বে আকস্মিকভাৱে মৃত্যুবৰণ কৰাত খালী হৈ পৰে সম্পাদকৰ পদটো। যোৱা ২০ ছেপ্টেম্বৰত মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু থানা কমিটীৰ সভাপতিৰ উপস্থিতিত গাঁওৰক্ষী বাহিনীৰ কমিটী গঠন কৰাৰ উদ্দেশ্যে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সাধাৰণ সভাত আনিছুল *ছয় পৃষ্ঠাত চাওক*

নতুনকৈ ২০২ বিঘা মাটিত লিচু পুলি ৰোপণ

## তেজপুৰৰ লিচুকলৈ আন এক প্ৰকল্প

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** ২০১৫ জি আই টেগ লাভ কৰা তেজপুৰৰ মঙহাল আৰু ৰসাল লিচুৰ সোৱাদে দেশে-বিদেশে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। ব্যক্তিগত সংগ্ৰহৰ বিপৰীতে এইবাৰ তেজপুৰৰ লিচু লণ্ডনৰ বজাৰলৈ ৰপ্তানিৰ দ্বাৰ মুকলি হোৱাৰ উপৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেজপুৰৰ লিচুৰ অনন্য সোৱাদক ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ লিখা পত্ৰৰে শলাগ লোৱাৰ উপৰি এই লিচুৰে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিব বুলি আশা ব্যক্ত কৰিছিল।

উল্লেখ্য যে তেজপুৰত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাই পল্টন পুখুৰীৰ পাৰত ৰোপণ কৰা লিচু ১০০ বছৰ অতিক্ৰম কৰাৰ পাছতো অনন্য হৈ থকাই নহয়, এই পুখুৰী সম্প্ৰতি লিচু পুখুৰী নামেৰে বিখ্যাত হৈ পৰিল। তেজপুৰ পৌৰসভাৰ অধীনস্থ এই লিচু বাগিচাখন পাঁচবিঘা ভূমিৰে তেজপুৰ চহৰতে অৱস্থিত আৰু বৰ্তমান এই লিচুবাগিচাখনৰ সৌন্দৰ্যবৰ্ধন আৰু উন্নয়নৰ কামো চলাই থকা হৈছে। আনহাতে, তেজপুৰৰ পৰোৱা অঞ্চল বিশেষভাৱে বিখ্যাত হৈ পৰিছে লিচুৰ বাবে। মুস্বায়া, চাহী, ইলাচী, পিয়াজী, বিলাতী আদি প্ৰায় ১০ বিধ লিচু উপলব্ধ হোৱা পৰোৱাত ১৯৫৪তে এখন বৃহৎ লিচু বাগিচা গঢ় লৈ উঠিছিল আৰু বৰ্তমান এনে লিচুৰ একাধিক বাগিচা পৰোৱাৰ লগতে সমীপৱৰ্তী পৰমাইঘুলিলৈকে সম্প্ৰসাৰিত হৈছে। এইবাৰ আনুষ্ঠানিকভাৱে লণ্ডনলৈ তেজপুৰৰ লিচু ৰপ্তানিৰ কথা কোৱা হৈছে যদিও প্ৰকৃততে ইয়াৰ পূৰ্বেই তেজপুৰৰ এই পাতল বাকলিৰ, আঁহযুক্ত, ৰসাল আৰু সুস্বাদু লিচু আমেৰিকা আৰু ছুইজাৰলেণ্ডলৈ ৰপ্তানি কৰা হৈছে। সম্প্ৰতি বেছেৰীয়া অঞ্চলতো লিচুৰ বাগিচা স্থাপন কৰি লাভৱান্বিত হৈছে কৃষক। পৰোৱাৰ লিচুৰে আঞ্চলিক বৈশিষ্ট্যৰে নিজস্ব পৰিচয় জিআই টেগৰ জৰিয়তে সাতবছৰ পূৰ্বে স্বীকৃতি লাভ কৰিলেও লিচু কৃষকসকলে চৰকাৰী বিভাগৰ পৰা কোনো বিশেষ সা-সুবিধা লাভ নকৰাৰ বিষয়ে প্ৰকাশ কৰাৰ বিপৰীতে এইবাৰ শোণিতপুৰ জিলা কৃষি বিভাগে লিচু খেতি সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আজি শোণিতপুৰ জিলা কৃষি বিভাগ, জিলা পৰিষদ, কৃষি বিজ্ঞান কেন্দ্ৰ, নাবাৰ্ডৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসন , অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প, বিশ্বনাথ কৃষি মহাবিদ্যালয়, নেৰামেক, অগ্নিগড় কৃষি উৎপাদক কোম্পানীৰ সহযোগত পৰোৱাত লিচু পুলি বিতৰণ তথা ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কৃষি বিভাগৰ উদ্যোগত লিচু পুলি বিতৰণ আৰু ২০২ বিঘা মাটিত লিচু পুলি ৰোপণৰ এক কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়।

শোণিতপুৰ জিলা কৃষি বিষয়া পংকজ শইকীয়াই কৃষি বিভাগৰ এই অভিযানৰ কথা সদৰী কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাসৰ লগতে উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা উন্নয়ন আয়ুক্ত উৎপল বৰা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন পাঠক, জিলা বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ মুখ্য বিজ্ঞানী তথা সমন্বয়ৰক্ষক ড° পল্লৱ শৰ্মাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি।

## ভিয়েটনামী মাৰ্বলৰে প্ৰস্তুত কৰা দেৱী দুৰ্গা-শ্যামাকালী-ৰাধাকৃষ্ণৰ যুগল মূৰ্তিৰ অভিষেক

বাৰোৱাৰী দুৰ্গা পূজা মন্দিৰত দশভূজাক আদৰাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ সমাগত। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে দৰঙৰ খাৰুপেটীয়াতো মৃৎশিল্পীৰ লগতে অৰ্ধ শতাধিক পূজা সমিতি ব্যস্ত হৈ পৰিছে পূজা মণ্ডপ নিৰ্মাণৰ কামত। সমান্তৰালভাৱে আঠটা দশক গৰকা খাৰুপেটীয়া নগৰৰ বাৰোৱাৰী পূজা মন্দিৰতো দেৱী দুৰ্গাক আদৰাৰ প্ৰস্তুতি তুংগত উঠিছে। ৰাজ্যখনৰ ভিতৰতে সৰ্ববৃহৎ দুৰ্গা পূজা মন্দিৰৰূপে পৰিচিত খাৰুপেটীয়াৰ এই বাৰোৱাৰী পূজা মন্দিৰত বিগত আঠটা দশক



## কোকৰাঝাৰত ১২টাকৈ অংগনৱাড়ী কেন্দ্ৰ মুকলি বিধায়ক ইছলাৰীৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৬ ছেপ্টেম্বৰ ঃ** গ্ৰামাঞ্চলৰ কণ কণ শিশুসকলেও যাতে শৈক্ষিক বাতাবৰণ লাভ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাথমিক স্তৰৰ পৰাই শিক্ষা প্ৰদানৰ সুবিধা হোৱাকৈ আজি কোকৰাঝাৰ পূব জনজাতি বিধানসভা সমষ্টিৰ ইউপিপিএলৰ বিধায়ক লৰেন্স ইছলাৰীয়ে একেলেথাৰিয়ে ১২টাকৈ নৱনিৰ্মিত অংগনাৱাড়ী কেন্দ্ৰৰ উদ্বোধন কৰে। জিলাখনৰ কোকৰাঝাৰ উন্নয়ন খণ্ডৰ অধীনত উক্ত অংগনৱাড়ী কেন্দ্ৰসমূহ এমজিএনৰেগা আঁচনিৰ অধীনত নিৰ্মাণ কৰা হৈছে। সংবাদ মাধ্যমৰ আগত বিধায়ক ইছলাৰীয়ে কয় যে কোকৰাঝাৰ উন্নয়ন খণ্ডৰ অধীনত ৩১ টা অংগনাৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য চলি আছে। তাৰে ভিতৰত ১৮টা সম্পূৰ্ণ হৈছে। আজি ১২টা কেন্দ্ৰ মুকলি কৰা হৈছে। *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ১০ আহিন ১৪২৯ ভাস্কৰাব্দ ২৭ ছেপ্টেম্বৰ ২০২২

## প্ৰয়োজনীয় গুৰুত্ব দিছেনে?

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডোভিয়াই লোকসভাত সদৰী কৰা শেহতীয়া তথ্য অনুসৰি ভাৰতত যোৱা তিনিটা বছৰত ২২ লাখ লোকৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে। যোৱা ২০২০ত সাত লাখ ৭০ হেজাৰ, ২০১৯ত সাত লাখ ৫১ হেজাৰ আৰু ২০১৮ত সাত লাখ ৩৩ হেজাৰ লোকে কৰ্কটত আক্ৰান্ত হৈ অকালতে প্ৰাণ হেৰুৱাইছে। আনহাতে, এই তিনি বছৰত দেশত ৪০ লাখ লোক কৰ্কটত আক্ৰান্ত হৈছে। যোৱা ২০২০ত ১৩ লাখ ৯২ হেজাৰ, ২০১৯ত ১৩ লাখ ৫৮ হেজাৰ আৰু ২০১৮ত ১৩ লাখ ২৫ হেজাৰ লোক কৰ্কটত আক্ৰান্ত হৈছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰা এই তথ্য অতি উদ্বেগজনক আৰু দুৰ্ভাগ্যজনক। উল্লেখ্য যে যোৱা দুটা বছৰত ক'ভিড মহামাৰীত ভাৰতত পাঁচ লক্ষাধিক লোকৰ মৃত্যু হৈছে; কিন্তু একে সময়ছোৱাত ভাৰতত কৰ্কট ৰোগত আক্ৰান্ত লোকৰ অকাল মৃত্যু হৈছে ১৫ লাখ ২১ হেজাৰৰো অধিক। অৰ্থাৎ ক'ভিড মহামাৰীতকৈও অধিক ভয়ংকৰ তথা ঘাতকৰ ৰূপত দেখা দিছে কৰ্কট ৰোগে। ক'ভিড নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰসমূহে যিমান টকা খৰচ কৰিছে, যিমান স্বাস্থ্য বিধি ব্যৱস্থা গ্ৰহণ কৰিছে, যিমান ক্ষিপ্ৰতাৰে প্ৰতিষেধক প্ৰস্তুত আৰু প্ৰতিষেধক প্ৰদান কৰিছে, সেইবিলাকৰ তুলনাত কৰ্কট ৰোগ নিয়ন্ত্ৰণৰ বাবে কৰা কাম কম বুলি ক'ব লাগিব। প্ৰশ্ন হয়, যদিহে ক'ভিড এক ভয়ংকৰ মহামাৰী, তেন্তে কৰ্কটো মহামাৰী হৈ পৰা নাইনে? যি ৰোগে যোৱা তিনিটা বছৰত ২২ লাখ লোকৰ অকাল মৃত্যু ঘটাইছে, সেই ৰোগক মহামাৰী বুলি ক'ব নোৱাৰিনে? কিন্তু দুৰ্ভাগ্যৰ কথা যে কৰ্কট মহামাৰীয়ে যিদৰে গুৰুত্ব পাব লাগিছিল, সেইদৰে গুৰুত্ব পোৱা নাই।

বিশ্বৰ বহু উন্নয়নশীল নাইবা দৰিদ্ৰ দেশত একাংশ আঢ্যৱন্ত অথবা সম্পদশালী লোকেহে কৰ্কটৰ উন্নত চিকিৎসা সেৱা লাভ কৰে। তেওঁলোকে আমেৰিকা, ব্ৰিটেইন আদি উন্নত দেশত কৰ্কট ৰোগৰ চিকিৎসা কৰে আৰু কৰ্কট ৰোগৰ পৰা সম্পূৰ্ণ আৰোগ্য লাভ কৰে; কিন্তু আৰ্থিকভাৱে দুৰ্বল বা দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে উন্নত চিকিৎসা সেৱাৰ বাবে বিদেশলৈ যোৱাটো বাদেই, আনকি ভাৰতৰেই উন্নত কৰ্কট চিকিৎসা প্ৰতিষ্ঠানত চিকিৎসা কৰিব নোৱাৰে। কৰ্কট চিকিৎসা সেৱা বা যত্নৰ ক্ষেত্ৰত ভাৰতৰ দৰে দেশত বৃহৎ ব্যৱধান অথবা বৈষম্য চকুত পৰে। চৰকাৰে স্বাস্থ্যখণ্ডত যিমান ধন ব্যয় ধাৰ্য কৰা উচিত সিমান ব্যয় ধাৰ্য কৰা দেখা নাযায়। ভাৰতৰ দৰে দেশত, য'ত তিনিটা বছৰত ২২ লাখ লোকৰ কৰ্কটত মৃত্যু হয় আৰু ৪০ লাখ লোক কৰ্কটত আক্ৰান্ত হয়, তাত স্বাস্থ্য তথা কৰ্কট ৰোগৰ চিকিৎসা সেৱাৰ বাবে পৰ্যাপ্ত পুঁজি প্ৰতিবছৰে ব্যয় কৰাৰ প্ৰয়োজন। চৰকাৰে ৰাজনৈতিক লাভালাভৰ আশা কৰিয়ে বিভিন্ন বিনামূলীয়া বস্তু, নগদ ধন আদি বিতৰণ কৰি হেজাৰ হেজাৰ কোটি টকা ব্যয় কৰিছে। দুটকীয়া বা তিনিটকীয়া প্ৰতি কিলো চাউল বিনামূলীয়া কৰিছে। প্ৰতিজন লোকৰ বাবে চাউল বিনামূলীয়াকৈ দিয়া হয়। ফলস্বৰূপে লাখ কোটি টকা ৰাজভঁৰালৰ পৰা ওলাই গৈছে। এইদৰে বিনামূলীয়া সামগ্ৰী বিতৰণ আঁচনিৰ বাবে কিমান কোটি টকা ৰাজভঁৰালৰ পৰা ওলাই গৈছে, তাৰ প্ৰকৃত তথ্য ৰাইজক দিয়া হৈছেনে? চৰকাৰৰ হাতত কৰ্কট বা অন্যান্য ৰোগত ভোগা লোকৰ বাবে খৰচ কৰিবলৈ ধনৰ অভাৱ; কিন্তু বিনামূলীয়া বয়-বস্তু বিতৰণৰ বাবে টকাৰ অভাৱ নাই। ভাৰতত প্ৰতি বছৰে বহু লাখ লোক চিকিৎসাৰ অভাৱত মৃত্যু মুখত পৰে। বহু লাখ লোকৰ মৃত্যু হয় এনে কিছুমান ৰোগত যিবিলাক ৰোগৰ চিকিৎসা সম্ভৱ আৰু সহজে ৰোগীসকলে আৰোগ্য লাভ কৰিব পাৰে। কৰ্কট ৰোগৰ চিকিৎসা আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে তিনি বছৰত মৃত্যু হোৱা ২২ লাখ লোকৰ ভিতৰত হয়তো কে'বা লাখ লোকৰ জীৱন ৰক্ষা পৰিলহেঁতেন। অৰ্থাৎ চৰকাৰে গুৰুত্ব সহকাৰে প্ৰয়াস কৰিলে বহু লোকৰ প্ৰাণ বচোৱা সম্ভৱ। চৰকাৰে বিনামূলীয়া বয়-বস্তু বিতৰণত যিমান গুৰুত্ব দিছে, স্বাস্থ্য খণ্ডত বা কৰ্কট ৰোগ চিকিৎসাৰ ক্ষেত্ৰত সিমান গুৰুত্ব দিছেনে?

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**ভাৰতবৰ্ষ** এখন বিশ্বৰ ভিতৰতে বিশাল গণতান্ত্ৰিক দেশ আৰু এই দেশত ৰাইজেই ৰজা, কাৰণ সংসদীয় গণতন্ত্ৰত নিৰ্বাচনী-প্ৰক্ৰিয়াৰ দ্বাৰা ৰাইজে জনপ্ৰতিনিধি নিৰ্বাচন কৰে আৰু সেই নিৰ্বাচিত প্ৰতিনিধিয়ে মন্ত্ৰিত্বৰ গাদীত বহি দেশ শাসন কৰে। ৰাইজে প্ৰতিনিধিজনক নিৰ্বাচিত কৰি পঠিয়াই ৰাইজৰ সেৱাৰ বাবে আৰু সেই প্ৰতিনিধিসকলে সংবিধানৰ নামত শপত খাই কাৰ্য সম্পাদন কৰিম বুলি প্ৰতিজ্ঞাৱদ্ধ হয়। ৰাজনৈতিক ক্ষেত্ৰত ভৰি থোৱা ৰাজনীতিকসকলে বিভিন্ন ধৰণে ৰাইজৰ ওচৰত প্ৰতিশ্ৰুতিবদ্ধ হৈ ৰাইজৰ হকে কাম কৰাৰ কথা ব্যক্ত কৰে। কিন্তু যেতিয়া মন্ত্ৰিত্বৰ গাদী দখল কৰে, তাৰ পাছত তেওঁলোকে ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ কথা পাহৰি যায় (সৎ ৰাজনৈতিক নেতাসকলৰ কথা সুকীয়া), তেতিয়া সাধাৰণ জনতাৰ কথা চিন্তা কৰিবলৈ তেওঁলোকৰ আহৰি নাথাকে। অৱশ্যে স্বাধীনোত্তৰ কালৰ আৰম্ভণিৰক ৰাজনৈতিক নেতা ৰাইজৰ বহু আস্থাভাজন আছিল, তেওঁলোকে ব্যক্তিগত স্বাৰ্থতকৈ জনসাধাৰণৰ হিতৰ বাবেহে চিন্তা কৰিছিল। এই ক্ষেত্ৰত আমি নাম ল'ব পাৰো অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ। আজিৰ প্ৰজন্মই ভাবিবই নোৱাৰিব যে অসমৰ এজন মুখ্যমন্ত্ৰীয়ে চিটি বাছত ঘূৰিছিল, ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক চৰকাৰৰ নিজাকৈ এটা ঘৰ নাছিল। গণতন্ত্ৰত এই ধৰণৰ নেতা পাবলৈ ভাবিব লাগিব। আকৌ লালবাহাদুৰ শাস্ত্ৰী প্ৰধানমন্ত্ৰী হৈ থকা কালত তেওঁৰ পুত্ৰই আন চাকৰি প্ৰাৰ্থীৰ স'তে একেলগে শাৰী পাতিছিল। সেই নমস্য ব্যক্তিসকলৰ দৰে নেতা আজি পৰ্বতত কাছ কণী-বিচৰাৰ নিচিনা কথা।

**অঞ্জলি হাজৰিকা,** লেখিকা

মহাত্মা গান্ধীৰ স্বাধীনতা সংগ্ৰাম কেৱল ৰাজনৈতিক স্বাধীনতা লাভেই নাছিল, ই আছিল এটা উপায়। তাৰ দ্বাৰা ভাৰতৰ জনগণৰ আৰ্থিক আৰু সামাজিক পৰাধীনতাৰ পৰা মুক্তি সাধন, কিন্তু দুখৰ বিষয় স্বাধীনতাৰ ৭৫ বছৰ পাছতো ভাৰতৰ সাধাৰণ জনগণে আৰ্থিক ভাৱে আজিও পদদলিত হৈয়ে আছে। আজি কালি ৰাজনীতি মানেই ক্ষমতা ই হ'ল মুখ্য, ৰাইজৰ সেৱা গৌণ। মন্ত্ৰিত্ব লাভ কৰিলে ক্ষমতা লাভ কৰে, ক্ষমতা মানেই ৰাজকোষ লুণ্ঠনৰ অধিকাৰ। গাঁওভূঁইৰ উন্নতিৰ বাবে, সমাজৰ সমৃদ্ধিৰ বাবে নিৰ্ধাৰিত ধনৰ আত্মসাৎ, জনকল্যাণমূলক আঁচনিৰ বাবে আৱণ্টিত ধন অসৎ উপায়েৰে কুক্ষিগত কৰা আদি। আত্ম সেৱাৰ দুৰ্দমনীয় দুৰাকাংখা বৰ্তমান ভাৰতবৰ্ষৰ ৰাজনীতিত বহুতো দাগী অপৰাধীয়ে ধনজনৰ বলত মন্ত্ৰীৰ আসন শুৱনি কৰি আছে, তেওঁলোকৰ মাসিকতাত নাই কোনো সৰ্বসাধাৰণ জনতাৰ প্ৰতি অনুকম্পা, নাই কোনো সেৱাৰ মনোভাৱ, সেইসকল ৰাজনীতিকৰ মন ধাবিত আসুৰিক ভোগৰ পিছে পিছে। সম্পত্তিৰ পাহাৰ গঢ়ি, এটা বিলাসী জীৱন কটোৱাটোৱেই তেওঁলোকৰ উদ্দেশ্য। ইয়াৰ বাবে অৱশ্যে বহুতে জেল হাজোতত সোমাব লগাও হৈছে।

এনে ধৰণৰ নেতা মন্ত্ৰীৰ ক্ষমতাৰ অন্ত পেলাবলৈ হ'লে ৰাজনীতিৰ মেৰপেচৰ উমান নোপোৱা সৰ্বসাধাৰণ ৰাইজক জাগ্ৰত কৰিব লাগিব আৰু প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে হোৱা সংসদীয় গণতন্ত্ৰৰ নিৰ্বাচনী প্ৰক্ৰিয়াত এক সুস্থ মানসিকতাৰ সৎ নেতা নিৰ্বাচিত কৰিব লাগিব, তেতিয়াহে অসৎ চৰিত্ৰৰ নেতাৰ ভোগৰ অন্ত পৰিব।

ফোন ঃ ৯৪৩৫৩৪৯৯৮৪

# অমানৱীয় ধৰ্ম আৰু ৰাজনীতি

## বৰ্ণ ব্যৱস্থা তথা বৰ্ণ-বিদ্বেষৰ অভিশাপ হিন্দুৰ মূৰৰ ওপৰত আজিও লাগি আছে

**যিসকলে ধৰ্মীয় সদাচাৰ, আত্মজ্ঞান, আধ্যাত্মিকতা, মানৱীয়তা আদি মহৎ গুণবোৰৰ সপক্ষে ওকালতি কৰে বা কৰি আছে, তেওঁলোকৰ হাতত কোনো প্ৰতিষ্ঠানিক ধৰ্মৰে নেতৃত্ব বা কৰ্তৃত্ব নাই; সেই নেতৃত্ব বা কৰ্তৃত্ব আছে ধৰ্মীয় মাফিয়াসকলৰ হাতত‌হে। আৰু সেই মাফিয়াসকল আটাইয়ে হৈছে ৰাজনৈতিক খেলুৱৈও।**



অসবৰ্ণ

হীৰেন গগৈ

ইৰানত হিজাব নিপিন্ধাৰ বাবেই এগৰাকী মহিলাক আৰক্ষীয়ে আটক কৰে আৰু আৰক্ষীৰ জিম্মাতেই মহিলাগৰাকীৰ মৃত্যু হয়। তাকে লৈ ইৰানত এতিয়া প্ৰতিবাদৰ জুই জ্বলিছে। দেশখনত আয়াতুল্লা খোমেইনীৰ নেতৃত্বত গোড়া ইছলামপন্থীয় শাসন চলি আছে। ১৯৭৯ত শ্বাহ ৰেজা প্ৰহ্লাৱীক উৎখাত কৰি এই গোড়া ইছলামপন্থীসকলে ক্ষমতা দখল কৰিছিল আৰু ইৰানক এখন ইছলামিক ৰাষ্ট্ৰত পৰিণত কৰিছিল। তেতিয়াৰ পৰা ভিন্ন আৰু পুৰণি-পৰম্পৰাবোৰ মানি চলা মুছলমানসকলকো, বিশেষকৈ তেওঁলোকৰ মহিলাসকলক, একেধৰণৰ গোড়া ইছলামিক ৰীতি-নীতিবোৰ মানিবলৈ বলেৰে বাধ্য কৰি অহা হৈছে। হিজাব পৰিধান তেনে এটা জাপি দিয়া ৰীতি, যিটোক নমনাৰ বাবে এগৰাকী নাৰীয়ে প্ৰাণ পৰ্যন্ত হেৰুৱাবলগীয়া হৈছে আৰু বিদেশী সাংবাদিকেও খোমেইনীৰ সাক্ষাৎকাৰ নোপোৱা হৈছে। সেই পটভূমিত ইৰানৰ হিজাব-বিৰোধী আন্দোলনে ধৰ্ম আৰু ৰাজনীতি উভয় ক্ষেত্ৰতে সংস্কাৰৰ এটা নতুন আশা উজলাই তুলিছে।

ভাৰতৰ কৰ্ণাটক ৰাজ্যৰ কোনোবা এঠাইত হিন্দুসকলৰ এটা ধৰ্মীয় শোভাযাত্ৰাত ঘটনাবশতঃ দেৱতাৰ মূৰ্তিৰ গাত এজন দলিত ল'ৰাৰ হাত লাগিল। দলিতৰ স্পৰ্শত দেৱতাও হেনো অপবিত্ৰ হ'ল আৰু শুদ্ধিকৰণৰ বাবে পৰাচিতৰ প্ৰয়োজন হ'ল। গতিকে 'পৱিত্ৰ' উচ্চবৰ্ণৰ লোকসকলে সভা পাতি দলিত ল'ৰাজনৰ পৰিয়ালটোৰ ওপৰত পঞ্চাশ হেজাৰ মান টকাৰ জৰিমনা জাপি দিয়া হ'ল। বৰ্ণ হিন্দুৰ দেৱতাৰ ওপৰত দলিতৰ কোনো অধিকাৰ নাই। প্ৰাচীন ভাৰতত বৌদ্ধ ধৰ্মই এই ব্ৰাহ্মণ্যবাদী হিন্দু ধৰ্মক প্ৰত্যাহ্বান জনাইছিল আৰু দেশজোৰা বিস্তাৰো লাভ কৰিছিল। পাছত হিন্দু ব্ৰাহ্মণ্যবাদৰ পুনৰুত্থান ঘটাত বৌদ্ধসকলক কাটি-মাৰি বুন্দামাৰ কৰা হ'ল। বৰ্ণবাদে পিষ্ট আৰু অস্পৃশ্য কৰা অগণন মানুহ অসহায় হৈ ৰ'ল। পাছৰ মুছলমান শাসকসকলৰ ৰাজত্বত সেইসকল অৱদমিত অস্পৃশ্যই লাখে লাখে ইছলাম ধৰ্ম গ্ৰহণ কৰিলে। সেয়ে 'অল ইণ্ডিয়া ইমাম অৰ্গেনাইজেশ্বন'ৰ মুৰব্বী ওমৰ আহমেদ ইলিয়াছিয়ে ক'ব পাৰিছে ঃ 'আমাৰ সকলোৰে ডি এন এ একেধৰণৰ। অকল আল্লাহৰ ইবাদত কৰাৰ পদ্ধতিহে বেলেগ।' অৱশ্যে হিন্দুৰ বৰ্ণভেদৰ বাবে সেইসকল ধৰ্মান্তৰিত মুছলমানৰ 'ঘৰ ৱাপচি'ৰ কোনো সম্ভাৱনাই নাই; কিন্তু আল্লাহৰ নামত তেওঁলোকৰ মাজতো জেহাদীৰ সৃষ্টি হৈ থাকিব। হিন্দুৰ গলাও হয়তো কটা গৈ থাকিব।

ভাৰতৰে আন এঠাইৰ এখন বিদ্যালয়ত উচ্চবৰ্ণৰ শিক্ষক এজনে এজন দলিত ছাত্ৰক মৰিয়াই মৰিয়াই মাৰি পেলোৱাৰ দৰে ঘটনাও ঘটি গৈছে। দলিত ছাত্ৰজনৰ অপৰাধ আছিল, তেওঁ উচ্চ বৰ্ণৰ লোকে পানী খোৱা পাত্ৰৰ পৰা পানী খাইছিল। বৰ্ণ ব্যৱস্থা তথা বৰ্ণ-বিদ্বেষৰ অভিশাপ হিন্দুৰ মূৰৰ ওপৰত আজিও লাগি আছে; কিন্তু অধিক দুৰ্ভাগ্যৰ কথা এয়ে যে উচ্চবৰ্ণৰ বৰ্ণবাদীসকলে সেই অভিশাপক এতিয়াও আশীৰ্বাদ বুলিহে গণ্য কৰে আৰু নিম্নবৰ্ণ তথা দলিত সম্প্ৰদায়ৰ লোকসকলেও বৰ্ণব্যৱস্থাক অখণ্ডনীয় ভাগ্য বুলি সহি আছে।

উদ্বেগৰ কথা আৰু এয়ে যে কি হিন্দু, কি মুছলমান সকলোৰে ধৰ্মান্ধতা এতিয়া ৰাজনীতিৰ খেলনাত পৰিণত হৈছে। ইৰান বা ইছলামিক ৰাষ্ট্ৰবোৰত ইছলাম হৈ পৰিছে ৰাজনৈতিক ক্ষমতা দখল বা ৰক্ষাৰ অমোঘ হাতিয়াৰ। মুছলমানসকলৰ ছিয়া আৰু চুন্নী উভয় সম্প্ৰদায়ে নিজৰ নিজৰ গোড়া ধৰ্মীয় ৰীতি-নীতিবোৰক অৱলম্বন কৰিয়েই ৰাজনৈতিক সংহতি ঘটাই আছে। ভাৰতবৰ্ষৰ দৰে দেশতো ধৰ্মই হৈছে মুছলমানসকলৰ ৰাজনৈতিক একতাৰো মূল ভিত্তি। আনহাতে, দেশৰ তথাকথিত উদাৰ আৰু ধৰ্মনিৰপেক্ষ দল-সংগঠনবোৰেও নিজৰ নিজৰ গণভিত্তি ৰক্ষা বা সম্প্ৰসাৰিত কৰাৰ স্বাৰ্থত ইছলামিক ধৰ্মান্ধতাকো সংখ্যালঘুৰ অধিকাৰৰ সংজ্ঞাৰে সজ্জায়িত কৰি ৰক্ষণাবেক্ষণ দি আছে। একেদৰে হিন্দুত্ববাদীসকলেও শাসন ক্ষমতাৰ দখল আৰু ৰক্ষাৰ বাবে ধৰ্মক বিলাসিতাৰে ব্যৱহাৰ কৰি আছে। নিম্নবৰ্ণৰ লোক, জনজাতি আৰু দলিতসকলকো বৰ্ণবাদী ৰীতি-নীতি আৰু বিশ্বাসবোৰেৰে ধৰি-বান্ধি এক আৰু সনাতন হিন্দুত্বৰ অংশীদাৰৰ পৰিচয় জাপি দিয়াৰ অভিযান চলাই আছে।

ধৰ্ম, ভাষা আদি আৰ্থ-সামাজিক উপাদানবোৰৰ সৃষ্টি হৈছিল উৎপাদনশীল আৰু সমাজবদ্ধ মানুহৰ প্ৰয়োজন পূৰণৰ বাবে। সেয়ে আদিতে সেইবোৰ মানৱীয়তাৰ সংৰক্ষক আৰু সংবৰ্দ্ধক আছিল; কিন্তু প্ৰতিষ্ঠানিক ধৰ্মবোৰ ৰাজনীতি তথা শাসনযন্ত্ৰৰ স'তে যুক্ত হৈ পৰাত ধৰ্মবিশ্বাসী মানুহবোৰক ৰাজনৈতিক ধৰ্মবোৰৰ প্ৰয়োজন পূৰণৰ সমললৈ ক্ৰমাৎ পৰিৱৰ্তিত কৰা হ'ল। এতিয়া মানুহৰ বাবে প্ৰতিষ্ঠানিক ধৰ্ম নহয়, ধৰ্মৰ বাবেহে মানুহ। ধৰ্মৰ বাবে মানুহক কটা-মৰা কৰাটোও সামাজিকভাৱে সংগত আৰু গ্ৰহণযোগ্য হ'ল। where is the humanity we lost in institutional religions?

বৰ্তমানৰ গোলকীয় পটভূমিত প্ৰতিষ্ঠানিক ধৰ্মবোৰৰ বৰ্জিত মানৱীয়তাক পুনৰুদ্ধাৰ কৰাৰ কুচকাৱাজবোৰো সেয়ে একোটা ডাঙৰ প্ৰহসন যেনহে অনুভৱ হয়। যিসকলে ধৰ্মীয় সদাচাৰ, আত্মজ্ঞান, আধ্যাত্মিকতা, মানৱীয়তা আদি মহৎ গুণবোৰৰ সপক্ষে ওকালতি কৰে বা কৰি আছে, তেওঁলোকৰ হাতত কোনো প্ৰতিষ্ঠানিক ধৰ্মৰে নেতৃত্ব বা কৰ্তৃত্ব নাই; সেই নেতৃত্ব বা কৰ্তৃত্ব আছে ধৰ্মীয় মাফিয়াসকলৰ হাততহে। আৰু সেই মাফিয়াসকল আটাইয়ে হৈছে ৰাজনৈতিক খেলুৱৈও। সেয়ে প্ৰতিষ্ঠানিক ধৰ্মবোৰৰ সংস্কাৰ বা সংশোধনো এতিয়া অসম্ভৱৰ বেপাৰ হৈ পৰিছে।

হিন্দুৰ কোনোবা ধৰ্মগ্ৰন্থতে বোধকৰো আছে, 'যস্য গৌৰিশ্বৰং চিত্তে তীৰ্থং তস্য কৰোতি কিম্?' যাৰ অন্তৰত ঈশ্বৰ আছে, তেওঁক তীৰ্থৰ প্ৰয়োজন কি? কিন্তু বাস্তৱত ঘটি আছে তাৰ সম্পূৰ্ণ ওলোটাটোহে। মন্দিৰ-মছজিদৰ বাবে ব্যক্তি মানুহৰ মনৰ ঈশ্বৰজনক জানো নিতৌ লাঞ্চিত বা নিধন কৰি থকা হোৱা নাই? প্ৰতিটো ধৰ্মই নিজৰ প্ৰতিষ্ঠানিক ঈশ্বৰজনকহে সৰ্বশ্ৰেষ্ঠ বা আচল বুলি জানো বিশ্বাস নকৰে? আৰু নিজৰ ঈশ্বৰজনকে এক আৰু সৰ্বশ্ৰেষ্ঠ বুলি ভবা মানেই জানো আন ধৰ্মবোৰক অস্বীকাৰ বা তুচ্ছজ্ঞান কৰা নুবুজায়?

সৰ্বধৰ্ম সমভাৱঃ তত্ত্বও এটা ৰাজনৈতিক কৌশলহে। সৃষ্টিকৰ্তা যদি সঁচাই এজন বুলি আৰু বিভিন্ন ধৰ্মই বিভিন্ন নাম আৰু গুণেৰে আচলতে একেজন ঈশ্বৰকে উপাসনা কৰে বুলি যদি সকলো ধৰ্মৰ ধৰ্মাধিকাৰসকলে বিশ্বাস কৰে, তেনেহ'লে তেওঁলোক সকলোৰে একেলগে বহি ধৰ্মবোৰৰ শান্তিপূৰ্ণ সহাৱস্থান আৰু অনাগ্ৰাসনৰ নীতি কিছুমান নিৰ্ধাৰণ নকৰে বা কৰিব নোৱাৰে কিয়? প্ৰব্ৰজিত লোকসকলকো প্ৰব্ৰজন কৰা দেশ বা ঠাইখনৰ পূজ্য ঈশ্বৰজনকহে উপাসনা কৰিবলৈ (ঈশ্বৰ যদি এজনেই) কোৱা বা উৎসাহিত কৰা নহয় কিয়? Be a Roman when you are at Rome নীতিক যদি সকলোৱে গ্ৰহণ আৰু অনুসৰণ কৰিলেহেঁতেন, তেনেহ'লে কোনো দেশতে ধৰ্মীয় সংঘাতৰ সৃষ্টি নহ'লহেঁতেন। প্ৰব্ৰজনকাৰীসকলে পৰদেশ বা পৰঠাইলৈ গৈ তাৰ মাটি-পানী-বায়ু আৰু টকা-পইচা সকলোবোৰকে নিজৰ বুলি ল'ব আৰু ব্যৱহাৰ কৰিব পাৰে। তেনেস্থলত সেই দেশৰ ধৰ্ম, ভাষা আদিকো নিজৰ বুলি তেওঁলোকে ধৰি নলয় বা ল'ব নোৱাৰে কিয়? পৰদেশতো নিজৰ ধৰ্ম আৰু ভাষাৰ অনুশীলনক মৌলিক অধিকাৰ বুলি স্বীকৃতি দি আমি আওপকীয়াকৈ ধৰ্মীয় আৰু ভাষিক সংঘৰ্ষবোৰৰ সম্ভাৱনা বা দুৰ্ভাৱনাবোৰকে জীয়াই ৰাখিছো কিয়?



১৯৭৯ত ইৰানত যেতিয়া শ্বাহবিৰোধী বিদ্ৰোহৰ সূত্ৰপাত ঘটিছিল, তাৰ উদাৰপন্থী বুদ্ধিজীৱী আৰু বাওঁপন্থীসকলেও গোড়া ইছলামপন্থী বিদ্ৰোহীসকলৰ স'তে হাত মিলাইছিল। যুক্তি আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ মদতপুষ্ট দুৰ্নীতিগ্ৰস্ত আৰু অগণতান্ত্ৰিক শ্বাহতন্ত্ৰক উচ্ছেদ কৰা; কিন্তু সেই বিদ্ৰোহৰ পৰিণাম কি হ'ল? ইৰানৰ ধৰ্মীয় উদাৰতাৰ পৰম্পৰা ভাঙি গোড়া ইছলামপন্থাৰে অভিষেক তাত হোৱা নাছিল জানো? এতিয়া ইৰানৰ উদাৰপন্থী বা বাওঁপন্থীসকলে নিজকে প্ৰৱঞ্চিত বা ঠগ খোৱা বুলি ভাবিব পাৰে; কিন্তু আজি সেই দেশখনত যি ঘটিছে, তাৰ আংশিক দায়-দায়িত্ব তেওঁলোকে কেতিয়াও এৰাই চলিব নোৱাৰে।

বৰ্তমান ভাৰতবৰ্ষতো বিজেপিৰ চৰকাৰখন উৎখাত কৰাৰ স্বাৰ্থত উদাৰপন্থী আৰু বাওঁপন্থীসকলে ইছলামিক মৌলবাদী শক্তি আৰু গোপন সাম্প্ৰদায়িক কংগ্ৰেছ আৰু অন্যান্য শক্তিবোৰৰ স'তে হাত মিলাইছে; কিন্তু তেওঁলোকে ভয় কৰাৰ দৰে বিজেপিৰ শাসনত ভাৰতবাসীৰ মূৰৰ ওপৰত আকাশখন ভাগি পৰা নাই আৰু মুছলমান দল-সংগঠন-নেতাসকলৰ মুখ আৰু কাম-কাজবোৰৰ ওপৰতো কোনো বাধা বা নিষেধাজ্ঞা আৰোপিত হোৱা নাই। সকলোৱে নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ শ্ৰাদ্ধ নিৰ্বিবাদে আৰু প্ৰতিদিনে পাতিয়েই আছে। এই অৱস্থাত ইছলামিক মৌলবাদৰ উদ্‌গাতা আৰু সমৰ্থকসকলে ক্ষমতা দখল কৰিব পাৰিলে দেশত ধৰ্মীয় গোড়ামি বাঢ়িব নে কমিব? বিজেপিৰ হিন্দুত্ববাদী গোড়ামিৰ বিকল্পৰ প্ৰয়োজনো নিশ্চয় আছে; কিন্তু ইছলামিক মৌলবাদৰ তোষণকাৰীসকল সেই বাঞ্ছিত বিকল্প নহয় আৰু হ'ব নোৱাৰে। বাওঁ-গণতান্ত্ৰিক শক্তিবোৰে সঁচা ধৰ্মনিৰপেক্ষতাৰ অনুশীলন নকৰিলে বা কৰিব নোৱাৰিলে ভাৰতবৰ্ষ ধৰ্মান্ধতাৰ পাপচক্ৰৰ পৰা কেতিয়াও মুক্ত হ'ব নোৱাৰিব।

এটা শেহতীয়া খবৰ মতে আৰ এছ এছৰ মুৰব্বী মোহন ভগৱতে দিল্লীৰ কস্তুৰবা মাৰ্গত থকা মছজিদলৈ গৈ অল ইণ্ডিয়া ইমাম অৰ্গেনাইজেছনৰ মুৰব্বী ওমৰ আহমেদ ইলিয়াছি আৰু দেশৰ প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত এছ ৱাই কুৰেছিসহ পাঁচজন বিশিষ্ট মুছলমান নেতাৰ স'তে ৭৫ মিনিট ধৰি আলোচনা কৰে। উদ্দেশ্য আছিল হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা বিদ্বেষৰ ভাৱ প্ৰশমন কৰা। তেওঁৰ সেই প্ৰচেষ্টাৰ বাবে ভগৱতক ওমৰ আহমেদে ইলিয়াছিয়ে আনকি 'জাতিৰ পিতা' আখ্যাৰেও অভিহিত কৰে। দেশৰ বৰ্তমান পৰিস্থিতিত সংখ্যালঘুসকলৰ মনত শংকাৰ ভাৱ সৃষ্টি হোৱাৰ কথা ভগৱতে হেনো মানি লৈছে আৰু তেওঁলোকৰ বিৰুদ্ধে কুসমালোচনা বন্ধ কৰাৰ আশ্বাসো হেনো দিছে। ভগৱতৰ এই পদক্ষেপৰ ৰাজনৈতিক তাৎপৰ্য নিশ্চয় আছে, কিন্তু ৰাজনীতিয়ে সৃষ্টি কৰা বিদ্বেষ-হিংসাৰ পৰিৱেশ ৰাজনীতিৰ জৰিয়তে নুশুধৰালে কোনে শুধৰাব?

আৰ এছ এছ বিজেপিৰ জাত শত্ৰুসকলে মোহন ভগৱতৰ এই পদক্ষেপত অসন্তুষ্ট হ'ব পাৰে; কিন্তু হিন্দু-মুছলমানৰ ঐক্য আৰু শান্তি যিসকলে মনে-প্ৰাণে বিচাৰে, তেওঁলোকৰ বাবে ই এক আশাৰ বতৰা নিশ্চয় হ'ব পাৰে।

ফোন ঃ ৮৮১১৮২৭৪৩২

# উৎপাদনমুখী আঁচনি অবিহনে ৰাজ্যৰ উন্নতি সম্ভৱনে?



দৃষ্টিপাত

প্ৰমোদ কাকতি

**বিজেপি** নেতৃত্বাধীন এনডিএ চৰকাৰখনে অসমৰ ভোটদাতা ৰাইজক আশ্বস্ত কৰিব পৰা কাৰণেই সম্ভৱতঃ দ্বিতীয় কাৰ্যকালৰ বাবে শাসনাধিষ্ঠিত হৈছে। চৰকাৰৰ মূৰব্বী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলে নিৰ্বাচনী সভাত আগবঢ়োৱা প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰাৰ অৰ্থে দ্বিতীয়টো কাৰ্যকালত উঠি পৰি লাগিছে। দুৰ্নীতিৰোধ, সংস্থাপন, বেংকৰ ঋণ ৰেহাই, অভাৱীসকলৰ বাবে অৰুণোদয়, বিনামূলীয়া চাউল, কাষৰীয়া ৰাজ্যসমূহৰ স'তে থকা পুৰণি সীমা সমস্যা সমাধান, জিলাই জিলাই মেডিকেল কলেজ স্থাপন, বিদ্যালয় একত্ৰীকৰণ, ছাত্ৰ-ছাত্ৰীলৈ মেধাভিত্তিত স্কুটী, অৰ্থসাহায্য প্ৰদান আদি ভালেমান চকুত লগা আঁচনি গ্ৰহণ কৰিছে আৰু ইয়াৰে সিংহভাগ কাৰ্যকৰীও কৰিছে।

আমাৰ ৰাজ্যখনত এনে কিছুমান সমস্যা আছে যিবোৰক ভুকুতে কলটো পকোৱাৰ দৰে সহজে সমাধান কৰাতো সম্ভৱ নহয়। সীমা সমস্যা সমাধান কৰিবলৈ একোখনকৈ সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সদিচ্ছা আৰু সহযোগিতাৰ একান্ত প্ৰয়োজন। ইয়াত সীমামূৰীয়া বাসিন্দাসকলৰো ক্ষোভ, আপত্তি, আবেগ, অনুভূতি আদি জড়িত হৈ আছে। আগৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰাজনৈতিক দৃষ্টিভংগী আগত ৰাখি ৰাজ্য পুনৰগঠন কৰে যদিও তেতিয়া এনে বিবাদ সমাধানৰ প্ৰতি নজৰ নিদিয়াৰ বাবে এই অঞ্চলসমূহ বহুদিন ধৰি অশান্তি জৰ্জৰ হৈয়ে থাকিল। বৰ্তমানৰ দুয়োখন চৰকাৰে এই বিষয়ত গুৰুত্ব দিয়াতো সময়ৰ প্ৰয়োজন বুলি বিবেচিত হৈছে।

অসমকে কেন্দ্ৰ কৰি দেশৰ উত্তৰ-পূৰ্বাঞ্চলত আন এটি বহুদিনীয়া সমস্যা হ'ল সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ। বিভিন্ন অজুহাতত এই অঞ্চলৰ যুৱকসকলে দেশৰ সংবিধান আৰু অনুশাসনৰ উৰ্ধ্বত গৈ অস্ত্ৰ হাতত তুলি লৈছে আৰু সময়ে সময়ে ত্ৰাসৰ সৃষ্টি কৰি আহিছে। সেনা-আৰক্ষীৰ স'তে সংঘৰ্ষ, জধে-মধে ধন দাবী, বৃহৎ অংকৰ ধন দিব নোৱাৰিলে হত্যা-অপহৰণ আদি নানা দুষ্কাৰ্যত লিপ্ত হৈ শান্তি বিঘ্নিত কৰি আছে। এই চৰকাৰখনে এই গধুৰ বিষয়তো হাত দিছে আৰু ভালেটিও সন্ত্ৰাসবাদী গোটক মূলসুঁতিলৈ ওভতাই আনিবলৈ সক্ষম হৈছে যদিও সংযুক্ত মুক্তি বাহিনীৰ আঁকোৰগোঁজ স্থিতিৰ বাবে এই সমস্যা সমাধান আৰু শান্তি স্থাপনৰ সমস্যাৰ ক'লা মেঘ অসমৰ আকাশত অদ্যাপি বিৰাজমান।

অতি সম্প্ৰতি আন এটি সমস্যাই জেৰীয়া গাঁঠি লগাইছে। ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ কথা বহুবাৰ আলোচিত হৈছে। চৰকাৰী পৰ্যায়ত আশ্বাসো দিয়া হৈছে। কিন্তু কি অদৃশ্য কাৰণত কেন্দ্ৰীয় চৰকাৰে কাৰ্যকৰী সিদ্ধান্ত ল'বলৈ বাকী সেই কথা অৱগত নহয়। জুই থাকিলে ধোঁৱা ওলাবই। এই বিষয়ত কোনোৱে নিজৰ স্বাৰ্থত আঘাত লাগিব বুলি আপত্তি দৰ্শাব পাৰে; কিন্তু ন্যায্য অধিকাৰৰ পৰা কোনো বঞ্চিত হ'ব নালাগে। ৰাজ্যৰ স্বাভাৱিক জীৱন আৰু উন্নয়ন ব্যাহত হ'ব পৰা আকৌ আন্দোলন আৰম্ভ হোৱাৰ আগতে সংশ্লিষ্ট সকলো পক্ষই ত্ৰিপাক্ষিক আলোচনাত মিলিত হৈ এটি গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হোৱাটো সময়ৰ আহ্বান।

ৰাজ্য চৰকাৰখনে স্বাস্থ্যখণ্ডত সৰ্বাধিক গুৰুত্ব আৰোপ কৰাতো পৰিলক্ষিত হৈছে। ৰাজ্যৰ কেউদিশ সামৰি প্ৰধান প্ৰধান নগৰ-চহৰসমূহত ইতিমধ্যে চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে। এতিয়া প্ৰতি জিলাতে চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে আগবাঢ়িছে। কিন্তু কথা হ'ল বৰ্তমানৰ চিকিৎসা মহাবিদ্যালয়সমূহত প্ৰয়োজনীয় আন্তঃগাঁথনি যন্ত্ৰ-পাতি, সা-সুবিধা, উন্নত প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্য বিষয়া আৰু কৰ্মী পৰ্যাপ্ত পৰিমাণে আছেনে? এতিয়াও দেখো জটিল ৰোগত আক্ৰান্ত অনেকে ৰাজ্যৰ বাহিৰত সুচিকিৎসা লাভৰ বাবে অহৰহ গৈয়েই আছে। ইতিমধ্যে গঢ়ি উঠা চিকিৎসা মহাবিদ্যালয় কলেজ আৰু জিলা হাস্পতালসমূহৰ অভাৱ দূৰ কৰাটোহে প্ৰাথমিক কাম হোৱাটো উচিত।

খাদ্য-বস্ত্ৰ-বাসস্থান, শিক্ষা, স্বাস্থ্য, যোগাযোগ প্ৰশাসনিক সংস্কাৰ আদি দিশত নজৰ ৰখাতো চৰকাৰৰ মূল কাম। ইয়াত কাৰো দ্বিমত থকাতো সমীচীন নহয়। এই বিষয়সমূহ নিয়ন্ত্ৰণত ৰাখি সুশাসন প্ৰদান কৰাটোতে চৰকাৰৰ সফলতা প্ৰকাশ পায়। ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে এই দিশসমূহৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিছে আৰু সাধ্যানুসাৰে ৰাইজলৈ সেৱা আগবঢ়াই আছে। এই ক্ষেত্ৰত কোনো কোনো বিৰোধী দলে চৰকাৰৰ কাম-কাজত কেৱল খুঁত উলিওৱাৰ চেষ্টা কৰিলেও আন বিৰোধী দলে ভাল কামত প্ৰশংসা কৰাও দেখা গৈছে। সুবিধা ভোগ কৰা জনসাধাৰণে অৱশ্যে এই চৰকাৰৰ গুণানুকীৰ্তন কৰাহে পৰিলক্ষিত হৈছে।

অসম চৰকাৰে সম্প্ৰতি যিবোৰ বিষয়ত ধন ব্যয় কৰি আছে সেই আঁচনিসমূহ অদৰকাৰী নহ'লেও উৎপাদনমুখী নহয়। দেহ-মন সুস্থ ৰখা আৰু মানৱ সম্পদ সৃষ্টি কৰাত ৰাজভঁৰালৰ ধন ব্যয় হ'বই; কিন্তু আমাৰ ৰাজ্যখনত ৰাজহ বা ধন আহৰণৰ ক্ষেত্ৰ তেনেই সীমিত। গতিকে গতানুগতিক ব্যয়ৰ বোজা বহন কৰি উন্নয়নমূলক আঁচনিৰ বাবে ধনৰ আৱণ্টন দিবলৈ পৰিমিত নহয় আৰু চৰকাৰে বিভিন্ন উৎসৰ পৰা ঋণ ল'ব লগা হয়। কেৱল ঋণ লৈ থাকিলেই নহ'ব। ৰাজহ আহৰণৰ কথাও সমান্তৰালভাৱে ভাবিব লাগিব। ঋণ পৰিশোধ কৰাও চৰকাৰৰেই অপৰিহাৰ্য বিষয়।



এখন ৰাজ্যৰ উন্নতিৰ চাবি-কাঠি থাকে সেই ৰাজ্যৰ বৰ্ধিত উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি। প্ৰথমে এখন ৰাজ্য হ'ব লাগিব আত্মনিৰ্ভৰশীল। তাৰ পাছত যত্নপৰ হ'ব লাগিব ৰাহি কৰিবলৈ। ৰাহি সামগ্ৰী ৰপ্তানিৰ যোগেদি এখন ৰাজ্যৰ ধনভঁৰাল চহকী কৰাত ইন্ধন যোগায়। এই উৎপাদনৰ দিশত আমাৰ ৰাজ্যখন আজিও পিছপৰি আছে। এই প্ৰতিযোগিতাৰ দিনত আমি যদি প্ৰতিযোগী উৎপাদনমুখী মনোভাবেৰে আগবাঢ়ি যাব নোৱাৰো তেতিয়া হ'লে উন্নয়নৰ গতি স্থবিৰ হ'ব আৰু কেৱল ব্যৰ্থতাইহে আমাৰ সংগ ল'ব।

অসমক আগুৱাই নিয়াৰ অৰ্থে ইয়াত প্ৰাকৃতিক সম্পদ উভৈনদী হৈ আছে। খনিজ-জলজ-বনজ আৰু ভূমিজ সম্পদৰ সিংহভাগ সদ্ব্যৱহাৰ হোৱা নাই বুলি ক'লেও বঢ়াই কোৱা নহ'ব। সমগ্ৰ উজনি অসম খণ্ডৰ পাতালেই তেল আৰু কয়লা খনিৰ ভঁৰাল। যিমান উলিয়াই থকা হৈছে তাতকৈ অধিক উলিয়াবলৈ বাকী। প্ৰাকৃতিক গেছ জ্বলাই দিয়া হৈছে; কিন্তু ৰান্ধনি ঘৰ, কল-কাৰখানাত প্ৰয়োগৰ সুবিধা কৰা হোৱা নাই। সংৰক্ষণ আৰু প্ৰতিপালনৰ অভাৱত বনজ গছ-বিৰিখ কাটি, বন্য পশু-পক্ষী হত্যা কৰি চোৰ-ডকাইত-দালালৰ পেট পূৰোৱা হৈ আছে। ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰী আৰু সেইসমূহ ৰপ্তানিৰ যোগেদি চৰকাৰৰ ৰাজহ বৃদ্ধিত অৰিহণা যোগাব পাৰে।

অসম বৰষুণ আৰু বানপানীৰ বাবে ঘৰে-বাহিৰে জনাজাত। ইয়াত নৈ-উপনৈ, বিল-পুখুৰীৰ অভাৱ নাই। অসমত অকল মাছৰ ব্যৱসায়ৰ যোগেদি বহুলোক স্বনিৰ্ভৰশীল হোৱাৰ উপৰি মাছ ৰপ্তানি কৰি ধন ঘটাৰ বহুত সুবিধা আছে। অথচ অসমৰ মানুহে বাহিৰৰ পৰা অহা চালানী-গেলা মাছকে ভক্ষণ কৰে। কিমান লাজৰ কথা। অসমে সৌৰশক্তিৰ যোগেদি বিজুলী উৎপাদনৰ ব্যৱস্থা হাতত লৈছে। সেয়া বাৰু ঠিকেই আছে। কিন্তু পানীৰ সদ্ব্যৱহাৰ কৰি সৰু-বৰ জলবিদ্যুৎ প্ৰকল্পৰে বিজুলী উৎপাদন কৰি কল-কাৰখানাকে ধৰি গৃহ ব্যৱহাৰ্য বিদ্যুতৰ জোৰা মাৰি ৰপ্তানিৰ যোগেদি লাভবান হোৱাৰ পৰ্যাপ্ত সুবিধা ভোগ কৰাৰ কথা ভবা হৈছেনে!

সবাতোকৈ দুখ আৰু পৰিতাপৰ কথা যে অসমৰ কৃষকে নাঙল-কোৰ বাদ দি হাতত দাখন লৈ দিন হাজিৰা কাম বিচাৰি নগৰমুৱা হৈছে। ডেকাসকলে বাৰীত জলকীয়া-বেঙেনাৰ পুলি ৰোৱাৰ কথা নাভাবি চ'কৰ পাণ দোকানখনতে টহল দি ফুৰিছে। সততে এনে অভিযোগ শুনা যায় মাটিত সাৰ নাই, পানী যোগানৰ ব্যৱস্থা নাই। গতিকে খেতি কৰিলেও হয় বানপানী নহ'লে খৰাং বতৰে শস্য বিনাশ কৰে। এনে অভিযোগ অসত্য বুলিও ক'ব নোৱাৰি। ইতিহাসে অসমৰ মাটি সাৰুৱা বুলি কোৱা কথাতে আমি বহি থাকিব নোৱাৰো। কৃষিখণ্ডলৈ চৰকাৰে কিমান সুবিধা আগবঢ়াইছে আৰু যি অলপ-অচৰপ আগবঢ়াইছে সেয়া কাৰ্যক্ষম হৈ আছেনে তাকো পৰ্যবেক্ষণ কৰিব লাগিব। পানী যোগান আঁচনি পৰ্যাপ্ত আৰু অধিক সক্ৰিয় হ'ব লাগিব। কৃষিত বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰিব লাগিব। অধিক উৎপাদনমুখী বীজ আৰু সাৰ যোগান ধৰিব লাগিব। বিভাগ এটা থাকিলেই নহ'ব। ৰেছম বিভাগকে ধৰি কৃষিখণ্ডৰ সৰ্বাংগীন উন্নতি সাধনৰ যোগেদি অসম স্বাৱলম্বী হোৱাই নহয়, বহলভিত্তিত কৰ্ম সংস্থাপনৰ বাট মুকলি হ'ব আৰু এনে উৎপাদনমুখী আঁচনি হাতত ল'লেহে আমি আমাৰ বজাৰ দখল কৰি, উৎপাদিত ৰাহি সামগ্ৰী ৰপ্তানি কৰি আমাৰ অৰ্থনীতি সবল কৰি অসমক দেশৰ ভিতৰতে উন্নত ৰাজ্য হিচাপে গঢ়ি তুলিব পাৰিম। কেৱল ব্যয়ৰ কথা নাভাবি চৰকাৰে লাভদায়ক উদ্যোগ গঢ়াৰ প্ৰতিও মন-কাণ দিয়াৰ বাবে সজাগ হওক।

ফোন ঃ ৬০০৩২৬২৩৩০

অসমত সাঁচিপাতত পুথি লিখা পৰম্পৰা যে খ্ৰীষ্টীয় সপ্তম শতিকাৰো প্ৰাচীন, তাৰ প্ৰমাণ পোৱা যায় হিউৱেনচাঙৰ মূল্যৱান টোকাৰ পৰা। কিয়নো তাত উল্লেখ আছে যে সপ্তম শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই কনৌজৰ পৰা হৰ্ষবৰ্ধনলৈ বুলি উপহাৰ স্বৰূপে কটকী হংসবেগৰ হাতত যিবোৰ সামগ্ৰী দি পঠিয়াইছিল, তাৰ ভিতৰত 'অগুৰুত্বক নিৰ্মিত পুস্তিকা', অৰ্থাৎ সাঁচিপাতৰ পুথিও আছিল।



# সাঁচিপাত

## ফটিকদত্ত গোস্বামী



**সাঁচি** গছ হ'ল এবিধ সৰু সৰু পাতযুক্ত ওখ, ডাঙৰ বনৰীয়া গছ। সাঁচিপাত হ'ল সাঁচি গছৰ ছালেৰে তৈয়াৰ কৰা, লিখাৰ বাবে উপযোগী কৰি তোলা পাত। সাঁচিগছৰ ভিতৰৰ ক'লা সুগন্ধি সাৰক অগৰু বা অগৰু বোলা হয় বাবে সাঁচিগছক অগুৰু বা অগুৰু গছ বুলিও কোৱা হয়।

অসমত সাঁচিপাতত পুথি লিখা পৰম্পৰা যে খ্ৰীষ্টীয় সপ্তম শতিকাৰো প্ৰাচীন, তাৰ প্ৰমাণ পোৱা যায় হিউৱেনচাঙৰ মূল্যৱান টোকাৰ পৰা। কিয়নো তাত উল্লেখ আছে যে সপ্তম শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই কনৌজৰ পৰা হৰ্ষবৰ্ধনলৈ বুলি উপহাৰ স্বৰূপে কটকী হংসবেগৰ হাতত যিবোৰ সামগ্ৰী দি পঠিয়াইছিল, তাৰ ভিতৰত 'অগুৰুত্বক নিৰ্মিত পুস্তিকা', অৰ্থাৎ সাঁচিপাতৰ পুথিও আছিল।

সাঁচিপাত তৈয়াৰ কৰাটো এক অতি কষ্ট আৰু সময়সাপেক্ষ কাম বাবেআহোম ৰজাই কাঠকটীয়া বৰুৱাৰ অধীনত সাঁচিকটীয়াৰ উপৰি খনিকৰ, লেখাৰু, লিখাৰু, গন্ধীয়া ফুকন, গন্ধীয়া বৰুৱা আদি পদবী সৃষ্টি কৰি এক বৌদ্ধিক শ্ৰেণীৰ সৃষ্টি কৰিছিল। ফলত আহোম ৰজাৰ পৃষ্ঠপোষকতাত সাঁচিপাতৰ পুথি প্ৰণয়ন বিদ্যাটো এক উদ্যোগৰ পৰ্যায়লৈ উন্নীত হৈছিল। সাঁচিকটীয়াই বুঢ়া সাঁচিগছৰ পৰা বাকলি এৰুৱাই আনি ধোঁৱাচাঙত শুকাবলৈ দিয়ে। শুকাই কৰ্কৰীয়া মাৰিলে এইবাৰ খাৰণিত দি বাকলিবোৰ আকৌ শুকুৱাই দিয়ে। তাৰ পাছত সেইবোৰ পুথিৰ জোখমতে কাটি উলিয়াই বাইচ বা চাঁচেৰে চাঁচি মিহি কৰা হয়, যথাসম্ভৱ পাতল কৰা হয়। এইবাৰ শিলেৰে ঘঁহি পাতবোৰ মিহি কৰি পুনৰ শুকাবলৈ দিয়ে। পাতবোৰত যাতে ভাঁজ নালাগে, তাৰ প্ৰতি সতৰ্ক হৈ থাকে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত দায়িত্ব আহি পৰে খনিকৰৰ। খনিকৰে ঘিলা মাৰি পাতবোৰ মসৃণ কৰি তোলে আৰু মাটিমাহৰ ৰসেৰে বোলাই হেঙুল-হাইতাল ঘঁহে। ৰং কৰা হোৱাৰ পাছত পাতবোৰ জাপি-জুপি, কটনীৰে জুখি, মাজতে এটা বিন্ধা কৰে— যিটো বিন্ধাক পুথিৰ নাভি বা নাই বোলা হয়। নাভিটোত ৰছী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থ'ব পাৰি।

পাতবোৰ লিখাৰ বাবে উপযুক্ত হৈ উঠিলে, সেইবোৰ নি গন্ধীয়া ফুকন আৰু গন্ধীয়া বৰুৱাৰ তত্ত্বাৱধানত গন্ধীয়া ভঁৰালত জমা থোৱা হয় আৰু পুথি ৰচকসকলৰ প্ৰয়োজন অনুসৰি সেইবোৰ ভঁৰালৰ পৰা যোগান ধৰা হয়। পুথি লিখা হোৱাৰ পাছত পুনৰ গন্ধীয়া ভঁৰালতে সংৰক্ষণ কৰি ৰখা হয়। গন্ধীয়া ফুকন আৰু গন্ধীয়া বৰুৱাই নানা সুগন্ধি আৰু কীটনাশক দ্ৰব্য ছটিয়াই পুথিবোৰ ভঁৰালত সুৰক্ষিত কৰি ৰাখে। সাঁচিপতীয়া পুথিবোৰ লিখাৰ বাবে আৱশ্যকীয় সঁজুলিবোৰ আছিল— কাপ, মহীচুঙা, কুটনী, আঁকমাৰি আৰু বিন্ধনা। কাপ বা কলম তৈয়াৰ কৰা হৈছিল লেকেচীয়া বাঁহ বা ঢেঁকীয়া বা খাগৰিৰে। তেনেদৰে মহী বা চিয়াঁহী তৈয়াৰ কৰাৰ নিমিত্তে চৰুছাই বা বৰা চাউলৰ ছাই, কেহেৰাজৰ ৰস, শিলিখা, আমছাল, জামছাল, গৰুমূত, লোৱাচুৰ আদি দ্ৰব্য এটা কেৰাহীত একেলগে সিজাই মাৰি চৰু এটাত ভৰাই নিয়ৰত থৈ দিয়া হৈছিল। তেতিয়া চৰুটোৰ বাহিৰৰ ফালটো ঘামি ঘামি যি ৰস ওলাইছিল, সেয়াই আছিল মহী বা চিয়াঁহী। এই চিয়াঁহীৰ এক বিশেষত্ব আছিল এই যে পানী পৰিলেও মচ নাখায় আৰু বছৰলৈকে ফটফটীয়া হৈ থাকে।

মহীৰ উক্ত বৈশিষ্ট্যৰ বাবেই আধুনিক কালত অনেক সাঁচিপাতৰ পুথি ছপা যন্ত্ৰৰ সহায়ত ছপা কৰি উলিয়াব পৰা হৈছে। কিন্তু দুখৰ বিষয় যে বানপানী, ভূমিকম্প, সেমেকা জলবায়ু আদি নানা প্ৰতিকূল কাৰকৰ হেতু বহুতো সাঁচিপাতৰ পুথি মহাকালৰ বুকুত জাহ গ'ল। বহুতে আকৌ নিজৰ ঘৰতে জমা কৰি ৰাখি পুথিবোৰৰ আয়ুস কমাই আনিলে বা ধ্বংসৰ কৱলত পেলালে; কিন্তু তাৰ বিপৰীতে যদি তেওঁলোকে পুৰাতত্ত্ব বিভাগৰ হাতত বা বিশ্ববিদ্যালয়ৰ প্ৰাচীন পুথি সংৰক্ষণ বিভাগৰ হাতত জমা দিলেহেঁতেন, তেনেহ'লে এনেধৰণৰ সাঁচিপাতৰ লেখাই ছপাৰ মুখ দেখিলেহেঁতেন। এতিয়াও যদি কোনো সদাশয় ব্যক্তি বা অনুষ্ঠানৰ হাতত এনেকুৱা আপুৰুগীয়া পুথি মজুত আছে, তেওঁলোকক এই লেখাৰ জৰিয়তে গোহাৰি জনাওঁ যে এনেধৰণৰ বহুমূলীয়া সাঁচিপাত তথা সাঁচিপাতৰ পুথি উক্ত বিভাগসমূহত আমাৰ জাতিৰ বৃহৎ স্বাৰ্থত জমা দি এক মহৎ কাৰ্য সাধন কৰে যেন।

অসমৰ চিত্ৰকলাৰ সাঁচিপতীয়া পুথিসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কীৰ্তনঘোষা, মহাভাৰত, ৰামায়ণ, কুমাৰ হৰণ, নামঘোষা, হস্তী বিদ্যাৰ্ণৱ, গীত গোবিন্দ, কল্কিপুৰাণ, আনন্দ লহৰী আদিৰ সৰহসংখ্যকেই সাঁচিপতীয়া পুথি।

সাঁচিপাতৰ উপৰি পুথি লিখিবৰ বাবে তুলাপাতো ব্যৱহাৰ কৰা হৈছিল। ভাগৱত পুৰাণৰ যিটো স্কন্ধৰ পৰা 'চিত্ৰ ভাগৱত' সংকলন কৰা হৈছিল, সেইখন তুলাপাতত লিখিত আৰু নগাঁও জিলাৰ বালিসত্ৰৰ পৰা উদ্ধাৰ হোৱা পুথি। ড° মহেশ্বৰ নেওগে এই পুথিখনত মোগল ৰাজপুত চিত্ৰাংকন পদ্ধতিৰ প্ৰভাৱ লক্ষ্য কৰিছে।

সাঁচিগছৰ বাকলি লিখাৰ উপযোগী কৰি তোলা সন্দৰ্ভত বেণুধৰ শৰ্মাই লিখিছে— 'বুঢ়া সাঁচিগছৰ বাকলি গছৰ পৰা এৰুৱাই আনি ধোঁৱাচাঙত শুকুৱাই থ'ব লাগে। শুকাই কৰ্কৰীয়া হ'লে খাৰণিৰ খাৰ কাঢ়ি বাকলিবোৰ আকৌ শুকুৱাব লাগে। তাৰ পাছত সেইবোৰ পুথিৰ জোখমতে কাটি চেঁচুৰে চাঁচি চাঁচি, বাকলিৰ নিকৰিবোৰ পেলাই দিব লাগে। ঝাও মাৰি পাতবোৰ জাপি-জুপি কুটনীৰে জুখি, মাজতে বিন্ধা এটা দিয়া হয়। এই বিন্ধাটোক পুথিৰ 'নাভি' বা 'নাই' বোলে। নাইটোত জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থ'ব পাৰি।

অসমীয়া মানুহে পুৰণি সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিসমূহ অতি শ্ৰদ্ধা আৰু ভক্তি সহকাৰে সংৰক্ষণ কৰি ৰাখিছিল। অৱশ্যে বিভিন্ন ৰাজনৈতিক কাৰণ, প্ৰাকৃতিক দুৰ্যোগ, কীট-পতংগৰ আক্ৰমণ আদিৰ ফলত বহুতো সাঁচিপতীয়া পুথি কালৰ বুকুত হেৰাই গ'ল। তথাপি ভালেমান পুথি আজিও বিভিন্ন সত্ৰ, নামঘৰ, দেৱগৃহ আদিত সংৰক্ষিত হৈ আছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি, ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ ইত্যাদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত ভালেমান পুথি সংৰক্ষিত হৈ আছে। দুষ্প্ৰাপ্য পুথিসমূহৰ জৰীপ আৰু সংগ্ৰহৰ কামৰ জৰিয়তে সেই বিশেষ পুথিসমূহৰ তথ্য তথা ৰহস্যৰ সম্ভেদ অসমৰ লগতে গোটেই বিশ্বই পোৱাটো অতি দৰকাৰী।

আহোম স্বৰ্গদেউ শিৱসিংহৰ পত্নী বৰৰজা অম্বিকা কুঁৱৰীৰ পৃষ্ঠপোষকতাত সুকুমাৰ বৰকাইথৰ 'হস্তী বিদ্যাৰ্ণৱ' পুথিত দিলবৰ আৰু দোচাইয়ে বিভিন্ন চিত্ৰ অংকন কৰে। এই পুথিখনত ৰঙা, নীলা, সেউজীয়া, বগা, ক'লা, গুলপীয়া, বেঙুনীয়া আৰু ছাই ৰঙৰ মুঠ ১৭১খন ৰঙীন চিত্ৰ সন্নিবিষ্ট হৈছে। আহোম যুগৰ আন এখন সচিত্ৰ পুথি হ'ল বৰৰজা ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত ৰচিত 'আনন্দ লহৰী'। একেদৰে শিৱ সিংহ-ফুলেশ্বৰীৰ নিৰ্দেশ মৰ্মে 'গীতগোবিন্দ' আৰু 'শংখচূড় বধ' কাব্য, ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত 'কল্কিপুৰাণ' আদি পুথিৰ সচিত্ৰ ৰূপ প্ৰদান কৰা হয়। মাধৱদেৱৰ দ্বাৰা ৰচিত 'ৰত্নাৱলী' পুথিৰ প্ৰথম পৃষ্ঠাৰ পৰা ১৪১ পৃষ্ঠালৈ মুঠ ১৯৪খন বিতোপন চিত্ৰ অংকিত কৰা হৈছে। চিত্ৰসমূহ প্ৰধানকৈ ৰঙা, নীলা, বগা, হালধীয়া, ক'লা, গুলপীয়া, পাতল নীলা আৰু ঈষৎ সেউজীয়া ৰঙেৰে সুন্দৰ আৰু অৰ্থব্যঞ্জকভাৱে অংকন কৰা হৈছে।

অসমৰ চিত্ৰশিল্প, সাহিত্য আৰু সংস্কৃতিৰ মূল আধাৰ হ'ল সাঁচিপাত। আজিৰ পৰা প্ৰায় ৫৫০ বছৰৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'চিহ্নযাত্ৰা' ভাওনাৰ পটকথা লিখিবৰ বাবে পোনপ্ৰথমবাৰৰ বাবে সাঁচিপাত ব্যৱহাৰ কৰিছিল বুলি কথা গুৰুচৰিত পুথিত উল্লেখ আছে। প্ৰাক্শংকৰী যুগত লিপি আৰু চিত্ৰশিল্পৰ বাবে তুলাপাত ব্যৱহাৰৰ কথা বুৰঞ্জীসমূহৰ লগতে চৰিত পুথিসমূহত উল্লেখ আছে।

তুলাপাতৰ তুলনাত সাঁচিপাতৰ প্ৰয়োগৰ বিভিন্ন সুবিধাৰ বাবেই প্ৰথমে মহাপুৰুষ শংকৰদেৱে আৰু পাছলৈ তেওঁৰ শিষ্য মাধৱদেৱকে আদি কৰি অন্যান্য শিষ্যসকল আৰু সেই সময়ৰ সমসাময়িক অন্যান্য কবি-সাহিত্যিকসকলে প্ৰণয়ন কৰা গীত, মাত, কবিতা, নাটককে আদি কৰি ভাগৱত পুৰাণৰ তত্ত্ব, বিভিন্ন শাস্ত্ৰৰ কাহিনী, তত্ত্ব জ্ঞান আদি সাঁচিপাতত সাৱলীল ৰূপত উপস্থাপন কৰিছিল।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ আৰু উল্লেখযোগ্য পাণ্ডুলিপি হৈছে সাঁচিপাতৰ পুথি। প্ৰাক্শংকৰী যুগৰ পৰাই সাঁচিপাতৰ পুথিৰ ব্যৱহাৰ হৈ আছে। এই সাঁচিপাতৰ পুথিসমূহ এক বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰা হয়।

সাধাৰণতে তিনি প্ৰকাৰৰ সাঁচিপাতৰ পুথি পোৱা যায়—

১। সাধাৰণ সাঁচিপাতৰ পুথি
২। লতাকটা পুথি।
৩। সচিত্ৰ পুথি।

১। সাধাৰণ সাঁচিপাতৰ পুথি ঃ এই ধৰণৰ পুথিত বিভিন্ন মন্ত্ৰ আৰু শাস্ত্ৰসমূহ লিখা হয়। এতিয়ালৈকে উদ্ধাৰ হোৱা পুথিসমূহৰ ভিতৰত এই ধৰণৰ পুথিৰ সংখ্যাই সৰহ।

২। লতাকটা পুথি ঃ এই ধৰণৰ পুথিৰ সৃষ্টিৰো এক কাহিনী আছে। প্ৰবাদ অনুসৰি সুন্দৰীদিয়া সত্ৰত যেতিয়া এজন বাঢ়ৈয়ে নামঘৰৰ চৌটিত লতাফুল কাটি আছিল সেই সময়ত মাধৱদেৱৰ গুৰুজনাই তলত বহি সাঁচিপাতত ঘোষা লিখি আছিল। তেনেতে গুৰুজনাই বাঢ়ৈজনক উদ্দেশি ক'লে যে যি ফুল তেওঁ ওপৰত কাটিছে সেই ফুল তেওঁ তলতে কাটিব। এই বুলি কৈ গুৰুজনাই সাঁচিপাতৰ চাৰিওপিনে লিখনিৰে সেই আৰ্হিতে লতাফুল আঁকিলে আৰু তেতিয়াৰ পৰাই এনে ধৰণৰ পুথিৰ সৃষ্টি হ'ল। এই ধৰণৰ পুথি এতিয়াও বহু সত্ৰত সংৰক্ষিত হৈ আছে।

৩। সচিত্ৰ পুথি ঃ এই ধৰণৰ পুথিত কাহিনী বা আখ্যানৰ লগতে তাৰ কাষত বিষয়বস্তুৰ চিত্ৰসমূহো উপস্থাপন কৰা থাকে। কেইখনমান উল্লেখযোগ্য সচিত্ৰ সাঁচিপাতৰ পুথি হ'ল— 'চিত্ৰ ভাগৱত', 'শ্ৰীহস্ত মুক্তাৱলী' আৰু 'গজেন্দ্ৰ চিন্তামণি'।

এই ইতিহাসৰ নৱ মূল্যায়নৰ প্ৰচেষ্টা—

প্ৰাচীন অসমৰ এই ঐতিহ্যক পুনৰুদ্ধাৰ কৰি বিশ্বদৰবাৰত পৰিচয় কৰি দিয়াৰ উদ্দেশ্য চিত্ৰশিল্পী মৃদুল বৰুৱা আৰু তেওঁৰ সহধৰ্মিণী জুলী বৰুৱাই মাজুলীৰ গড়মূৰৰ কলাভূমি গুৰুগৃহত আৰম্ভ কৰিছে আন এক সংগ্ৰামৰ। এসময়ৰ ঐতিহ্যময় সাঁচিপাতক বিলুপ্তিৰ গৰাহৰ পৰা উদ্ধাৰ কৰি ইয়াক পুনৰ প্ৰতিষ্ঠাৰ কাৰণে মৃদুল বৰুৱা আৰু জুলী বৰুৱাই ইতিমধ্যে সাঁচিপাত প্ৰস্তুত কৰাৰ লগতে হেঙুল- হাইতালৰ ব্যৱহাৰ, মহী নিৰ্মাণ কৰা পদ্ধতিকে ধৰি বজ্ৰাৱসী ভাষাত সাঁচিপাতত সচিত্ৰ পুথি নিৰ্মাণৰো প্ৰশিক্ষণ দিছে।

বৰ্তমান প্ৰায় ৩০ গৰাকী ব্যক্তিৰ সাঁচিপাত প্ৰস্তুত আৰু সাঁচিপতীয়া চিত্ৰ অংকনৰ কাম কৰি থকা বৰুৱাই জনায় যে 'প্ৰায় পাঁচশ বছৰ আগৰ গুৰুজনাৰ এই মহান সৃষ্টিক নৱ মূল্যায়নৰ জৰিয়তে বিশ্ববাসীৰ আগত চিনাকি কৰি দিবলৈ আমি এক প্ৰচেষ্টা হাতত লৈছিলো। যথেষ্ট কষ্ট স্বীকাৰ কৰাৰ পাছত আজি আমাৰ প্ৰচেষ্টাই সম্যক সফলতা লাভ কৰিবলৈ সক্ষম হৈছো।'

ভাৰতবৰ্ষৰ প্ৰায় ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলতে এই বৰ্ণিল চিত্ৰশিল্প প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। দেশৰ কে'বাখনো বিশ্ববিদ্যালয়ত বিভিন্ন অনুষ্ঠানত তেওঁ ভাষণ প্ৰদান কৰিছে।

ভাৰত চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগেও তেওঁলোকক যথেষ্ট পৰিমাণে সহায়-সহযোগিতা প্ৰদান কৰিছে। এই সহায়-সহযোগিতাই গুৰুজনাৰ শিল্পটোক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামত সফলতা অৰ্জনত সহায় কৰিব।

অসমৰ এই আপুৰুগীয়া সম্পদ 'সাঁচিপাত'ক সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ ক্ষেত্ৰত আমাৰ সকলোৰে যথেষ্ট কৰণীয় আছে। সাঁচিপাতত অসমৰ পুৰণি দিনৰ বহুতো লোকসংস্কৃতি সংৰক্ষিত হৈ আছে। এই লোকসংস্কৃতি ভালদৰে ৰক্ষণাবেক্ষণ কৰি তাৰ ওপৰত অধ্যয়ন কৰাৰ যথেষ্ট থল আছে। এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যথেষ্ট কৰণীয় আছে বুলি নিশ্চয়কৈ ব্যক্ত কৰিব পাৰি।



সাঁচিপাত এখন সঁচাকৈয়ে চাবলগীয়া পাত আৰু আমাৰ জাতিৰ এটা আপুৰুগীয়া সম্পদ। মই প্ৰথমবাৰৰ বাবে সাঁচিপাত দেখা পাওঁ পঞ্চম শ্ৰেণীৰ ছাত্ৰ অৱস্থাত। সেই সময়ত আমাৰ সত্ৰৰ জ্যেষ্ঠ গোসাঁই এজনে এটা মাংগলিক কৰ্মৰ বাবে প্ৰয়োজন হোৱাত কেইখনমান সাঁচিপাত মোৰ শ্ৰদ্ধেয়া মাৰ হাতত অৰ্পণ কৰিছিল আৰু মোৰ দৃষ্টিত সাঁচিপাত কেইখন এনে লাগিছিল যে এজন দক্ষ কাঠমিস্ত্ৰিয়ে চেগুন কাঠ মিহিকৈ কাটি কাটি আৰু অতি পাতলকৈ বনোৱা আৰু বিদ্যালয়ত ব্যৱহৃত হোৱা শোষক কাগজৰ দৰে— যাক আমি ইংৰাজীত 'ব্লটিং পেপাৰ' বুলি অভিহিত কৰো।

*লেখক, অসম আৰক্ষীৰ প্ৰাক্তন অতিৰিক্ত সঞ্চালক প্ৰধান*
*ফোন ঃ ৬০০০৬০৩৮১৭*

# 'সঁফুৰা'ৰ স্ৰষ্টা শিশু-হিতৈষী অম্বিকাপদ চৌধুৰী আজি পাহৰণিৰ গৰ্ভত

## শ্ৰীপদ চৌধুৰী



**বিহগী** কবি ৰঘুনাথ চৌধাৰীয়ে সুৰভিত লিখিলে, 'অসমীয়া সাহিত্যত এনে ধৰণৰ সাহিত্যৰ এয়ে প্ৰথম চানেকি, ছপা ভাল। ৰং-বিৰঙৰ ছবিৰে বিহুৱান (১৯৪৬) ফুল বছা। প্ৰবন্ধ বাছনি চিত্তাকৰ্ষক আৰু সময়োপযোগী হৈছে। আমাৰ অকণিহঁতৰ বাবে এনেকুৱা পুথি বহুত লাগে। বিহুৱান পাই পাটাছাৰকুছিৰ বাণী প্ৰকাশ মন্দিৰক সম্বৰ্ধনা জনালো।'

১৯৪৫ৰ কথা। অসমীয়া শিশু-সাহিত্যৰ দুগ্ধ-পোষ্য অৱস্থালৈ লক্ষ্য কৰি অম্বিকাপদ চৌধুৰীয়ে এদিন লগ ধৰিলে পখিলা শিশু আলোচনী প্ৰকাশ কৰি অসমৰ বিদ্বৎ সমাজৰ 'এনে ধৰণৰ উচ্চমান বিশিষ্ট শিশু আলোচনী অকল আমাৰ ভাষাতে নহয় অইন ভাষাতো বিৰল', প্ৰশংসা বুটলা শিশু-সাহিত্যিক তথা পাটাছাৰকুছি বিদ্যাপীঠৰ অধ্যক্ষ হৰেন্দ্ৰ নাথ শৰ্মাক আৰু বেকত কৰিলে শিশু বাৰ্ষিকী এখন প্ৰকাশৰ কথা। চৌধুৰীৰ এই আগ্ৰহ দেখি তেওঁ উৎসাহ দিলে আৰু ইয়াৰ গুৰি বঠা ধৰাৰো সন্মতি প্ৰকাশ কৰিলে। ন্যায়াধীশ হলিৰাম ডেকা সেই সময়ত কলিকতাত এডভোকেট। ভাষাবিদ ড° বাণীকান্ত কাকতিৰ আশিস ধন্য 'বিহুৱান'ৰ সম্পাদনা পুৰোহিত হ'ল ঔপন্যাসিক হলিৰাম ডেকা আৰু কাৰ্যধ্যক্ষ হ'ল হৰেন্দ্ৰ নাথ শৰ্মা। পাটাছাৰকুছিৰ এটা সৰু খোটালিত অংকুৰিত হ'ল অসমৰ এক জাতীয় প্ৰকাশন বাণী প্ৰকাশ মন্দিৰ নামাংকৃত কৰিলে কলিকতাৰ পৰাই হলিৰাম ডেকাই। বিহুৱানৰ দ্বিতীয় সংখ্যা অকল আকাৰতে নহয় প্ৰবন্ধ সম্ভাৰ, ছপাবন্ধা সকলো দিশৰ পৰাই আছিল উচ্চমান বিশিষ্ট।

শিশু আলোচনী 'বিহুৱান' প্ৰকাশেৰেই গ্ৰন্থ প্ৰকাশনত খোজ পেলোৱা বাণী প্ৰকাশ মন্দিৰৰ অম্বিকাপদ চৌধুৰীয়ে কিশোৰ-কিশোৰীৰ উপযোগীকৈ লিখা হৰেন্দ্ৰ নাথ শৰ্মাৰ কামাল পাছা আৰু English Phraes & Idioms (১৯৪৮) প্ৰকাশ কৰে। উল্লেখ কৰা ভাল হ'ব যে পঢুৱৈ গ্ৰাহকৰ বিশেষ সমাদৰ লাভ কৰা এই দুখন কিতাপৰ 'কামাল পাছা' ডাকযোগে ক্ৰয় কৰা প্ৰথম ব্যক্তি (সেই সময়ৰ শিশু) গৰাকী আছিল লিলি বৰদলৈ— মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ কন্যা।

অসমীয়া শিশু সাহিত্যৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ দ্বাৰাই শিশু, কিশোৰ-কিশোৰীৰ সৰ্বাংগীন বিকাশৰ লক্ষ্য আগত ৰাখি অম্বিকাপদ চৌধুৰীৰ পৰিকল্পনা আৰু সামগ্ৰিক পৰিচালনাত 'বাণী কথামালা' নামেৰে এটা সুকীয়া শিশু-কিশোৰ-কিশোৰীৰ সাহিত্য ছিৰিজৰ জন্ম হ'ল। ইয়াৰ সম্পাদক হ'ল শিশু সাহিত্যিক তথা পাটাছাৰকুছি বিদ্যাপীঠৰ অধ্যক্ষ হৰেন্দ্ৰ নাথ শৰ্মা আৰু প্ৰধান উপদেষ্টাৰ পদ অলংকৃত কৰিলে ভাষাবিদ ড° বাণীকান্ত কাকতি আৰু লোকসংস্কৃতিৰ পণ্ডিত ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে। এই শিতানত প্ৰথম দুখন পুথি আছিল হৰেন্দ্ৰ নাথ শৰ্মাৰ শিৱাজী আৰু ড° বাণীকান্ত কাকতিৰ পখিলা। শিৱাজী আৰু পখিলাৰ উচ্চ পৰ্যায়ৰ প্ৰশংসা অসমৰ সকলো আলোচনীতে প্ৰকাশ পাইছিল। কলিকতাৰ পৰা প্ৰকাশিত Hindusthan Standard, Amrit Bazar Patrika, দেশ, যুগান্তৰ আদিয়েই পখিলাক উচ্চ প্ৰশংসা কৰিছিল। এই শিতানত ৰঘুনাথ চৌধুৰীৰ মানৰ সভ্যতা, পাটাছাৰকুছি বিদ্যাপীঠৰ ছাত্ৰসকলে যুগুতোৱা জোলোঙাৰ সাধু, নৱকান্ত বৰুৱাৰ আখৰৰ জখলা দুলাল বৰঠাকুৰৰ ঘুমতি যায়োৰে, হৰেন্দ্ৰ নাথ শৰ্মাৰ সত্য সন্ধৰ প্ৰথম খোজ, অশোক, সময় বালিৰ খোজবোৰ আব্দুল মালিকৰ মুকলি মনৰ সধু, ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ পাৰ্থ সাৰথি, মুক্তিনাথ বৰদলৈৰ তীৰ্থযাত্ৰীৰ সাধু, অম্বিকাপদ চৌধুৰীৰ কালিদাস, প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ মেও মহাৰাজ, পৱনাথ শৰ্মাৰ আমাৰ ৰাষ্ট্ৰপতি, বীৰেন্দ্ৰ নাথ বৰুৱাৰ হাৰ্কিউলিচ। সৰ্বভাৰতীয় শিশু সাহিত্য প্ৰতিযোগিতাত আখৰৰ জখলা, ঘুমতি যায়োৰে, অশোক, সময় বালিৰ খোজবোৰ আৰু কালিদাস এই পুথিকেইখনে পুৰস্কাৰ লাভ কৰিছিল।

১৯৭১ত বাণী প্ৰকাশৰ পৰিচালন সঞ্চালক অম্বিকাপদ চৌধুৰীৰ পৰিকল্পনা আৰু কবি, সাহিত্যিক, সমালোচক পণ্ডিত, অসম প্ৰকাশন পৰিষদ আৰু সাহিত্য একাডেমী বঁটা প্ৰাপক ভবেন বৰুৱাৰ ঐকান্তিক যত্নত প্ৰকাশ পোৱা সাহিত্য সংস্কৃতি বিষয়ক বাৰ্ষিক সংকলন বাণী প্ৰকাশৰে এক অভিজত প্ৰকাশনেই নহয় অসমৰ আলোচনী সাহিত্যৰ এক কালজয়ী সংযোজন।

বিদ্বৎ সমাজত সমাদৃত সংলাপ (বাৰ্ষিক) সংকলন তিনিটা সংখ্যা প্ৰকাশৰ পাছত অম্বিকাপদ চৌধুৰীয়ে এখন মাহেকীয়া শিশু আলোচনী প্ৰকাশৰ লগতে 'সংলাপ'কো মাহেকীয়া কৰাৰ কথা ভাবিলে। বাণী প্ৰকাশৰ শুভাকাংক্ষী, সুহৃদ, কবি, সাহিত্যিক সমালোচক ভবেন বৰুৱাই পৰামৰ্শ দিলে যে 'সংলাপ' বাৰ্ষিক সংকলন হিচাপে থাকক— সাহিত্য-সংস্কৃতি বিষয়ক এখন তিনিমহীয়া আৰু এখন মাহেকীয়া শিশু আলোচনী প্ৰকাশৰ ব্যৱস্থা কৰা হওক। ভবেন বৰুৱাই বাৰ্ষিক সংকলন সংলাপৰ উপৰি সাহিত্য-সংস্কৃতি বিষয়ক তিনিমহীয়া আলোচনী সংজ্ঞা আৰু মাহেকীয়া শিশু আলোচনী সঁফুৰাৰ নামকৰণ কৰিলে।

ভবেন বৰুৱাৰ পৰামৰ্শকে আগধন হিচাপে লৈ ড° সত্যেন্দ্ৰ নাথ শৰ্মা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ভবেন বৰুৱা, নীলমণি ফুকন আদি কে'বাগৰাকী বিশিষ্ট কবি, সাহিত্যিক, সমালোচক পণ্ডিত ব্যক্তিক আমন্ত্ৰণ কৰি গুৱাহাটীৰ পাণবজাৰৰ প্ৰকাশিকাত এক আলোচনাৰ আয়োজন কৰা হ'ল। সাহিত্য-সংস্কৃতি বিষয়ক তিনিমহীয়া সংজ্ঞাৰ সম্পাদনাৰ দায়িত্ব নীলমণি ফুকনৰ ওপৰত ন্যস্ত হ'ল। তেওঁৰ সহযোগী হিচাপে থাকিল আনিছ উজ জামান আৰু গংগাপদ চৌধুৰী। কৰ্মব্যস্ততাৰ বাবে সিদিনা আলোচনাত উপস্থিত থাকিব নোৱাৰিলেও মাহেকীয়া শিশু আলোচনী সঁফুৰাৰ সম্পাদকৰ বাবে সকলোৰে বিশিষ্ট কথাশিল্পী ড° ভবেন্দ্ৰ নাথ শইকীয়াকে সমৰ্থন কৰিলে।

ড° ভবেন্দ্ৰ নাথ শইকীয়া সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন বিভাগৰ সচিব আছিল। সঁফুৰাৰ সম্পাদনাৰ দায়িত্ব লৈও পাঠ্যপুথি প্ৰণয়নৰ ব্যস্ততাৰ বাবে তেওঁ সঁফুৰাৰ কামত হাত দিব পৰা নাছিল। এনে সময়তে তেওঁ আকৌ ৰেলৱে ৰিক্ৰিউটিং ব'ৰ্ডৰ অধ্যক্ষ পদত অধিষ্ঠিত হ'ল। সঁফুৰা প্ৰকাশত বিলম্বই দেখা দিলে। ৰেলৱে ৰিক্ৰিউটিং ব'ৰ্ডৰ পৰা অব্যাহতি পোৱাৰ পাছত তেওঁ অম্বিকাপদ চৌধুৰীক লগ ধৰিলে আৰু সঁফুৰা প্ৰকাশৰ বাট প্ৰশস্ত হ'ল।

বিশিষ্ট কথাশিল্পী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সম্পাদনাত আৰু শিশু হিতৈষী অম্বিকাপদ চৌধুৰীৰ ঐকান্তিক যত্নত ১৯৮১ৰ এপ্ৰিলত সঁফুৰাৰ প্ৰথম সংখ্যা প্ৰকাশ পালে।

১৯৪৬ত শিশু বাৰ্ষিকী বিহুৱানেৰে গ্ৰন্থ প্ৰকাশত খোজ পেলোৱা, বাণী কথা মালাৰে অসমীয়া শিশু সাহিত্যলৈ প্ৰভূত বৰঙণি যোগোৱা অসমীয়া শিশু সাহিত্যৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্তিৰ বাট দেখুওৱা, কামৰূপ সাহিত্য পৰিষদৰ পাটাছাৰকুছি অধিবেশনৰ স্মৃতিগ্ৰন্থ অৰণি (১৯৭৭) সম্পাদনাৰে সাহিত্যিক-সমালোচক পণ্ডিতৰ প্ৰশংসা লাভ কৰা, শিশুৰ সৰ্বাংগীণ উন্নতি আমৃত্যু পৰ্যন্ত গভীৰভাৱে চিন্তা কৰা— সঁফুৰাৰ স্ৰষ্টা শিশু হিতৈষী অম্বিকাপদ চৌধুৰী যিজনৰ তেজত শিশু-সাহিত্য, যিজনৰ মনত শিশু-সাহিত্য, যিজনৰ প্ৰাণত শিশু-সাহিত্য আজি যেন পাহৰণিৰ গৰ্ভত।

*ফোন ঃ ৯৯৫৪২৭০২৭৪*

# নেলী আহমেদ লক্ষ্যপ্ৰাপ্তি যাৰ কামৰ ৰাগি

## ফাৰহানা আয়ুব



**মাৰিয়া** পাব্লিক স্কুলৰ প্ৰতিষ্ঠাপক নেলী আহমেদৰ সমাজ জীৱনৰ লগত সম্পৰ্ক, সচেতনতা, সৃষ্টিশীলতা আৰু দায়িত্ববোধ শলাগিবলগীয়া। তেওঁৰ কৰ্মৰাজিৰ লগতে জীৱন সম্পৰ্কে এক চমু আভাস দাঙি ধৰাৰ এয়া প্ৰয়াস।

১৯৫৫ৰ ২৭ ছেপ্টেম্বৰত জন্ম নেলী আহমেদৰ। তেওঁৰ পিতৃ বাকটে জামাল আহমেদ আৰু অসমৰ সুযোগ্য সন্তান জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰমৰ কন্যা চুফিয়া জামাল আহমেদৰ জীয়ৰী নেলী আহমেদ। বৰেণ্য কবি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মফিজুদ্দিন আহমদ হাজৰিকাই ১২০ বছৰ পূৰ্বে আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে এক সুকীয়া স্থিতি লাভ কৰি আহিছে। তেওঁৰেই জাতীয়তাবোধ আৰু কৰ্ম প্ৰেৰণাই যেন ধাৰিত হৈছে নেলী আহমেদৰ ৰক্ত প্ৰবাহত।

নেলী আহমেদ আছিল সৰুৰে পৰা ব্যতিক্ৰমী আৰু নিজৰ লক্ষ্য নিৰ্ণয় কৰিব জনা শৃংখলাবদ্ধ। শ্বিলঙৰ হিৰাজান চাহ বাগিচাত উমলি-জামলি ডাঙৰ হোৱা নেলী আহমেদে সেই সময়ৰ আই এ পাছ মাতৃৰ পৰা লাভ কৰিছিল জীৱন পথত আগুৱাই যোৱাৰ অনুপ্ৰেৰণা। মাতৃৰ উদাৰতা আৰু জ্ঞানৰ গভীৰতা তেওঁৰ লক্ষ্যত উপনীত হোৱাত প্ৰধান সহায়ক আছিল। তেওঁৰ মাতৃ আছিল সেই সময়তে সীমাৰ ভিতৰত থাকিও চিন্তা-ভাৱনাৰে সীমা অতিক্ৰম কৰিব জনা এগৰাকী আদৰ্শৱান নাৰী। নেলী আহমেদৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় ডিব্ৰুগড়ৰ লিটিল ফ্লাৱাৰ স্কুলত আৰু স্নাতক ডিগ্ৰী সন্দিকৈ মহাবিদ্যালয়ৰ পৰা সমাপ্ত কৰি শিক্ষকৰ প্ৰশিক্ষণ ল'বলৈ কলিকতালৈ যায়। তাতে তেওঁ মণ্টেশ্বৰী টিচাৰ্ছ ট্ৰেইনিং প্ৰশিক্ষণ সমাপ্ত কৰি শিক্ষকতাত মনোনিৱেশ কৰে যদিও তাতো থাকিবলৈ মন নকৰিলে। তেওঁৰ নিজৰ জাতিটোৰ হকে কাম কৰিবলৈ মনত হেঁপাহ জাগে। ইয়াৰ পাছতে তেওঁৰ চিন্তা-ধাৰাই এক সুন্দৰ যাত্ৰাৰ সুবৰ্ণ পথৰ ইংগিত কঢ়িয়াই আনিলে। তেওঁৰ মনৰ ভিতৰৰ পৰা এটা ভাবেই আহিব ধৰিলে— যে স্থানীয় ল'ৰা-ছোৱালীবোৰক যদি প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকৰ দ্বাৰা শিক্ষা প্ৰদান কৰিব পৰা যায় তেন্তে তেওঁলোক শিক্ষা গ্ৰহণৰ বাবে দূৰণিলৈ যাবলগীয়া নহ'ব আৰু সমাজেও ভাল ছাত্ৰ-ছাত্ৰী লাভ কৰিবলৈ সক্ষম হ'ব। সেই আশা আগত ৰাখিয়ে তৰ্জাৰ বেৰেৰে আবৃত গেৰেজ এটাতে আৰম্ভ কৰিলে এটা শ্ৰেণীকোঠাৰ। ১৯৮৮ত প্ৰবল আশা বুকুত বান্ধি এজন ছাত্ৰৰে আৰম্ভ কৰা শ্ৰেণী কোঠাটো লাহে লাহে পূৰ্ণ হ'বলৈ ধৰিলে অসংখ্য ছাত্ৰ-ছাত্ৰীৰে। স্কুলৰ নাম ৰখা হ'ল 'মাৰিয়া মণ্টেশ্বৰী হাউছ অৱ চিল্ড্ৰেন' এই স্কুলত প্ৰথম অৱস্থাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰাই পৰিচালনা আৰু শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছিল। পৰৱৰ্তী সময়ত 'মাৰিয়া পাব্লিক স্কুল' নামেৰে খ্যাতি অৰ্জন কৰা এই স্কুলত ছাত্ৰ-ছাত্ৰীৰ আগমন দেখি নেলী আহমেদ বহুগুণে উৎসাহিত হৈ পৰিছিল। প্ৰথম অৱস্থাত বিদ্যালয় চলোৱাত আৰ্থিক দৈন্যত ভুগিছিল যদিও মাতৃ আৰু বায়েকৰ সাহস আৰু অনুপ্ৰেৰণা লাভ কৰি কাম কৰি যাবলৈ সাহস পাইছিল। এনেদৰে আজি স্কুলত তিনি হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে আধুনিক সা-সুবিধাযুক্ত আৰু বিজ্ঞানসন্মত বিদ্যায়তনিক পৰিবেশত শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিছে।

তেওঁলোকৰ শিক্ষাৰ ধাৰণা হ'ল—'শিক্ষা কেৱল শ্ৰেণী কোঠাকেন্দ্ৰিক নহৈ পৰিৱেশ আৰু প্ৰকৃতিয়েই শিক্ষাৰ কেন্দ্ৰ হোৱা উচিত।' লগতে শিক্ষাৰ সম অধিকাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰি আহিছে। সকলো ছাত্ৰ-ছাত্ৰীক বিশেষকৈ শাৰীৰিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন সকলকো একেটা শ্ৰেণী কোঠাতে শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰি আহিছে। এই শিক্ষানীতিৰ সুবিধা গ্ৰহণ কৰিয়ে অভিষেক গগৈয়ে উত্তৰ-পূব ভাৰতৰ একমাত্ৰ শাৰীৰিকভাৱে সক্ষম খেলুৱৈ হিচাপে ডুবাই অলিম্পিকত অংশগ্ৰহণ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

নেলী আহমেদৰ দূৰদৰ্শিতাৰ আন এক দৃষ্টান্ত হ'ল ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে মাৰিয়া ব্ৰেভহাৰ্টৰ স্থাপন। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয়, বিভিন্ন ক্ষেত্ৰ দৰ্শনৰ থলী হিচাপে বিভিন্ন পৰ্যবেক্ষণৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। মাৰিয়া ব্ৰেভহাৰ্ট কেম্প ৰাজস্থানৰ গেলপুৰত স্থাপন কৰা এক পৰ্যবেক্ষণ থলী হিচাপে স্বীকৃতি লাভ কৰা গুৰুত্বপূৰ্ণ পামঘৰ।

ৰাজস্থানৰ গেলপুৰত অৱস্থিত 'ব্যাট ভিলেজ'ৰ পৰ্যবেক্ষণ আৰু ইয়াৰ সমস্যা ৰাজিৰ ওপৰত কৰা ক্ষেত্ৰ দৰ্শন ইয়াৰ মূল বিষয়। মানুহ আৰু বাদুলীৰ সহাৱস্থান আৰু সমস্যা আদিৰ ক্ষেত্ৰ পৰ্যবেক্ষণৰ বিষয়ে শিক্ষাৰ অংশ হিচাপে জৈৱিকভাৱে গঢ়ি তোলা 'মাৰিয়া ব্ৰেভহাৰ্ট' একমাত্ৰ পৰ্যবেক্ষণ থলী হিচাপে পৰিগণিত হৈছে। এই কেম্পত বিভিন্ন স্থানৰ পৰা আহি ছাত্ৰ-ছাত্ৰীয়ে মানুহ আৰু বাদুলীবোৰ একে স্থানত কেনেদৰে জীৱন যাপন কৰিব পাৰিছে অথবা কি কি সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে এই বিষয়ে জানিবলৈ এই কেম্পত থাকি পৰ্যবেক্ষণৰ সুবিধা লাভ কৰিব পাৰিছে। যি সময়ত একে প্ৰজাতিৰ মাজত সম্পৰ্ক হেৰাই গৈছে, সেই সময়তে 'ব্যাট ভিলেজ'ত বাদুলী আৰু মানুহে সহাৱস্থান কৰি জীয়াই থাকিবলৈ সক্ষম হৈছে। এয়া এক প্ৰকৃতিৰে আত্মীয়তা বুলিয়ে ক'ব পাৰি। নেলী আহমেদৰ এই কেম্পৰ ধাৰণাক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠন যেনে AFS, Round Squar, আৰু IUCN আদিয়ে স্বীকৃতি প্ৰদান কৰিছে।

নেলী আহমেদৰ মনটোৱে সদায় বিচাৰে সমাজক নতুনত্ব দিবলৈ; কিন্তু এই নতুনত্বৰ মাজতো পাহৰা নাই স্থানীয় সমাজখনক। তেওঁ অসহায় মহিলাসকলক স্বাৱলম্বী কৰি তুলিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। যেনেদৰে মহিলা সজাগতাৰ বাবে চেনিটাৰি নেপকিন প্ৰস্তুতৰ প্ৰশিক্ষণ প্ৰদান। আন কিছুসংখ্যক মহিলাক চিলাই প্ৰশিক্ষণ আৰু চিলাই মেচিন প্ৰদানৰ ব্যৱস্থা কৰিছে। যিসকলে বোৱা-কটা কৰি জীৱিকা নিৰ্বাহ কৰিব বিচাৰে তেওঁলোকৰ বাবে গঢ়ি তুলিছে বোৱা- কটাৰ শিল্প উদ্যোগ।

সমাজৰ বাবে আৰু বহু কৰণীয় আছে বুলি ভবা নেলী আহমেদক সমাজখনে কৰ্মৰ স্বীকৃতিও প্ৰদান কৰিছে। তাৰ পৰা তেওঁ কাম কৰাৰ অধিক উৎসাহ আৰু অনুপ্ৰেৰণা লাভ কৰে বুলি জনায়। নেলী আহমেদে সৃষ্টিশীল জগতখনলৈ আৰু সমাজে উপকৃত হ'ব পৰাকৈ কাম কৰি যোৱাৰ অনুপ্ৰেৰণা লাভ কৰক তাৰে কামনা কৰিলো।

*ফোন ঃ ৮৪৭৪০৭৭৪৫১*

১৯৫৫ৰ ২৭ ছেপ্টেম্বৰত জন্ম নেলী আহমেদৰ। তেওঁৰ পিতৃ বাকটে জামাল আহমেদ আৰু অসমৰ সুযোগ্য সন্তান জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰমৰ কন্যা চুফিয়া জামাল আহমেদৰ জীয়ৰী নেলী আহমেদ। বৰেণ্য কবি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মফিজুদ্দিন আহমদ হাজৰিকাই ১২০ বছৰ পূৰ্বে আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে এক সুকীয়া স্থিতি লাভ কৰি আহিছে।

দৈনিক অগ্ৰদূত



## ইটালীত প্ৰথম মহিলা প্ৰধানমন্ত্ৰী হ'ব মেল'নি



**নিউজ ব্যুৰ', ৰোম, ২৬ ছেপ্টেম্বৰ ঃ** ইটালীৰ প্ৰধানমন্ত্ৰীৰ পদত প্ৰথম মহিলা হিচাপে নিৰ্বাচিত হৈ জৰ্জিয়া মেল'নি। অতি দক্ষিণপন্থী নেত্ৰী হিচাপে মেল'নি ইটালীত পৰিচিত। দেওবাৰে ইটালীৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত দেশৰ সংসদত ১১৪ আসন দখল কৰিলে মেল'নি আৰু তেওঁৰ মৰ্চাৰ সংগী দলে। প্ৰসংগত উল্লেখ্য যে কিছুদিন পূৰ্বে এজন ইউক্ৰেইনীয় শৰণাৰ্থীক অপমান কৰাৰ ভিডিঅ' প্ৰকাশ কৰি মেল'নি কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল। স্মৰ্তব্য যে মৰ্চাৰ সংগীদলৰ সমৰ্থন হেৰুৱাই অলপতে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল মাৰিঅ' দ্ৰাঘিয়ে। ইয়াৰ পাছতে দেশৰ নতুন নেতা বাছনিৰ বাবে ইটালীত নিৰ্বাচন অনুষ্ঠিত হয়। ইটালীৰ ৰাজনৈতিক মহলত মেল'নি অতি ৰক্ষণশীল নেত্ৰী হিচাপে পৰিচিত।

## উকীলৰ বেশত আদালতত উপস্থিত জেকলিন, জামিন হ'ল মঞ্জুৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** দিল্লীৰ পাটিয়ালা হাউছ আদালতে তথাকথিত প্ৰবঞ্চক সুকেশ চন্দ্ৰশেখৰৰ স'তে জড়িত ২০০ কোটিটকীয়া অবৈধ বিত্তীয় লেনদেনৰ গোচৰত অভিনেত্ৰী জেকলিন ফাৰ্ণাণ্ডেজৰ অন্তৰ্বৰ্তী জামিন আবেদন আজি মঞ্জুৰ কৰিলে। জেকলিনে নিজৰ জামিন আবেদনৰ শুনানিৰ বাবে আজি আদালতত অধিবক্তাৰ পোছাক পৰিধান কৰি উপস্থিত হৈছিল। অভিনেত্ৰীগৰাকীয়ে অনুৰাগীৰ দৃষ্টিৰ পৰা ৰক্ষা লাভ কৰিবলৈ এইদৰে অধিবক্তাৰ পোছাক পিন্ধি নিজৰ জামিন আবেদনৰ শুনানিৰ বাবে আদালতলৈ আহিছিল। নিজৰ অধিবক্তাৰ স'তে জেকলিনে বগা ছাৰ্ট আৰু ক'লা পেণ্ট পৰিধান কৰি আদালতত বিচৰণ কৰিছিল। তদুপৰি অভিনেত্ৰীগৰাকীয়ে মাস্ক পৰিধান কৰি তেওঁৰ মুখ ঢাকি ৰাখিছিল। বিশেষ ন্যায়াধীশ শৈলেন্দ্ৰ মলিকে জেকলিনক ৫০,০০০ টকাৰ আমানতত জামিন মঞ্জুৰ কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন আদালতে অহা ২২ অক্টোবৰত নিৰ্ধাৰণ কৰে।

## বালুচিস্তানত ৰহস্যজনকভাৱে ভাঙিল পাকিস্তানী সেনাৰ বিমান, ছয় সেনাৰ মৃত্যু



**নিউজ ব্যুৰ', লাহোৰ, ২৬ ছেপ্টেম্বৰ ঃ** ছজন সামৰিক বিষয়াসহ ভাঙি পৰিল পাকিস্তানী সেনা বাহিনীৰ এখন হেলিকপ্টাৰ। পাকিস্তানৰ উত্তৰ বালুচিস্তানৰ পাৰ্বত্য অঞ্চলত যোৱা নিশা ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ল। প্ৰাথমিকভাৱে পাকিস্তানী সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰতিকূল বতৰৰ ফলত হেলিকপ্টাৰখন দুৰ্ঘটনাগ্ৰস্ত হৈছিল। প্ৰসংগত উল্লেখ্য যে কেইমাহমান পূৰ্বে একেধৰণৰে বালুচিস্তানত আন এখন পাক সেনাৰ বিমান ধ্বংস হৈছিল। উক্ত দুৰ্ঘটনাত পাকিস্তানী সেনাৰ লেফটেনেণ্ট জেনেৰেলৰ মৃত্যু হৈছিল। উক্ত বালুচিস্তানৰ পাৰ্বত্য অঞ্চলত যোৱা নিশা ৰহস্যজনকভাৱে ভাঙি পৰা পাকিস্তানী সেনাৰ হেলিকপ্টাৰত থকা ছজন সেনা বিষয়াৰ মৃত্যু হ'ল।

## শ্বিনজু আবেৰ শেষকৃত্যত অংশ ল'ব প্ৰধানমন্ত্ৰী মোদীয়ে, টকিঅ'লৈ ৰাওনা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজু আবেৰ শেষকৃত্যত অংশ ল'বলৈ আজি টকিঅ' অভিমুখে ৰাওনা হ'ল। ১২ৰ পৰা ১৬ ঘণ্টাৰ যাত্ৰাৰ অন্তত মোদীয়ে আবেৰ ৰাজকীয় শেষকৃত্য অনুষ্ঠানত অংশ ল'ব আৰু ইয়াৰ পাছত অকাচা পেলেচত সাক্ষাৎ আৰু বৈঠকত উপস্থিত থাকিব। উল্লেখ্য যে আবেৰ শেষকৃত্যত বিশ্বৰ ১০০ৰো অধিক দেশৰ প্ৰতিনিধিয়ে অংশ ল'ব। আমেৰিকাৰ উপৰাষ্ট্ৰপতি কমলা হেৰিছেও গঠনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ শেষকৃত্যত উপস্থিত থাকিব।

## ৰাছিয়াৰ বিদ্যালয়ত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও ১৩ জন



**নিউজ ব্যুৰ', মস্কো, ২৬ ছেপ্টেম্বৰ ঃ** ৰাছিয়াৰ বিদ্যালয়ত বন্দুকধাৰীৰ আক্ৰমণে চাঞ্চল্যৰ সৃষ্টি কৰিলে। আজি ৰাছিয়াৰ ইজেভস্কৰ এখন বিদ্যালয়ত বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে। বন্দুকধাৰীৰ গুলিবৰ্ষণৰ ফলত কমেও ১৩ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত কে'বাজনো ছাত্ৰ-ছাত্ৰী আছে। এই ঘটনাত আন ২০ জন লোক আহত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, আক্ৰমণ সংঘটিত কৰিয়ে বন্দুকধাৰীয়ে আত্মহত্যা কৰে। সোমবাৰে পুৱাতে বন্দুকসহ এজন অজ্ঞাত পৰিচয় লোকে বিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰিবলৈ ধৰে। এই ঘটনাত আতংকিত লোকসকলে পলায়নৰ চেষ্টা চলোৱাৰ সময়তে কে'বাজনো লোক গুলিবিদ্ধ হৈছিল।

## বাংলাদেশত নৌকা দুৰ্ঘটনাত ২৪ হিন্দু তীৰ্থযাত্ৰীৰ মৃত্যু



**নিউজ ব্যুৰ', ঢাকা, ২৬ ছেপ্টেম্বৰ ঃ** পশ্চিম উত্তৰ বাংলাদেশত ক'ৰতা নদীত হিন্দু তীৰ্থযাত্ৰী ব'দেশ্বৰী মন্দিৰলৈ লৈ যোৱা এখন নৌকা ডুব যোৱাৰ ফলত কমেও ২৪ জন যাত্ৰীৰ মৃত্যু হ'ল। এই দুৰ্ঘটনাত কমেও এক ডজন যাত্ৰী সন্ধানহীন হৈ আছে। দেওবাৰে সন্ধিয়া এই দুৰ্ঘটনা সংঘটিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি বাংলাদেশৰ পঞ্চগড় জিলাৰ হিন্দু ধৰ্মাৱলম্বী লোকে দেওবাৰে মহালয়া উপলক্ষে ব'দেশ্বৰী মন্দিৰলৈ পূজা-অৰ্চনাৰ বাবে যাত্ৰা কৰিছিল। নদীয়েদি এইদৰে যাত্ৰা কৰাৰ সময়ত এখন নাও হঠাতে লুটি খাই ডুবিবলৈ ধৰে। নাওখনত কমেও ৭০-৮০ জন যাত্ৰী আছিল। অত্যধিক যাত্ৰী পৰিবহণ কৰাৰ ফলতে নাওখন এইদৰে ডুব গ'ল বুলি প্ৰশাসনে সন্দেহ কৰিছে।

### প্ৰতিখন ৰাজ্যতে কংগ্ৰেছ দলে আত্মঘাতী প্ৰক্ৰিয়াত নিমগ্ন হৈছে ঃ ৰাঘৱৰ তীব্ৰ কটাক্ষ

# কংগ্ৰেছ আছে ভেণ্টিলেটৰত, ২০২৪ৰ নিৰ্বাচন হ'ব কেজৰিৱাল বনাম মোদীৰ ঃ আপৰ দাবী



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰীক লৈ কংগ্ৰেছ দলত সংঘাত অব্যাহত থকাৰ সময়তে আম আদমী পাৰ্টি (আপ)ৰ ৰাজ্যসভাৰ সাংসদ ৰাঘৱ চড্ডাই কংগ্ৰেছক তীব্ৰ কটাক্ষ কৰিলে। গুজৰাট বিধানসভা নিৰ্বাচনৰ বাবে দলৰ প্ৰচাৰত আহমেদাবাদত উপস্থিত হোৱা আপৰ সাংসদজন আজি মন্তব্য কৰি কয় যে কংগ্ৰেছ এতিয়া ভেণ্টিলেটৰত আছে আৰু যিকোনো মুহূৰ্ততে শেষনিশ্বাস ত্যাগ কৰিব পাৰে। ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত মন্তব্য কৰি চড্ডাই কয় যে ২০২৪ৰ নিৰ্বাচন অৰবিন্দ কেজৰিৱাল বনাম নৰেন্দ্ৰ মোদীৰ মাজত হ'ব। ৰাজস্থানৰ শেহতীয়া ঘটনাৱলীৰ জৰিয়তে আকৌ এবাৰ এই কথা স্পষ্ট হ'ল যে কংগ্ৰেছ দলে শেষনিশ্বাস ল'বলৈ ধৰিছে বুলিও মন্তব্য কৰিলে আপৰ নেতাজনে। 'প্ৰতিখন ৰাজ্যতে কংগ্ৰেছ দলে আত্মঘাতী প্ৰক্ৰিয়াত নিমগ্ন হৈছে। পঞ্জাৱৰ পৰা আৰম্ভ কৰি ৰাজস্থানলৈকে সকলো ৰাজ্যতে কংগ্ৰেছ দলৰ প্ৰভাৱশালী নেতাই 'কংগ্ৰেছ চোড়ো' অভিযান চলাইছে। বিজেপিৰ স'তে প্ৰতিদ্বন্দ্বিতা কৰাৰ শক্তি আজি কংগ্ৰেছৰ নাই। দলটো ভেকুৰামত পৰিণত হৈছে। ফলত আম আদমী পাৰ্টি আৰু অৰবিন্দ কেজৰিৱালৰ উত্থান ঘটিছে। আম আদমী পাৰ্টি স্বাভাৱিকতে বিজেপিৰ বিকল্পত পৰিণত হ'ব।' চড্ডাই আজি গুজৰাটত এইদৰে কয়।

## লক্ষ্ণৌত পুখুৰীত পৰিল ট্ৰেক্টৰ-ট্ৰলী, নিহত কমেও ১০ জন



**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৬ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ দূৰত অৱস্থিত ইন্তজাত আজি পুৱা এক পথ দুৰ্ঘটনা সংঘটিত হ'ল। কুমহৰাম্বা পথত এখন ট্ৰেক্টৰ-ট্ৰলীক এখন দ্ৰুতবেগী ট্ৰাকে পিছফালৰ পৰা খুন্দা মৰাৰ ফলত ট্ৰেক্টৰখন পুখুৰীত বাগৰি পৰে। এই ঘটনাত ১০ জন লোকৰ মৃত্যু হ'ল। পাছত এছ ডি আৰ এফ আৰু আৰক্ষীয়ে অভিযান চলাই ৩৬ জন লোকক উদ্ধাৰ কৰে। আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে ট্ৰেক্টৰ-ট্ৰলীখনত ৪৭ জন লোক আছিল। দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ মাজত আঠগৰাকী মহিলা আৰু দুটি শিশু আছে।

## মনোনয়ন দাখিলৰ সময়ত স্পষ্ট হ'ব মোৰ প্ৰতি সমৰ্থন কিমান ঃ থাৰুৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ নেতা শশী থাৰুৰে আজি দাবী কৰি কয় যে কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁক দেশজুৰি দলৰ নেতা-কৰ্মীয়ে সমৰ্থন আগবঢ়াইছে। থাৰুৰে পলক্কড়ৰ পট্টামবিত 'ভাৰত জোড়ো' যাত্ৰাত ব্যস্ত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীক সাক্ষাৎ কৰে। কংগ্ৰেছ সভাপতি পদৰ প্ৰাৰ্থিত্বৰ সন্দৰ্ভত সাংবাদিক কৰা এক প্ৰশ্নৰ উত্তৰ দি থাৰুৰে আজি কয়, 'যেতিয়া মই মনোনয়নপত্ৰ দাখিল কৰিম, তেতিয়া আপোনালোকে মই কিমান সমৰ্থন লাভ কৰো সেয়া প্ৰত্যক্ষ কৰিব। যদি মই অধিকাংশ ৰাজ্যৰ দলৰ কৰ্মকৰ্তাসকলৰ সমৰ্থন লাভ কৰো তেতিয়া মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। দেশৰ পৃথক পৃথক অঞ্চলৰ বহু লোকে মোক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অনুৰোধ জনাইছে।' থাৰুৰে লগতে কয় যে তেওঁ সভাপতি পদৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে ইচ্ছুক যদিও ৩০ ছেপ্টেম্বৰত মনোনয়নপত্ৰ জমা দিয়াৰ অন্তিম দিনৰ পাছতহে সকলো স্পষ্ট হ'ব। উল্লেখ্য যে অহা ১৭ অক্টোবৰত কংগ্ৰেছ সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

## পাকিস্তানত পুনৰ হিন্দুক নিৰ্যাতন ঃ দুই নাবালিকা, এগৰাকী বোৱাৰীক ধৰ্মান্তৰিত কৰাৰ অভিযোগ



**নিউজ ব্যুৰ', পেছোৱাৰ, ২৬ ছেপ্টেম্বৰ ঃ** পাকিস্তানত পুনৰ হিন্দু নিৰ্যাতনৰ ঘটনা সংঘটিত হ'ল। দেশখনৰ সিন্ধ প্ৰদেশত এগৰাকী মহিলা আৰু দুই কিশোৰীক অপহৰণ কৰি বলপূৰ্বক ধৰ্মান্তৰিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ১৪ বছৰীয়া মীনা মেঘৱাৰক নচৰপুৰ অঞ্চলৰ পৰা অপহৰণ কৰা হৈছিল। একেদৰে মিৰপুৰখাচ চহৰৰ পৰা আন এগৰাকী হিন্দু কিশোৰীক বজাৰৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত অপহৰণ কৰিছিল। ইফালে মিৰপুৰখাচৰে নিবাসী তিনি সন্তানৰ মাতৃ এগৰাকী হিন্দু মহিলাকো দুষ্কৃতিকাৰীয়ে অপহৰণ কৰি নিয়ে। অভিযোগ অনুসৰি হিন্দু বোৱাৰীগৰাকীক ধৰ্মান্তৰিত কৰি এজন মুছলমান ব্যক্তিক বিয়া কৰাবলৈ বাধ্য কৰোৱা হয়। মহিলাৰ স্বামী ৰবি কুৰ্মীয়ে অভিযোগ কৰা অনুসৰি প্ৰতিবেশী আহমেদ চান্দিয়ে তেওঁৰ পত্নীক আতিশয্য চলাই আহিছিল আৰু চান্দিয়ে অপহৰণ কৰি উক্ত মহিলাক বলপূৰ্বক বিবাহ কৰালে।



## কাশ্মীৰত আজাদৰ নতুন ৰাজনৈতিক দলৰ আত্মপ্ৰকাশ

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৬ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ প্ৰাক্তন নেতা গোলাম নবী আজাদে নিজা দল গঠন কৰিলে। নিজৰ নামৰ স'তে সংগতি ৰাখি আজাদে কাশ্মীৰত গঠন কৰিলে ডেম'ক্ৰেটিক আজাদ পাৰ্টি। আজি নিজৰ দলৰ এখন নীলা, বগা আৰু হালধীয়া ৰঙৰ পতাকাও উন্মোচন কৰিলে আজাদে। উল্লেখ্য যে কেইমাহমান পূৰ্বে আজাদে কংগ্ৰেছ ত্যাগ কৰিছিল। কংগ্ৰেছ ত্যাগৰ পাছতে আজাদে অচিৰে নিজা ৰাজনৈতিক দল গঠন কৰিব বুলি ঘোষণা কৰিছিল।

## পঞ্জাৱৰ সীমান্তত পুনৰ পাকিস্তানী ড্ৰ'নৰ বিচৰণ, বিএছএফৰ গুলিত কৰিলে পলায়ন



**নিউজ ব্যুৰ', গুৰদাসপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ অপচেষ্টাক পুনৰ ব্যৰ্থ কৰিলে সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ)য়ে। পঞ্জাৱৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত পুনৰ প্ৰত্যক্ষ হ'ল পাকিস্তানী ড্ৰ'ন। বিএছএফে পঞ্জাৱ সীমান্তত এখন সন্দেহজনক ড্ৰ'ন আকাশত প্ৰত্যক্ষ কৰাৰ লগে লগে গুলিবৰ্ষণ কৰে। বিএছএফে ৫৬ ৰাউণ্ড গুলিবৰ্ষণ কৰাৰ লগতে আঠটাকৈ বোমা ফুটাই পাকিস্তানী ড্ৰ'নখনক পলাই যাবলৈ বাধ্য কৰে। বিএছএফৰ সূত্ৰই আজি প্ৰকাশ কৰা অনুসৰি যোৱা নিশা ৯-৪০ বজাত এখন ড্ৰ'নে পাকিস্তানৰ ফালৰ পৰা ভাৰতত অনুপ্ৰৱেশ কৰিছিল। প্ৰায় ৪০০ মিটাৰ উচ্চতাত উৰি থকা বিমানখনলৈ বিএছএফে গুলিবৰ্ষণ আৰু বোমা নিক্ষেপ কৰাত ড্ৰ'নখনে পুনৰ পাকিস্তানৰ দিশলৈ পলায়ন কৰে।



## হিমাচলত খাৱৈত পৰিল যাত্ৰীবাহী গাড়ী, মৃত্যু সাতজনৰ

**নিউজ ব্যুৰ', কুলু, ২৬ ছেপ্টেম্বৰ ঃ** হিমাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলত পুনৰ ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ল। কুলুৰ বাঞ্জাৰ উপত্যকাৰ ঘিয়ালি অঞ্চলত ৩০৫ নম্বৰ ৰাষ্ট্ৰীয় পথেদি যাত্ৰা কৰাৰ সময়ত এখন যাত্ৰীবাহী বাছৰ চালকে নিয়ন্ত্ৰণ হেৰুওৱাত গাড়ীখন খাৱৈত বাগৰি পৰে। এই দুৰ্ঘটনাত কমেও সাতজন লোকৰ মৃত্যু হ'ল। দেওবাৰে সন্ধিয়া সংঘটিত হোৱা দুৰ্ঘটনাত আন ১০ জন যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। দুৰ্ঘটনাৰ পাছতে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। গাড়ীখনত হাৰিয়ানা, মধ্য প্ৰদেশ, ৰাজস্থান আৰু দিল্লীৰ পৰ্যটক আছিল।

## ২৪ ঘণ্টাত ৪১১৬ জন লোক হ'ল ক'ভিড সংক্ৰমিত, মৃত্যু সাতজনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** বিগত তিনিদিন ধৰি দেশৰ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা চাৰি হেজাৰৰ ঘৰত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৪১১৬ জন লোক। দেওবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৪৭৭৭ জন। যোৱা ২৪ ঘণ্টাত কেৰালাত ১৪৪৮, মহাৰাষ্ট্ৰত ৫৪১, তামিলনাডুত ৫৩৮, পশ্চিমবংগত ৩৭৪, কৰ্ণাটকত ২১১ আৰু ওড়িছাত ২১১ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, এই ভাইৰাছৰ সংক্ৰমণত বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত সাতজন লোকৰ মৃত্যু হ'ল।



## নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী অন্তৰ্ভুক্তিক সমৰ্থন ৰাছিয়াৰ

**নিউজ ব্যুৰ' মস্কো, ২৬ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ পাছত এইবাৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ৰাছিয়াই আকৌ এবাৰ নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী সদস্যভৰ্তিৰ প্ৰসংগত সমৰ্থন আগবঢ়ালে। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰ'ভে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত স্পষ্টভাৱে কয় যে ভাৰতৰ দৰে দেশে নিৰাপত্তা পৰিষদত স্থায়ী সদস্যৰ পদ লাভ কৰা উচিত। 'আমি আফ্ৰিকা, এছিয়া আৰু লেটিন আমেৰিকাৰ দেশৰ প্ৰতিনিধিত্বৰ জৰিয়তে নিৰাপত্তা পৰিষদক অধিক গণতান্ত্ৰিক কৰি তোলাৰ সম্ভাৱনা প্ৰত্যক্ষ কৰো। বিশেষকৈ ভাৰত আৰু ব্ৰাজিলত নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে স্থান প্ৰদান কৰা উচিত।' লাভৰ'ভে ৰাষ্ট্ৰসংঘত এইদৰে কয়। উল্লেখ্য যে পূৰ্বে ৩১ খন অন্য দেশৰ স'তে ভাৰতে এক যৌথ বিবৃতিত কৈছিল যে স্থায়ী আৰু অস্থায়ী দুয়ো শ্ৰেণীৰ সদস্যৰ সংখ্যা নিৰাপত্তা পৰিষদত বৃদ্ধি কৰা উচিত। এই বিবৃতিত নিৰাপত্তা পৰিষদৰ কাম-কাজৰ প্ৰক্ৰিয়াৰ সংস্কাৰৰ দাবীও উত্থাপন কৰা হৈছিল। স্মৰ্তব্য যে অলপতে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ৰাষ্ট্ৰসংঘত ভাষণ প্ৰসংগত কৈছিল যে ভাৰতে নিৰাপত্তা পৰিষদত স্থায়ী সদস্যৰ পদ লাভ কৰা উচিত। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ভাৰতৰ লগতে জাপান আৰু জাৰ্মানীকো



নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ স্বীকৃতি দিয়াৰ প্ৰসংগ উত্থাপন কৰিছিল। বাইডেনে নিৰাপত্তা পৰিষদৰ তৎকালীন সংস্কাৰ সাধনৰো দাবী জনাইছে। আমেৰিকাৰ পাছত এইবাৰ ৰাষ্ট্ৰসংঘৰ মজিয়াত ভাৰতৰ পক্ষত থিয় দিলে ৰাছিয়াই। অৱশ্যে ৰাছিয়াই পূৰ্বৰে পৰা নিৰাপত্তা পৰিষদত ভাৰতক স্থায়ী সদস্য ৰাষ্ট্ৰ হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰতি সমৰ্থন জনাই আহিছে।

## ক'লাধন গোচৰত সাময়িকভাৱে সকাহ লাভ অনিল আম্বানীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** আয়কৰ বিভাগক অহা ১৭ নৱেম্বৰলৈকে ৰিলায়েঞ্চ গোষ্ঠীৰ অধ্যক্ষ অনিল আম্বানীৰ বিৰুদ্ধে কোনো শাস্তিমূলক পদক্ষেপ গ্ৰহণ নকৰিবলৈ আজি নিৰ্দেশ দিলে বোম্বে উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে আয়কৰ বিভাগে পূৰ্বে এক জাননী জাৰি কৰি আম্বানীৰ বিৰুদ্ধে ক'লা ধন আইনৰ অধীনত কিয় গোচৰ চলাব নোৱাৰিব বুলি প্ৰশ্ন কৰিছিল। যোৱা আঠ আগষ্টত আয়কৰ বিভাগে আম্বানীক তেওঁৰ চুইছ বেংকত থকা দুটাকৈ একাউণ্টৰ ৮১৪ কোটি টকাৰ অঘোষিত ধনৰ সন্দৰ্ভত জাননী জাৰি কৰি এই প্ৰশ্ন কৰিছিল। আয়কৰ বিভাগে আম্বানীৰ বিৰুদ্ধে ৪২০ কোটি টকাৰ কৰ ফাকি অভিযোগো উত্থাপন কৰিছিল। আয়কৰ বিভাগে আম্বানীৰ বিৰুদ্ধে কৰফাকিৰ অভিযোগ উত্থাপন কৰি জাননীত কৈছিল যে আম্বানীয়ে উদ্দেশ্য প্ৰণোদিতভাৱে ভাৰতীয় কৰ বিষয়াৰ পৰা নিজৰ বিদেশত থকা বেংকৰ একাউণ্টৰ তথ্যপাতি গোপনে ৰাখিছিল। চলিত মাহৰ আৰম্ভণিতে আয়কৰ বিভাগৰ এই জাননীক প্ৰত্যাহ্বান জনাই আম্বানীয়ে বোম্বে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। আম্বানীয়ে আদালতত দাবী কৰি কৈছিল যে ভাৰতত ক'লা ধন আইন ২০১৫ত প্ৰৱৰ্তন কৰা হৈছিল, কিন্তু তেওঁৰ কথিত বিদেশী বিত্তীয় লেনদেন ২০০৬-০৭ আৰু ২০১০-১১ বৰ্ষৰ আছিল। আদালতে আজি এই গোচৰত সাময়িকভাৱে আম্বানীক সকাহ দিলে।

## মাজনিশা অংকিতাৰ শেষকৃত্যত অসন্তুষ্ট মাতৃ, কন্যাৰ মুখ অন্তিমবাৰলৈ দৰ্শন কৰিব নিদিয়াত ক্ষোভ



**নিউজ ব্যুৰ', ডেৰাডুন, ২৬ ছেপ্টেম্বৰ ঃ** উত্তৰাখণ্ডৰ এটা ৰিছ'ৰ্টত ৰিচেপচনিষ্ট হিচাপে নিয়োজিত অংকিতা ভাণ্ডাৰীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা ঘটনাক লৈ আজিও উত্তপ্ত হৈ আছে ৰাজ্যখন। প্ৰশাসনে অংকিতাৰ মৃতদেহ পৰিয়ালক অৰ্পণ কৰিছিল যদিও পৰিয়ালৰ লোকে অংকিতাৰ মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন লাভ কৰাৰ পাছতহে অংকিতাৰ মৃতদেহ চমজি ল'ব বুলি ঘোষণা কৰিছিল। ইয়াৰ পাছতে প্ৰশাসনে অংকিতাৰ মৃতদেহৰ শেষকৃত্য নিজাববীয়াকৈ সম্পন্ন কৰে। আজি অংকিতাৰ মাতৃয়ে তেওঁৰ কন্যাৰ শেষকৃত্য প্ৰশাসনে ততাতৈয়াকৈ সম্পন্ন কৰাক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিলে। অংকিতাৰ মাতৃয়ে কয় যে শেষকৃত্যৰ পূৰ্বে তেওঁ কন্যাৰ মুখ অন্তিমবাৰৰ বাবে চাবলৈ বিচাৰিছিল যদিও এইদৰে প্ৰশাসনে ততাতৈয়াকৈ শেষকৃত্য সম্পন্ন কৰাত তেওঁৰ এই ইচ্ছা পূৰণ কৰিব নোৱাৰিলে। মাজনিশা কিয় অংকিতাৰ শেষকৃত্য কিয় প্ৰশাসনে সম্পন্ন কৰিলে বুলিও মাতৃয়ে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে বিজেপিৰ এজন প্ৰাক্তন নেতাৰ পুত্ৰৰ মালিকনাধীন ৰিছ'ৰ্টত প্ৰায় এমাহ পূৰ্বে অংকিতাই ৰিচেপচনিষ্ট হিচাপে যোগদান কৰিছিল। উত্থাপিত অভিযোগ অনুসৰি, ৰিছ'ৰ্টৰ গৰাকীয়ে অংকিতাক দেহ ব্যৱসায়ৰ স'তে জড়িত হ'বলৈ হেঁচা দিছিল আৰু অংকিতাই অমান্তি হোৱাত তেওঁক হত্যা কৰি পানীত পেলাই দিছিল। আৰক্ষীয়ে ইতিমধ্যে মূল অভিযুক্তসহ তিনিজনক গ্ৰেপ্তাৰ কৰিছে।

# অৰশেষত বাঁহৰ জেওৰা আঁতৰিল মৰোৱা-কমলপুৰ পথত



**■ বানে বিধ্বস্ত অংশত মাটিৰে সম্পূৰ্ণ কৰিলে লোকনিৰ্মাণ বিভাগে**

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৬ ছেপ্তেম্বৰ ঃ** অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত এটা বাতৰিৰ পাছতে অধিক তৎপৰ হৈ কাম কৰিবলৈ ধৰাত বাহাৰঘাট অঞ্চলৰ ৰাইজে কাকত গোষ্ঠীৰ শলাগ লৈছে। উল্লেখ্য যে যোৱা ২৪ ছেপ্তেম্বৰত 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'লোকনিৰ্মাণ বিভাগৰ হাস্যকৰ কাণ্ড, বাঁহৰ জেওৰা দি দুৰ্ঘটনা প্ৰতিৰোধৰ চেষ্টা মৰোৱা-কমলপুৰ পথত' শীৰ্ষক বাতৰিৰ পাছতে বিভাগটো অধিক তৎপৰ হোৱা পৰিলক্ষিত হয়। বিভাগটোৱে বানে বিধ্বস্ত কৰা পথটোৰ গাঁতসমূহ মাটিৰে পুতি সম্পূৰ্ণ কৰা পৰিলক্ষিত হৈছে। উক্ত বিধ্বস্ত অংশত যানবাহন দুৰ্ঘটনা হোৱাৰ আশংকা প্ৰকাশ হৈছিল বাতৰিটোত। উক্ত বাতৰিৰ পাছতে লোকনিৰ্মাণ বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত মুকালমুৱা উপ-সংমণ্ডলৰ দ্বাৰা উক্ত বিধ্বস্ত পথছোৱাৰ বাঁহৰ জেওৰা আঁতৰাই গাঁতসমূহ মাটিৰে সম্পূৰ্ণ কৰি দিয়া দেখা গৈছে।। আনহাতে, পথটোৰ বিপদাপন্ন অংশসমূহত বস্তাত মাটি ভৰাই শাৰী পাতি দিয়া পৰিলক্ষিত হৈছে। যোৱা ১৬ জনুত কামৰূপ আৰু নলবাৰী সীমান্তৱৰ্তী বৰলীয়া নৈৰ দুঠাইত মথাউৰি ছিঙি নলবাৰী সমষ্টিৰ পূৰ্ণদৈচপৰা আৰু পূৰ্ণকামদেৰ গাঁৱৰ পূব প্ৰান্তৰ লগতে হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ মৌজাৰ প্ৰায়বোৰ গাঁৱে জলমগ্ন হৈ পৰিছিল। বানে অঞ্চলটোৰ অন্যান্য বাট-পথৰ লগতে কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া পূৰ্ণদৈচপৰাত মৰোৱা-কমলপুৰ পথৰ কালভাৰ্ট এটা সম্পূৰ্ণৰূপে উটুৱাই নি দুয়ো জিলাৰ সংযোগ বিচ্ছিন্ন কৰি দিছিল। বৰ্তমান কালভাৰ্ট উটুৱাই নিয়া ঠাইৰ এটা অংশ বালিৰে পুতি যাতায়াতৰ সুবিধা কৰি দিছিল যদিও তাকো কিছু পৰিমাণে মেৰামতি কৰাৰ প্ৰয়োজন আছে বুলি ৰাইজে মতপোষণ কৰিছে। মন কৰিবলগীয়া যে কামৰূপ-নলবাৰী জিলা সংযোগী উক্ত মৰোৱা-কমলপুৰ পথটো এটা বিশাল অঞ্চলৰ একমাত্ৰ যোগাযোগৰ মাধ্যম। উক্ত মৰোৱা-কমলপুৰ পথটো প্ৰায়ভাগ ঠাইতে খহনীয়া কৰি মৰণফান্দৰ সৃষ্টি কৰিছিল বিগত বানপানীয়ে। সেইসমূহো মেৰামতি কৰাৰ বাবে ৰাইজ তথা দল-সংগঠনৰ প্ৰতিনিধিসকলে দাবী জনাই আহিছে। উল্লেখ্য যে অঞ্চলটোত কে'বাখনো দুৰ্গা পূজা অনুষ্ঠিত হোৱাৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ ঠাইত গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপিত হ'ব। তদুপৰি শাৰদীয় বতৰত কে'বাটাও ভ্ৰাম্যমাণ নাট্য দলৰো আমন্ত্ৰণ হৈছে অঞ্চলটোলৈ।

## সাহিত্য সভাৰ গ্ৰন্থমেলা উপ-সমিতিৰ উদ্যোগত আন্তঃজিলা তৰ্ক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৬ ছেপ্তেম্বৰ ঃ** অসম সাহিত্য সভাৰ ষষ্ঠ সপ্ততিতম পূৰ্ণাংগ নাৰায়ণপুৰ অধিবেশনৰ গ্ৰন্থমেলা উপ-সমিতিৰ উদ্যোগত আৰু মাধৱদেৱ বিশ্ববিদ্যালয় শিক্ষক সংস্থা, নাৰায়ণপুৰ শাখা সাহিত্য সভা, লুইতপৰীয়া শাখা সাহিত্য সভা আৰু মাধৱদেৱ শাখা সাহিত্য সভাৰ সহযোগত কালি মাধৱদেৱ বিশ্ববিদ্যালয়ত এখন আন্তঃজিলা তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সাধাৰণ সম্পাদক মাখন তামুলী, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ চন্দ্ৰ ডেকা, গ্ৰন্থমেলা উপ-সমিতিৰ উপদেষ্টা ক্ৰমে নৰেন্দ্ৰনাথ শৰ্মা আৰু গোলাপ বৰুৱা আদৰণি সমিতিৰ কোষাধ্যক্ষ ৰবীন গোস্বামী, কাৰ্যালয় সম্পাদক দ্ৰোণ কাকতি আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক ড° মহেন্দ্ৰ হাজৰিকাই সাতগছি বন্তি প্ৰজ্জ্বলনেৰে তৰ্ক প্ৰতিযোগিতাখনৰ আৰম্ভ কৰে। গ্ৰন্থমেলা উপ-সমিতিৰ সভাপতি দুলাল চন্দ্ৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাত আদৰণি সমিতিৰ উদ্যোগত মহিলা শিল্পীসকলৰ এটি দলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটো পৰিবেশন কৰে। গ্ৰন্থমেলা উপ-সমিতিৰ সম্পাদক ৰূপক বৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সহকাৰী সম্পাদক মানস প্ৰতীম গোস্বামীয়ে আঁত ধৰা সভাখনত আদৰণি সমিতিৰ সাধাৰণ সম্পাদক মাখন তামুলীয়ে আগন্তুক অসম সাহিত্য সভাৰ পূৰ্ণাংগ নাৰায়ণপুৰ অধিবেশনখনৰ অগ্ৰগতি সম্পৰ্কে বক্তব্য ৰাখে আৰু সকলোৰে সহযোগিতা কামনা কৰে। আজিৰ তৰ্ক প্ৰতিযোগিতাখনত অধ্যক্ষৰূপে সদন পৰিচালনা কৰে নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, বিশিষ্ট লেখক চন্দ্ৰ হাজৰিকাই। প্ৰতিযোগিতাত বিচাৰক হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে গুৱাহাটীৰ ফ্ৰীলান্স লেখিকা, আলোকচিত্ৰ শিল্পী ৰূপৰেখা গোস্বামী, ছয়দুৱাৰ মহাবিদ্যালয়ৰ পদাৰ্থবিদ্যা বিভাগৰ সহযোগী অধ্যাপক সৌমিত্ৰ বৰুৱা, হাৱাজানৰ অম্বিকাগিৰী জাতীয় বিদ্যালয়ৰ ৰেক্টৰ কমল ফুকন আৰু পূৱ ডিক্ৰুং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পূণ বৰাই। তৰ্ক প্ৰতিযোগিতাৰ আৰম্ভণিতে সঞ্চালকে এই প্ৰতিযোগিতাৰ প্ৰথমটো স্মাৰক পুৰস্কাৰৰ দাতা নতুন দিল্লীস্থ 'দ্য ইকনমিক টাইমছ'ৰ জ্যেষ্ঠ সম্পাদক শান্তনু নন্দন শৰ্মাই প্ৰেৰণ কৰা এটা বাণী পাঠ কৰে। কালিৰ তৰ্ক প্ৰতিযোগিতাত যোগদান কৰা দলসমূহ হ'ল ক্ৰমে বিহপুৰীয়া মহাবিদ্যালয়, উত্তৰ লক্ষীমপুৰ (স্বায়ত্তশাসিত) মহাবিদ্যালয়, পূৱ ডিক্ৰুং মহাবিদ্যালয়, এলটিকে মহাবিদ্যালয়, মাজুলী মহাবিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে পূৱ ডিক্ৰুং মহাবিদ্যালয়ৰ ছাত্ৰী অৰ্পিতা ৰাজখোৱাই। দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ স্থান লাভ কৰে ক্ৰমে উত্তৰ লক্ষীমপুৰ (স্বায়ত্ত শাসিত) মহাবিদ্যালয়ৰ ছাত্ৰ মানসজ্যোতি শইকীয়া আৰু মাজুলী মহাবিদ্যালয়ৰ ভাগ্যজ্যোতি দত্তই। উল্লেখ্য যে আগন্তুক অসম সাহিত্য সভাৰ অধিবেশন এই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ স্থান লাভ কৰা তাৰ্কিকসকলক যথাক্ৰমে বাক্ চূড়ামণি অধ্যক্ষ শিৱ শৰ্মা, বিশিষ্ট সাহিত্য সংগঠক ভৱেন বৰা আৰু অধ্যাপক, সমাজসংগঠক ৰাণা প্ৰসাদ দেউৰী স্মাৰক পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

## মোদীৰ নেতৃত্বত দেশত বৈপ্লৱিক পৰিৱৰ্তন আহিছে ঃ সোণোৱাল



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৬ ছেপ্তেম্বৰ ঃ** 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত বৈপ্লৱিক পৰিৱৰ্তন হৈছে। ইয়াৰ সমান্তৰালভাৱে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম পাঁচ' ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হ'ব। কালি নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ ঘৰত উপস্থিত হৈ এই মন্তব্য প্ৰকাশ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মোদীক বিশ্বৰ জনপ্ৰিয় নেতা বুলি অভিহিত কৰি সোণোৱালে মোদীৰ নেতৃত্বত দেশত বৈপ্লৱিক পৰিৱৰ্তন আহিছে বুলি উল্লেখ কৰে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কালি সৰ্থেবাৰীৰ ন-সত্ৰত অৱস্থিত কৃষ্ণগুৰু আশ্ৰমত উপস্থিত হৈ প্ৰভুৰ আশীৰ্বাদ গ্ৰহণ কৰি ওভতাৰ পথত নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ গৃহত এক বৈঠকত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল অশোক শৰ্মাৰ গৃহত

### নলবাৰীৰ প্ৰাক্তন বিধায়কৰ গৃহত কেন্দ্ৰীয় মন্ত্ৰী

সোমোৱাৰ কথা প্ৰচাৰ হোৱাৰ পাছত প্ৰাক্তন বিধায়কজনৰ ঘৰত দলীয় সতীৰ্থ আৰু শুভাকাংক্ষীয়ে গামোচাৰে উষ্ণ আদৰণি জনায়। ইফালে, সংবাদ মাধ্যমৰ মুখামুখি হৈ কেন্দ্ৰীয় মন্ত্ৰীজনে মোদীৰ নেতৃত্বত দেশত বৈপ্লৱিক পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত হ'ব বুলি মন্তব্য কৰে। প্ৰসংগক্ৰমে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয় যে মোৰ ওপৰত নলবাৰীৰ ৰাইজৰ আশীৰ্বাদ আগতেও আছিল এতিয়াও আছে। প্ৰভুৰ আশীৰ্বাদত মই নসত্ৰলৈ আহিয়েই থাকো। কালিও এই উদ্দেশ্যৰে আহিছিলো। উল্লেখ্য যে সাংবাদিকে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পক লৈ সৃষ্টি হোৱা আশংকাক লৈ প্ৰতিক্ৰিয়া জানিব বিচাৰে যদিও এই সন্দৰ্ভত সাংবাদিকৰ পৰা এৰাই চলা দেখা গ'ল কেন্দ্ৰীয় মন্ত্ৰীজনক।

## বিশ্বনাথত 'নৰ্দমা আৰু চেপ্টিক টেংকৰ বিপজ্জনক পৰিষ্কাৰকৰণ প্ৰতিৰোধ'ৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ ছেপ্তেম্বৰ ঃ** সামাজিক ন্যায় আৰু সশক্তিকৰণ মন্ত্ৰালয়ৰ অধীনত ভাৰত চৰকাৰৰ এটা প্ৰতিষ্ঠান যাৰ নাম হৈছে ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী বিত্ত আৰু উন্নয়ন কৰ্প'ৰেচন। ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী বিত্ত আৰু উন্নয়ন কপ'ৰেচনৰ অন্তৰ্গত অসমত 'নৰ্দমা আৰু চেপ্টিক টেংকৰ বিপজ্জনক পৰিষ্কাৰকৰণ প্ৰতিৰোধ'ৰ ওপৰত বিভিন্ন কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। তাৰ সমান্তৰালকৈ কালি বিশ্বনাথ চাৰিআলি পৌৰসভাৰ প্ৰেক্ষাগৃহতো অনুষ্ঠিত হয় এই কৰ্মশালাৰ। এই কৰ্মশালাত ৰিছৰ্চ পাৰ্ছন হিচাপে অংশগ্ৰহণ কৰি এই বিষয় সন্দৰ্ভত বক্তব্য ডাঙি ধৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰাসায়ন বিজ্ঞানৰ বিভাগৰ বিপ্লৱ ওজাই। উক্ত শিবিৰত সভাপতিত্ব কৰে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱাশীষ গোস্বামী। ইফালে, এই সভাত অংশগ্ৰহণ কৰে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ বিভিন্ন ৱাৰ্ড সদস্য-সদস্যাসকলৰ লগতে বিভিন্ন চাফাই কৰ্মৰ লগত জড়িত ৪২ জনকৈ চাফাইকৰ্মী এই শিবিৰত অংশগ্ৰহণ কৰে। শেহতীয়াকৈ সমগ্ৰ দেশত নৰ্দমা-চেপ্টিক শ্ৰমিকৰ মৃত্যুৰ দুৰ্ভাগ্যজনক ঘটনা বৃদ্ধি পাইছে। নৰ্দমা আৰু চেপ্টিক টেংক পৰিষ্কাৰ কৰোঁতে বিষাক্ত ধোঁৱা বা শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ ফলত এই মৃত্যুবোৰ সংঘটিত হয়। এই ঘটনাবোৰ নাগৰিকসকলৰ অৱহেলাৰ উদাহৰণ। এই সম্পৰ্কে মেনুৱেল স্কেভেঞ্জাৰ হিচাপে নিযুক্তি নিষিদ্ধ কৰা আৰু তেওঁলোকৰ পুনসংস্থাপন এচিএল, ২০১৩ প্ৰস্তুত কৰা নিয়মবোৰ সকলো জনসাধাৰণে জানি লোৱাৰ বাবেই এই কৰ্মশালা অনুষ্ঠিত কৰা হয়।

## গোলাঘাটৰ মাটিখোলাত অগপৰ সাংগঠনিক সভাত কংগ্ৰেছ কৰ্মীৰ যোগদান

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৬ ছেপ্তেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ মাটিখোলা অঞ্চলৰ অসম গণ পৰিষদৰ মাটিখোলা আঞ্চলিক পৰিষদৰ সাংগঠনিক সভা কালি দুই নম্বৰ বৰজান গাঁওস্থিত আঞ্চলিক পৰিষদৰ সভাপতি বিপুল গগৈৰ বাসগৃহত অনুষ্ঠিত হয়। সভাৰ পূৰ্বে বিগত সময়ত যিসকল দলীয় কৰ্মকৰ্তাৰ মৃত্যু হয়, সেইসকলৰ আত্মাৰ সদ্‌গতি অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। সভাপতি গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্থানীয় অঞ্চলৰ ১১ জন কংগ্ৰেছ কৰ্মীৰ দলৰ প্ৰতি মোহভংগ হৈ অগপত যোগদান কৰে। যোগদান সভাত গোলাঘাট জিলা সভাপতি ডাঃ নৃপেন বৰুৱা, জিলা সংখ্যালঘু মৰ্চাৰ উপ-সভাপতি ছৈয়দুৰ ৰহমান, গোলাঘাট বিধান পৰিষদৰ যুটীয়া সম্পাদক দিলীপ দাস, মহিলা সমিতিৰ জিলা সম্পাদিকা অনামিকা বৰা বাইলুং, সভানেত্ৰী কমলা বড়ি, জিলা প্ৰতিনিধি ৰবি বড়া, পলাশজ্যোতি শৰ্মা, অনুপম গোস্বামী প্ৰমুখ্যে ডেৰ শতাধিক কৰ্মকৰ্তা উপস্থিত থাকে।

## নতুন সাহিত্য পৰিষদৰ ধুবুৰী জিলা সমিতিৰ গঠন

অগ্ৰদূত বাৰ্তা

**বক্সিৰহাট, ২৬ ছেপ্তেম্বৰ ঃ** ধুবুৰী জিলাৰ হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি দিনজোৰা কাৰ্যসূচীৰে নতুন সাহিত্য পৰিষদৰ ধুবুৰী জিলা সমিতি গঠন হয়। পুৱা পৰিষদৰ পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি ধনবিন্দু শৰ্মাই। ছহিদ বেদীত মাল্যাৰ্পণ কৰে ৰাজ্যিক সমিতিৰ সভাপতি অহিজ উদ্দিন খান। ইয়াৰ পাছত অহিজ উদ্দিন সেখৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাচক্ৰত ৰঘুৰঞ্জন বেপাৰী, শৈলেন্দ্ৰ কিশোৰ ৰায়, গোলাপী ৰায় আৰু আবু হানিফ সেখে বক্তৃতা আগবঢ়ায়। ধুবুৰী জিলাৰ চাৰিটা শাখাৰ চাপৰ আৰু হালাকুৰা শাখাৰ প্ৰতিনিধি উপস্থিত থকা সন্মিলনত প্ৰতিবেদন পাঠ কৰে জিলা সমিতিৰ সম্পাদকৰ হৈ অনুপ কুমাৰ দাস। প্ৰতিনিধি সভাত ধনবিন্দু শৰ্মাক সভাপতি আৰু আবু হানিফ সেখক সম্পাদকৰূপে লৈ ১১ জনীয়া সদস্যৰ নতুন সমিতি গঠন কৰা হয়।

## অধ্যাপক প্ৰদীপ কুমাৰ দাসৰ ৰচিত প্ৰৱন্ধ সংকলন 'স্বাধ্যায়' উন্মোচন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৬ ছেপ্তেম্বৰ ঃ** গোসাঁইগাঁও সদৰ চহৰস্থিত কমল নাথ ক্লাব প্ৰাংগণত কালি দুপৰীয়া গোসাঁইগাঁও শাখা সাহিত্য সভাৰ উদ্যোগত 'স্বাধ্যায়' নামৰ প্ৰৱন্ধ সংকলন গ্ৰন্থ উন্মোচন কৰা হয়। গোসাঁইগাঁও মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰদীপ কুমাৰ দাসে লিখা 'স্বাধ্যায়' নামৰ প্ৰৱন্ধ সংকলনখন উন্মোচন কৰে বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা পদ্মশ্ৰী উপাধিৰে বিভূষিত ড° কামেশ্বৰ ব্ৰহ্মই। উল্লেখ্য যে অধ্যাপক প্ৰদীপ কুমাৰ দাসে ইয়াৰ পূৰ্বেও 'সু-অভ্যাস গঠন আৰু ব্যক্তিত্ব বিকাশ' আৰু 'আত্ম-উন্নয়নৰ অনুপ্ৰেৰণা' নামৰ দুখনকৈ গ্ৰন্থ ইতিমধ্যে প্ৰকাশ কৰি উলিয়াইছে আৰু পাঠক সমাজেও অতি আগ্ৰহেৰে গ্ৰন্থ দুখন আদৰি লোৱাৰ পাছত শেহতীয়াকৈ তেঁওৰ তৃতীয়খন গ্ৰন্থ উন্মোচন কৰা হয়। গোসাঁইগাঁৱৰ জ্যেষ্ঠ সাংবাদিক শংকৰ চৌধুৰীয়ে আঁত ধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনীন্দ্ৰ নাথ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সভাপতি পৰশু কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত আমন্ত্ৰিত অতিথিৰূপে গোসাঁইগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ ধনঞ্জয় ব্ৰহ্ম, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱনাথ দাশ, শিক্ষাবিদ ড° ৰামতনু ব্ৰহ্ম প্ৰমূখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি বক্তৃতা প্ৰদান কৰে। সমজুৱাৰ ফালৰ পৰা প্ৰাক্তন প্ৰধান শিক্ষক বৈদ্যনাথ সাহা, যুৱ ব্যৱসায়ী বিনোদ প্ৰসাদ, অধ্যাপিকা ড° লাৱণ্য লহকৰেও ভাষণ আগবঢ়ায়।

## মহাৰাষ্ট্ৰবাসীয়ে আদৰিছে অসমীয়া সত্ৰীয়া সংস্কৃতি

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ ছেপ্তেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ পুণেৰ ভাৰতী বিদ্যাপীঠ বিশ্ববিদ্যালয়ত সাংস্কৃতিক বিভাগৰ মুৰব্বী অধ্যাপক ড° দেৱিকা শইকীয়া বৰঠাকুৰৰ তত্ত্বাৱধানত অসমৰ গুৰু (সংগীত নাটক একাডেমীৰ পদকপ্ৰাপ্ত) অনিতা শৰ্মা, নৰেন্দ্ৰ চন্দ্ৰ বৰুৱা আৰু ভাস্কৰ ওজাৰ দ্বাৰা পৰিচালিত সত্ৰীয়া সংস্কৃতিৰ বৰগীত, খোল-নাগৰা প্ৰসংগ আৰু সত্ৰীয়া নৃত্যৰ মাহজোৰা কৰ্মশালাৰ অন্তত কালি ৬০ গৰাকী মহাৰাষ্ট্ৰীয়ান ছাত্ৰ-ছাত্ৰীয়ে দিনজোৰা কাৰ্যসূচীৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ উপৰি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত ভাৰত নাট্যম, ওড়িচি, সত্ৰীয়া নৃত্য আৰু অসমৰ লোক সংস্কৃতিৰ ওপৰত প্ৰস্তুত কৰা লোক নৃত্য, বৰগীত আদিৰ প্ৰদৰ্শন কৰাৰ লগতে প্ৰতিযোগিতাৰ অন্তত বিশ্ববিদ্যালয় তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে অসমৰ সত্ৰীয়া নৃত্য আৰু ভাৰত নাট্যমৰ ওপৰত ড° শইকীয়া বৰঠাকুৰে প্ৰয়াত গুৰু ড° কেশৱানন্দ দেৱ গোস্বামীৰ তত্ত্বাৱধানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট লোৱাৰ পাছতে তেও অসমৰ সত্ৰীয়া নৃত্যৰ ওপৰত পুণেৰ ভাৰতী বিশ্ব বিদ্যালয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী খোলাৰ বাবে (মহাৰাষ্ট্ৰ-অসম) চৰকাৰৰ লগত যোগাযোগ কৰাৰ অন্তত অনুমোদন লাভ কৰে আৰু ইয়াৰ পাছতেই ড° শইকীয়াই কৰ্মশালাৰ আয়োজন কৰাৰ উপৰি বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা 'লেকচাৰ-ডেমনষ্ট্ৰেচন' দিয়াৰ বাবে আমন্ত্ৰণ লাভ কৰে। ইয়াৰ ভিতৰত মহাৰাষ্ট্ৰৰ কে'বাখনো বিশ্ববিদ্যালয়ত আৰু হায়দৰাবাদৰ তেলুগু বিশ্ববিদ্যালয়েও যোৱা মাহত শিল্পীগৰাকীক আমন্ত্ৰণ কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। চলিত বছৰৰ অক্টোবৰৰ প্ৰথম সপ্তাহত লক্ষ্ণৌ বিশ্ববিদ্যালয়েও তেওঁক 'লেক্‌চাৰ-ডেমনট্ৰেচন' দিবলৈ আমন্ত্ৰণ জনাইছে। ইয়াৰ পাছতে আমেৰিকা, কানাডা, অষ্ট্ৰেলিয়া, ডুবাই আদি ঠাইলৈকো 'লেক্‌চাৰ-ডেমনট্ৰেচন'ৰ বাবে আমন্ত্ৰণ জনোৱাত মহাৰাষ্ট্ৰৰ লগতে অসমবাসীও গৌৰৱান্বিত হোৱা পৰিলক্ষিত হৈছে।



*সেৱা পযেক উপলক্ষে মাটিখোলা পঞ্চায়তৰ ৱাৰ্ড সদস্যাই বৃক্ষৰোপণ কৰিলে বৰজান গাঁৱৰ মন্দিৰত*

## কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন-সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৬ ছেপ্তেম্বৰ ঃ** শিৱসাগৰ জিলাৰ মোমাই তামুলী গাঁও পঞ্চায়তৰ অন্তৰ্গত দুৰৰাপাৰ বৰনামঘৰত আজি কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন আৰু তিনিগৰাকী বিশেষ ব্যক্তিৰ সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন হয়। ২০২২ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে অলপতে ডক্তৰেট ডিগ্ৰী লাভ কৰা ড° নীহাৰিকা দুৱৰা, দন্ত্য চিকিৎসক ডাঃ অভিজিৎ বৰুৱা আৰু জিলা কৃতী শিক্ষক শ্ৰীমন্ত দত্তক সম্বৰ্ধনা জনোৱা হয়। নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক তথা শিক্ষক যদুমণি বৰুৱা আৰু যুৱ সমাজকৰ্মী মানস বৰুৱাই আঁত ধৰা অনুষ্ঠানত চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক দীপক বড়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° শৈলেন্দ্ৰ ভূঞা, সমাজকৰ্মী বিপুল গগৈয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। শতাধিক ৰাইজ উপস্থিত থকা অনুষ্ঠানৰ পৰৱৰ্তী সময়ত ভাদমহীয়া নাম-কীৰ্তনৰ সামৰণি অনুষ্ঠান সম্পন্ন হয়।

## সামাজিক ন্যায় দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৬ ছেপ্তেম্বৰ ঃ** বৈচিত্ৰ্যময় পটভূমিৰ পৰা অহা সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত ন্যায় আৰু সমতা ৰক্ষাৰ লক্ষ্যৰে যোৱা ২৪ ছেপ্তেম্বৰত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত সামাজিক ন্যায় দিৱস উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই সঞ্চালনা কৰা অনুষ্ঠানত বিষয় সন্দৰ্ভত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক, তথা স্তম্ভ লেখক ছাজ্জাদ হুছেইনে স্বাধীনতাৰ পাছত দেশৰ সামাজিক ন্যায় ৰক্ষাৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। তদুপৰি সামাজিক ন্যায় বজাই ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ সম সুবিধা কোষে পালন কৰিবলগীয়া কামসমূহৰ সম্পৰ্কে তেওঁ আলোকপাত কৰে। কোষৰ আহ্বায়ক মৃদুস্মিতা হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

## দুমুনিচকীত শিশু উদ্যান-পূজা বিসৰ্জনথলীৰ মুখ্য তোৰণ উন্মোচন

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৬ ছেপ্তেম্বৰ ঃ** কামৰূপ জিলাৰ দুমুনিচকী বাথানৰ বৰনৈ পাৰত কালি এখন শিশু উদ্যান আৰু পূজা বিসৰ্জনস্থলীৰ মুখ্য তোৰণ উন্মোচন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। প্ৰয়াত অনন্তদেৱ শৰ্মা সোঁৱৰণী মুখ্য তোৰণৰ জন্ম উন্মোচনৰ পাছতে ৰূপায়ণ কৰা বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকাই। ইয়াৰ পাছতে উন্মোচিত শিশু উদ্যানখনত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। মহিবুদ্দিন খণ্ডকৰ আৰু ৰাজেন চৌধুৰীয়ে আঁতধৰা এই সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত উপস্থিত থাকে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক কিৰণ কাকতি, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি দিলীপ ডেকা, বেজেৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য জ্যোতি কুমাৰী, গড়কাপ্তানী বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ লগতে বিজেপিৰ জ্যেষ্ঠ কণিষ্ঠ একাংশ কৰ্মকৰ্তা।



## হোজাইত অনুষ্ঠিত কৃষক মেলাত কৃষকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৬ ছেপ্তেম্বৰ ঃ** হোজাইৰ দেশবন্ধু বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, হোজাই জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত চিএছএছ-এটিএমএ উদ্যোগত কালি অনুষ্ঠিত হয় কৃষক মেলা ২০২২-২৩ ত। উক্ত কৃষক মেলাত জিলাখনৰ বিভিন্ন কৃষক ৰাইজে নিজৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন কৰাৰ লগতে খাদ্যত ব্যৱহৃত কীটনাশক দ্ৰৱৰ বিপণী, কৃষি কামত ব্যৱহৃত বৈজ্ঞানিক ন ন সঁজুলি, বিভিন্ন জাতৰ উন্নতমূলক গছপুলি, জনগোষ্ঠীয় সাজ-পাৰ, খাদ্য-সামগ্ৰী, কৃষি বিভাগৰ পৰা নতুন পদ্ধতিৰ জৰিয়তে কেনেকৈ শস্য উৎপাদন কৰিব পাৰি তাক সুন্দৰভাৱে প্ৰদৰ্শনৰ জৰিয়তে উপস্থাপন কৰা হয়। উক্ত প্ৰদৰ্শনীৰ সমান্তৰালভাৱে বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় মুকলি সভা। উক্ত মুকলি সভাত উপস্থিত থাকে হোজাই জিলাৰ কৃষি বিষয়া পৰাগ কুমাৰ মহন্ত, নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া নিৰঞ্জন ডেকাকে ধৰি বিভিন্ন বিভাগৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। লগতে উক্ত মুকলি সভাত বিশিষ্ট ব্যক্তিসকলে কৃষিৰ উন্নতি সন্দৰ্ভত নিজৰ মন্তব্য কৰে। লগতে উক্ত মুকলি সভাত কে'বাজনো খেতিয়ক আৰু প্ৰদৰ্শনীত নিজৰ খেতিৰ শস্যৰে শীৰ্ষস্থান দখল কৰা কে'বাজনো খেতিয়কক গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

## ঘগ্ৰাপাৰত আৰক্ষীত নিযুক্তি লাভ কৰা ১৯ জনক সম্বৰ্ধনা যুৱ মৰ্চাৰ

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৬ ছেপ্তেম্বৰ ঃ** সদ্যঘোষিত অসম আৰক্ষীৰ বিভিন্ন পদত নিযুক্তি লাভ কৰা নলবাৰী জিলাৰ বৃহত্তৰ ঘগ্ৰাপাৰৰ ১৯ জনক আজি বড়িগোগ বনভাগ মণ্ডল বিজেপি যুৱ মৰ্চাই ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নলবাৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মনে উদ্বোধন কৰা আজিৰ এই কাৰ্যসূচীটোৰ নেতৃত্ব বহন কৰে বড়িগোগ বনভাগ মণ্ডল বিজেপি যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাসসহ এটি বৃহৎ সঁজাতী দলে। পুৱা ঘগ্ৰাপাৰ পঞ্চায়তৰ পৰা আৰম্ভণি কৰা উক্ত সম্বৰ্ধনা জ্ঞাপন কাৰ্যসূচীটো বড়িগোগ বনভাগ মণ্ডলৰ ন টা পঞ্চায়তত সদ্যঘোষিত আৰক্ষীৰ বিভিন্ন পদত নিযুক্তি লাভ কৰা ১৯ জনৰ ঘৰে ঘৰে গৈ যুৱ মৰ্চাৰ দলটোৱে গামোচা, গছৰ পুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

## গোসাঁইগাঁও ব্ৰহ্ম সেৱাশ্ৰমত মহালয়া উপলক্ষে বিশ্বশান্তিৰ বাবে যজ্ঞ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৬ ছেপ্তেম্বৰ ঃ** প্ৰতিবছৰে উদ্‌যাপন কৰি অহাৰ দৰে এইবেলিও গোসাঁইগাঁও চহৰৰ মদাতি নদীৰপাৰত এক মনোৰম পৰিবেশত অৱস্থিত গোসাঁইগাঁও ব্ৰহ্ম সেৱাশ্ৰমত পৱিত্ৰ মহালয়া পৰ্ব উপলক্ষে যজ্ঞাহুতি অনুষ্ঠান সম্পন্ন হৈ যায়। সেৱাশ্ৰমৰ যজ্ঞালয়ত বিশ্ব শান্তি আৰু মানৱ জাতিকে ধৰি সমস্ত জীৱকুলৰ কুশল-মংগল কামনাৰে আয়োজিত উক্ত যজ্ঞাহুতি অনুষ্ঠানটিত জাতি-ধৰ্ম, ভাষা-বৰ্ণ তথা লিংগ নিৰ্বিশেষে গোসাঁইগাঁও চহৰ তথা ইয়াৰ উপকণ্ঠৰ বহুসংখ্যক ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতিত যজ্ঞস্থলীত বীৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হয়। প্ৰতিগৰাকী ব্যক্তিয়ে নিজ নিজ মনোকামনা সিদ্ধিৰে পৰম ব্ৰহ্মক সুঁৱৰি যজ্ঞকুণ্ডত যজ্ঞাহুতি প্ৰদান কৰে। বাবা ঘনশ্যাম বসুমতাৰীৰ নেতৃত্বত অনুষ্ঠিত এই যজ্ঞাহুতি অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ড° কামেশ্বৰ ব্ৰহ্ম, প্ৰাক্তন কাৰ্যবাহী সদস্য শোভাৰাম বসুমতাৰী, গোসাঁইগাঁৱৰ প্ৰাক্তন পৌৰপতি ধ্ৰুৱ ব্ৰহ্ম নাৰ্জাৰী, গোসাঁইগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুং প্ৰমুখ্যে বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকি পৰম ব্ৰহ্মাৰ আশিষ বিচাৰি যজ্ঞাহুতি প্ৰদান কৰে। যজ্ঞানুষ্ঠানলৈ বিভিন্ন ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যজ্ঞ সাফল্যমণ্ডিত কৰা আৰু উপস্থিত থকা প্ৰতিগৰাকী ভক্তক ধন্যবাদ জ্ঞাপন কৰিছে আশ্ৰম পৰিচালনা সমিতিৰ উপদেষ্টা মহেশ্বৰ ব্ৰহ্ম আৰু সম্পাদক সমৰ বসুমতাৰীয়ে ।

## ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ ছেপ্তেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱখন (পূব মণ্ডল) গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ অধীনত জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত যোৱা ২৩ ছেপ্তেম্বৰৰ বিয়লি সফলতাৰে পৰিসমাপ্তি ঘটে। পূব মণ্ডলৰ ২৬ খন মহাবিদ্যালয়ৰ ছয় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ছটা বিভাগৰ বিভিন্ন শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। নৃত্য, সংগীত, নাটক, সাহিত্য, তৰ্ক আৰু সুকুমাৰ কলা শাখাক সামৰি বিভিন্ন বিভাগত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাত ভাগ লয়। এই প্ৰতিযোগিতাত গৃহ জিলা শোণিতপুৰৰ উপৰি বিশ্বনাথ, নগাঁও, হোজাই, দৰং জিলাৰ মহাবিদ্যালয়সমূহে অংশগ্ৰহণ কৰে। প্ৰথম দিনাৰ কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতীয়ে আৰু আয়োজক ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° অজিত হাজৰিকাই। একেদৰেই লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী, দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়া, তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি কমল হাজৰিকা আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই নিজ মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে। গ্ৰহণকাৰী আন মহাবিদ্যালয়ৰ পতাকাসমূহ উত্তোলন কৰে বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তত্ত্বাৱধায়ক হিচাপে অহা প্ৰৱক্তাসকলে। সামৰণি অনুষ্ঠানত অসম কলেজ অধ্যক্ষ পৰিষদৰ সাধাৰণ সম্পাদক তথা ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতাৰ উপৰি সংগীতৰ শাখাৰ বিচাৰক শিল্পী সূৰ্য গোস্বামী, মৃণাল কান্তি মেধি আৰু কাজল বৰাই অংশগ্ৰহণ কৰে। ছাত্ৰ সমাজৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ বিন্দু যুৱ মহোৎসৱৰ এইবেলিৰ পূব মণ্ডলৰ প্ৰতিযোগিতা লানিত সৰ্বাধিক পুৰস্কাৰ লাভৰ শীৰ্ষ স্থান দখল কৰে দৰং মহাবিদ্যালয়ে, দ্বিতীয় স্থান লাভ কৰে নগাঁও মহাবিদ্যালয়ে আৰু তৃতীয় স্থান দখল কৰে বিশ্বনাথ মহাবিদ্যালয়ে।

# ১১৮ নম্বৰ হাকামা গাঁও পঞ্চায়তৰ সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৬ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ অধীনস্থ ১১৮ নম্বৰ হাকামা গাঁও পঞ্চায়তৰ সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে সতীৰ্থই। ইতিমধ্যে গাঁও পঞ্চায়তখনৰ সভাপতি ছুলতান আলী আহমেদৰ বিৰুদ্ধে অনাস্থা গৃহীত হৈছে। ১০জন ৱাৰ্ড সদস্যৰ ভিতৰত সাতজনে ভোটদান কৰে অনাস্থাৰ পক্ষত। উল্লেখ্য যে গাঁও পঞ্চায়তখনৰ সভাপতি আহমেদে ২১ আগষ্টত বেলতলী উপৰটাৰীত সংঘটিত হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগ উঠিছে। হত্যাকাণ্ডৰ স'তে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ইতিমধ্যে তেওঁক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। প্ৰণিধানযোগ্য যে ইয়াৰ পূৰ্বেও ভূ-মাফিয়াৰ গোচৰত জেলত লৈ গৈছিল সভাপতিজনে। ফলত পঞ্চায়তখনৰ উন্নয়নৰ দিশ স্থবিৰ হৈ পৰাৰ অভিযোগ তুলি সাতজন ৱাৰ্ড সদস্যই অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে। ইয়াৰ ভিত্তিত আজি বিলাসীপাৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অনাস্থা সন্দৰ্ভত ভোটগ্ৰহণ অনুষ্ঠিত হয়। সাতজন ৱাৰ্ড সদস্যই অনাস্থাৰ পক্ষত ভোট প্ৰদান কৰাত অনাস্থা প্ৰস্তাৱ গৃহীত কৰে কাৰ্যালয়টোৰ আঞ্চলিক পঞ্চায়তে। ইফালে, একাধিক অভিযোগৰ ভিত্তিত পঞ্চায়তখনৰ উপ-সভাপতি মইনুল হকৰ বিৰুদ্ধেও অনাস্থা ভোট প্ৰদান কৰে সাত সদস্যই। পাছত পঞ্চায়তখনৰ কাম-কাজ চলাই নিবলৈ নতুনকৈ উপ-সভাপতি হিচাপে ৱাৰ্ড সদস্য আমানুৰ ৰহমানক নিৰ্বাচিত কৰে।

# বৰপেটা জিলা কবি সন্মিলনৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান ঃ তিনিখন কবিতা সংকলন উন্মোচন

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৬ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলা কবি সন্মিলনৰ উদ্যোগত কালি অম্বিকাগিৰী-বাণীকান্ত বৰপেটা সাহিত্য সভা ভৱনত তিনিখন কবিতা সংকলন উন্মোচন কৰা হয়। বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বৰপেটাৰ এছ শোভানা ৰহমানৰ 'জীৱন মৃত্যুৰ আচু কাঠ' শীৰ্ষক কবিতা সংকলনখন উন্মোচন কৰে বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি ড° বাবুল চন্দ্ৰ দাসে। বৰপেটা জিলা কবি সন্মিলনৰ সভাপতি উদ্ধৱ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰুপমা দাসৰ কবিতা সংকলন 'হৃদয় এখন বগা কাগজ' উন্মোচন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক গোবিন্দ তালুকদাৰে। গোবিন্দ তালুকদাৰে কয় যে, প্ৰতিকুল পৰিৱেশৰ মাজতো সময় উলিয়াই কবিতাৰ সাধনা কৰি দাসৰ কবিতাই সাধাৰণ পাঠকক স্পৰ্শ কৰিব পাৰে। আনহাতে, অধ্যাপক কমলেশ্বৰ কলিতাৰ 'বতাহত বুকুৰ ভিতৰত জোন' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি দীনেশ দাসে। দীনেশ দাসে কয় যে বৰপেটা জিলা কবি সন্মিলনে গ্ৰন্থ সংস্কৃতিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাৰ বাবে কালি তিনিখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁ কয় যে সত্য অন্বেষণৰ বাবে কবিসকলে কবিতা ৰচনা কৰি আহিছে। 'বতাহত বুকুৰ ভিতৰত জোন' নামৰ গ্ৰন্থখন নিঃসন্দেহে শব্দৰে চিত্ৰ অংকন কৰা এধাৰি কাব্যগন্ধী চিন্তাস্ৰোতৰ চমকপদ সংকলন। তেওঁৰ কাব্য-কথনত খণ্ডিত চিত্ৰবোৰ জোনাক বিধৌত। সভাত কবি সন্মিলনৰ শশধৰ মিশ্ৰ উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# উত্তৰ ছিলাবন্ধা গাঁও পঞ্চায়তত পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মদিন পালন

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৬ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে নদুৱাৰ মণ্ডল বিজেপিৰ অধীনস্থ উত্তৰ ছিলাবন্ধা গাঁও পঞ্চায়তৰ ৯৫ নম্বৰ পানীগাঁও (ক) বুথ সমিতিৰ আজি 'মন কী বাত' অনুষ্ঠানৰ লগতে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মদিন উপলক্ষে কালি পুৱা চামধৰা ৰাজ্যিক পশু চিকিৎসালয় চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে বুথ সমিতিৰ সদস্যসকলে। ইয়াৰ পাছতে পানীগাঁৱৰ উছমান আলীৰ বাসভৱনত দুই শতাধিক মহিলা তথা ৰাইজৰ উপস্থিতিত আয়োজিত 'মন কী বাত' অনুষ্ঠানৰ আঁত ধৰে বুথ সমিতিৰ সভাপতি বিজিত হাজৰিকাই। পণ্ডিত দীনদয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নোমল শইকীয়াই। ১৯১৬ৰ ২৫ ছেপ্টেম্বৰৰ মথুৰাত জন্ম লাভ কৰা পণ্ডিত দীনদয়াল উপাধ্যায়ৰ শিক্ষা আৰু ৰাজনৈতিক জীৱন বৃত্তান্তৰ সন্দৰ্ভত আলোকপাত কৰে বিজেপি মহিলা মৰ্চাৰ জ্যেষ্ঠ কাৰ্যকৰ্তা তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লাহৰী বৰা হাজৰিকাই।

# বাগ্‌সাৰ হজুৱাত জিলা স্বাস্থ্য বিভাগৰ 'উদ্যোগত আয়ুষ্মান ভাৰত দিৱস' উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২৬ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত যোৱা ২৩ ছেপ্টেম্বৰত আয়ুষ্মান ভাৰত দিৱস উদ্‌যাপন উপলক্ষে জিলাখনৰ হজুৱাত থকা ককলাবাৰী চাপাগুৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিশু, গৰ্ভৱতী মাতৃ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকৰ এটি বিনামূলীয়া স্বাস্থ্য সেৱা শিবিৰ অনুষ্ঠিত হৈ যায়। এই শিবিৰত তেজৰ গ্ৰুপ পৰীক্ষা, মূত্ৰ পৰীক্ষা, হেপাটাইটিছ বি আৰু ভিডিআৰএল পৰীক্ষা আদি সম্পন্ন কৰা হয়। শিশুৰ বিভিন্ন ৰোগৰ লগতে দৃষ্টি, শ্ৰৱণ, মেলেৰিয়া, টিবি, বিভিন্ন সংক্ৰামক ৰোগৰ পৰীক্ষা আৰু চিকিৎসা প্ৰদানৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। এই স্বাস্থ্য সেৱা শিবিৰত ১৫জন চিকিৎসক, এএনএম, জিএনএম নাৰ্ছসহ ৭০ গৰাকী স্বাস্থ্য কৰ্মীয়ে প্ৰায় ৪০০জন ৰোগীক চিকিৎসা প্ৰদান কৰে। ইয়াৰ আগেয়ে 'আয়ুষ্মান ভাৰত দিৱস' উপলক্ষে উলিওৱা সজাগতামূলক শোভাযাত্ৰাটো পতাকা জোঁকাৰি উদ্বোধন কৰে বাগ্‌সা জিলাৰ উপায়ুক্ত মাচান্দা মেগদালিন পাৰ্টিন আৰু এমচিএলএ মণ্টু বড়োৱে। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত বাগ্‌সা জিলাৰ উপায়ুক্ত এম এম পাৰ্টিনে ভাষণ আগবঢ়াই চৰকাৰৰ স্বাস্থ্য সেৱাৰ বিভিন্ন সুবিধাসমূহ গ্ৰহণ কৰিবলৈ ৰাইজলৈ আহ্বান জনায় আৰু আয়ুষ্মান ভাৰত দিৱস উদ্‌যাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে। অতিৰিক্ত উপায়ুক্ত ভণ্টী তালুকদাৰ, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ মনোজ দাস, গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ হিৰণ্য ডেকা, কে চি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ গৰ্গেশ্বৰ বড়ো আৰু অৱসৰপ্ৰাপ্ত শিক্ষক অনিল কুমাৰ ঠাকুৰীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে। এই উপলক্ষে অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত দিলৌন দৈমাৰীয়ে প্ৰথম, লৈথৌন বড়োৱে দ্বিতীয় আৰু জিনছন বড়োৱে তৃতীয় আৰু চিত্ৰাংকন প্ৰতিযোগিতাত লৈথৌন বড়োৱে প্ৰথম, সুমন বসুমতাৰীয়ে দ্বিতীয় আৰু জিমন বড়োৱে তৃতীয় স্থান লাভ কৰে।

# মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত বদতিত সাধাৰণ সুবিধা কেন্দ্ৰ উদ্বোধন



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৬ ছেপ্টেম্বৰ ঃ** বিহপুৰীয়াৰ দক্ষিণ প্ৰান্তত অৱস্থিত বদতিত কালি মিচিং স্বায়ত্তশাসিত পৰিষদৰ পুঁজিৰে নিৰ্মাণ কৰা সাধাৰণ সুবিধা কেন্দ্ৰটোৰ লগতে খকন্দগুৰি সাৰ্বজনীন দুৰ্গা মন্দিৰৰ দ্বাৰ মুকলি কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই। আয়তীৰ উৰুলি আৰু মংগলধ্বনিৰে সুবিধা কেন্দ্ৰ আৰু দুৰ্গা মন্দিৰৰ দ্বাৰ উন্মোচনৰ পাছতে পৰিষদৰ ২৫ নম্বৰ ডিক্ৰুং পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য দিলীপ পেগুৰ সভাপতিত্বত উদ্বোধনী সভাখন অনুষ্ঠিত হয়। টিএমপিকেৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন কাৰ্যকৰী সদস্য কিৰণ দলে আৰু টিএমপিকেৰ বিহপুৰীয়া জিলা সমিতিৰ সভাপতি পূণ্যভৰত লাগাচুৱে আঁত ধৰা সভাত পৰমানন্দ চায়েঙীয়াই বক্তব্য ৰাখি পৰিষদে মিচিং জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি আগন্তুক বৰ্ষত প্ৰতিটো পৰিষদীয় সমষ্টিতে একোটাকৈ সাধাৰণ সুবিধা কেন্দ্ৰ স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ ৰাইজৰ বাবে ধাৰ্য কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ মিচিং জনগোষ্ঠীয় ৰাইজক আহ্বান জনায়। সভাত বিহপুৰীয়াৰ স্থানীয় বিধায়ক ড° অমিয় কুমাৰ ভূঞা, পৰিষদৰ কাৰ্যবাহী সদস্য ক্ৰমে উমা পাঠৰি, ত্ৰৈলোক্য পামেগাম আৰু বদতি জামুগুৰি গাঁও পঞ্চায়তৰ সভাপতি ভৰেন হাজৰিকা আৰু আঞ্চলিক সদস্যা চানিয়া দলেয়ে ভাষণ প্ৰদান কৰে।




*নলবাৰীত বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপনৰ দৃশ্য।*

# শিৱসাগৰত বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত বামুণপুখুৰী চাহ বাগিচাত আৰু গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত সৰাগুৰি গাঁৱৰ আজানপীৰ দৰগাহৰ চৌহদত দুটা স্বাস্থ্য পৰীক্ষা শিবিৰ তথা 'স্বাস্থ্য পৰীক্ষা শিবিৰ-২' অনুষ্ঠিত হয়। নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই বামুণপুখুৰী চাহ বাগিচাত অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰটো উদ্বোধন কৰে আৰু আজানপীৰ দৰগাহৰ চৌহদত অনুষ্ঠিত শিবিৰটো উদ্বোধন কৰে গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ মাখন কলিতাই। দুয়োটো স্বাস্থ্য পৰীক্ষা শিবিৰতে ভালেসংখ্যক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। নাক-কাণ-ডিঙিৰ ৰোগৰ বিশেষজ্ঞ, স্ত্ৰী আৰু প্ৰসূতি ৰোগৰ বিশেষজ্ঞ, শিশুৰোগৰ বিশেষজ্ঞ, ঔষধ বিশেষজ্ঞ, মানসিক ৰোগৰ বিশেষজ্ঞ আদিৰ লগতে আয়ুৰ্বেদিক, হোমিঅ'পেথিকৰ চিকিৎসক আৰু ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটৰ চিকিৎসক, ১০৪ সেৱা গোট উপস্থিত আছিল। শিবিৰকেইটাত ৰোগীসকলক স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয় আৰু ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটৰ জৰিয়তে বিনামূলীয়া লেব'ৰেটৰী সেৱা আগবঢ়ায়। এই শিবিৰ দুয়োটাতে দুয়োটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া তথা গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ ছালমা বেগম আৰু গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া মাখন কলিতা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান শিৱসাগৰৰ ডিপিএমউ আৰু বিপিএমউৰ সদস্যসকল, সামূহিক স্বাস্থ্য বিষয়াসকল, এএনএম, আশাকৰ্মীসকল উপস্থিত থাকে।

# ভাওৰাগুৰিত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৬ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীত আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত এক সাধাৰণ সভা অনুষ্ঠিত হয়। উল্লেখ্য যে এবিএমছুৰ ভাওৰাগুৰী আঞ্চলিক সমিতিৰ বহুকেইজন বিষয়ববীয়াই পদোন্নতি হৈ জিলা কমিটীত অন্তৰ্ভুক্ত হোৱাৰ বাবে আঞ্চলিক কমিটীখনৰ খালী থকা পদসমূহ আজি এবিএমছুৰ গোসাঁইগাঁও জিলাৰ সভাপতি ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সাধাৰণ সভাৰ জৰিয়তে পূৰণ কৰি পূৰ্ণাংগৰূপে ৫১ জনীয়া এখন আঞ্চলিক সমিতি গঠন কৰা হয়। এই সমিতিখনে ভাওৰাগুৰী আঞ্চলিকৰ অন্তৰ্গত প্ৰতিখন বিদ্যালয়ত গৈ শিক্ষাৰ অগ্ৰগতিৰ বুজ লৈ শিক্ষাৰ ওপৰত এখন সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ উপৰি সমাজৰ পৰা বাল্য বিবাহ, অন্ধবিশ্বাস-কুসংস্কাৰ ৰোধ কৰাৰ বাবে কাম কৰি যাব। আজিৰ সভাত এবিএমছুৰ কেন্দ্ৰীয় উপ-সভাপতি আলী আজম শ্বেখ, সাংগঠনিক সম্পাদক মনোৱাৰ হুছেইন, জিলা সম্পাদক আব্দুল শ্বেখ উপস্থিত থাকে।

# আজাৰাৰ ভিআইপি এছত 'বিশ্ব ফাৰ্মাচী দিৱস' উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৬ ছেপ্টেম্বৰ ঃ** আজাৰাস্থিত ফাৰ্মাচী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাছিউটিকেল ছায়েন্সৰ প্ৰতিষ্ঠান চৌহদত প্ৰতিষ্ঠানখনৰ সমূহ শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত 'বিশ্ব ফাৰ্মাচী দিৱস' উদ্‌যাপন কৰা হয়। গোটেই বিশ্বজুৰি পালন কৰা ফাৰ্মাচী দিৱসৰ এইবাৰৰ বিষয়বস্তু আছিল 'ফাৰ্মাচী ইউনাইটেড একছন ফ'ৰ এ হেলথিয়াৰ ওৱাৰ্ল্ড'। শ্ৰীমন্ত শংকৰ একাডেমীৰ সভাপতি ৰাতুল দাসৰ দ্বাৰা পতাকা উত্তোলন আৰু উদ্বোধন কৰা হয়। ইয়াৰ পাছত বৰ্তমানৰ পৰিস্থিতিত ফাৰ্মাচিষ্টসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায় প্ৰতিষ্ঠানখনৰ অধ্যক্ষ ড° পি মালাইৰাজনে। অনুষ্ঠানত অতিথিৰূপে উপস্থিত থকা দুজনকৈ ব্যক্তি ক্ৰমে গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতালৰ ফাৰ্মাচী প্ৰতিষ্ঠানৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা নেমকেয়াৰ ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল ছায়েন্সৰ বৰ্তমানৰ সহযোগী অধ্যাপক সুকিৰতি দাস আৰু 'পিওৰ এণ্ড কিউৰ প্ৰাইভেট লিমিটেড'ৰ প্লাণ্ট হেড দিলীপ কুমাৰ গুপ্তাই ফাৰ্মাচী দিৱসৰ তাৎপৰ্য আৰু এইবাৰৰ বিষয়বস্তুৰ ওপৰত এক মনোগ্ৰাহী ভাষণ আগবঢ়ায়। ইয়াৰ উপৰি বিশ্ব ফাৰ্মাচী দিৱসৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানখনৰ 'দৰ্পণ' শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। অনুষ্ঠানৰ শেষত প্ৰতিষ্ঠানখনৰ জ্যেষ্ঠ অধ্যাপিকা ড° স্মৃতিৰেখা চন্দ দাসে উপস্থিত সকলোকে প্ৰতিষ্ঠানখনৰ হৈ শলাগৰ শৰাই আগবঢ়ায়। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# লেখিকাৰ জীৱনপঞ্জীৰ বাবে তথ্য আহ্বান

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২৬ ছেপ্টেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে ২৯ সংখ্যক দ্বি-বাৰ্ষিক শিৱসাগৰ অধিবেশনৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাৰ লেখিকাসকলৰ এক সংক্ষিপ্ত জীৱনপঞ্জী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লৈছে। এই উপলক্ষে শিৱসাগৰ জিলাৰ সকলো লেখিকাৰ জীৱন আৰু তথ্যসমূহ পহিলা অক্টোবৰৰ ভিতৰত ৭৮৯৯৯১৭৯৬৬ অথবা ৮৩৮৭৮৪৩৪৮ নম্বৰত হোৱাটছএপ যোগে প্ৰেৰণা কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। সবিশেষ তথ্যৰ বাবে মণিমালা দত্তক ৮০১১৬৭২৬৭১ অথবা ৭৩৯৯৯১৭৯৬৬ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# শিৱসাগৰত শতাধিক কংগ্ৰেছ আৰু অন্য দলৰ বিষয়ববীয়াৰ বিজেপিত যোগদান

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি কংগ্ৰেছকে ধৰি আন কে'বাটাও ৰাজনৈতিক দলৰ ডেৰ শতাধিক নেতা-কৰ্মীয়ে যোগদান কৰে বিজেপি দলত। বিজেপিৰ নীতি-আদৰ্শ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাম-কাজৰ প্ৰতি আকৃষ্ট হৈ প্ৰদেশ মহিলা কংগ্ৰেছৰ ৰাজ্যিক সাধাৰণ সম্পাদিকা গীতা সৌহানকে আদি কৰি বহু কংগ্ৰেছ বিষয়ববীয়া আৰু অন্য দলৰ অৰ্ধ শতাধিক লোকে আজি বিজেপিত যোগদান কৰে। আজিৰ যোগদান কাৰ্যসূচীৰ আঁত ধৰে জিলা বিজেপিৰ উপ-সভাপতি তন্ময় শইকীয়াই। আদৰণি ভাষণ প্ৰদান কৰে জিলা সভাপতি তথা যুৱ নেতা ময়ূৰ বৰগোহাঁইয়ে। যোগদান সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, থাওৰাৰ বিধায়ক সুশান্ত বৰগোঁহাই, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী, সহঃ মুখপাত্ৰ সুভাষ দত্তকে ধৰি বিজেপিৰ ভালেকেইজন শীৰ্ষ নেতা উপস্থিত থাকে। সভাত দলত নতুনকৈ যোগদান কৰাসকলক একোখনকৈ গামোচা, দলীয়া প্ৰতীক গামোচা আৰু টুপী প্ৰদান কৰা হয়। সভাত বিজেপিৰ নেতাসকলে আজি দলত যোগদান কৰা সকলক দলৰ নীতি-আদৰ্শক লৈ কাম কৰি যাবলৈ আহ্বান জনায়।

# অসম মহিলা কবি মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৬ ছেপ্টেম্বৰ ঃ** অসম মহিলা কবি মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ কালি সফল সামৰণি পৰে। কালি তৃতীয় দিনা বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত সদৌ অসম মহিলা কবি মঞ্চৰ সভানেত্ৰী ড° সুখ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় মহিলা কবি মঞ্চৰ মুকলি সভা। মহিলা কবি মঞ্চৰ বিশ্বনাথ চাৰিআলি শাখাৰ সৌজন্যত অনুষ্ঠিত অনুষ্ঠানত বিশ্বনাথ চাৰিআলিৰ বয়োজ্যেষ্ঠা মহিলা তথা সমাজকৰ্মী হেমী বৰুৱা, বিশিষ্ট লেখিকা নীলিমা হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা লেখিকা তিলোত্তমা গোস্বামী, বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কনকলতা নেওগক সম্বৰ্ধনা জনোৱাৰ লগতে বিশ্বনাথ চাৰিআলিৰ প্ৰথম মহিলা সাংবাদিক, সাহিত্যিক পেঞ্চনাৰ স্বৰ্ণ হাজৰিকাক মৰণোত্তৰভাৱে সম্বৰ্ধনা জনায়। বিউটি ফুকন গগৈ আৰু পুষ্পা গগৈয়ে আঁত ধৰা কালিৰ মুকলি সভাত সদৌ অসম মহিলা কবি মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ স্মৃতিগ্ৰন্থ 'স্মৃতি মাধুৰী' উন্মোচন কৰে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। ইয়াৰ পাছতে সদৌ অসম মহিলা কবি মঞ্চৰ মুখপত্ৰ 'প্ৰবাহিনী' উন্মোচন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে। আনহাতে, বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ৰচিত তথা সদৌ অসম প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত কাব্যগ্ৰন্থ 'এজাৰ ফুলিলে ক'বা আকৌ আহিম' উন্মোচন কৰে বিশ্বনাথৰ অতিৰিক্ত উপায়ুক্ত ড° সূৰ্য কমল বৰাই। কালিৰ মুকলি সভাত মুখ্য অতিথিৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকা, বিশিষ্ট অতিথিৰূপে দৰং মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপিকা ড° স্বপ্নালী কাকতি, নিৰ্দিষ্ট বক্তাৰূপে দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° স্বাধীনতা মহন্ত উপস্থিত থকাৰ লগতে চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভানেত্ৰী তথা সদৌ অসম লেখিকা সমাৰোহৰ সম্পাদিকা মনোমতী কুৰ্মী, সদৌ অসম লেখিকা সমাৰোহৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া, মামণি ভূঞা আৰু বহুকেইগৰাকী মহিলা উপস্থিত থাকে। ইফালে, কালি অনুষ্ঠিত সদৌ অসম মহিলা কবি মঞ্চৰ বিষয় বাছনি সভাত আগন্তুক কাৰ্যকালৰ বাবে ড° স্বাধীনতা মহন্তক সভানেত্ৰী, পুষ্পা গগৈ আৰু গীতাঞ্জলি বৰা বৰদলৈক কাৰ্যকৰী সভানেত্ৰী আৰু বিউটি ফুকন গগৈক প্ৰধান সম্পাদিকাৰূপে নিৰ্বাচিত কৰি ৪০ জনীয়া এখন সমিতি গঠন কৰা হয়। ইফালে, কালি পুৱা সদৌ অসম মহিলা কবি মঞ্চৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই বিশ্বনাথৰ আকাশ-বতাহ মুখৰিত কৰি তোলে।

# চিৰাঙৰ বড়ো বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ মহালয়া পূজা

**অগ্ৰদূত ব্যুৰ**
**বঙাইগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** চিৰাঙৰ বিজনীৰ বড়োবাজাৰত কালিৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত হৈছে ৭৩ সংখ্যক মহালয়া পূজা আৰু মেলা। তদুপলক্ষে বড়োবাজাৰস্থিত মহালয়া মন্দিৰত সম্পূৰ্ণ বৈদিক ৰীতি-নীতিৰে অনুষ্ঠিত কৰা হয় মহালয়াৰ পূজা-অৰ্চনা। বড়োবাজাৰ মহালয়া পূজা কমিটীৰ উদ্যোগত অনুষ্ঠিত এই পূজা আৰু মেলাত থাকিব বড়ো ভাষাৰ ভ্ৰাম্যমাণ থিয়েটাৰ 'আলায়াৰণ'ৰ লগতে বিভিন্ন ঠাইৰ পৰা অহা বিভিন্ন ধৰণৰ বিপণী। ইফালে, এই মহালয়া পূজা আৰু মেলাত মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে বড়োবাজাৰ ৰেলফেয়াৰ কমিটীৰ সভাপতি প্ৰবীণ কুমাৰ ব্ৰহ্মই। পূজা আৰু মেলা কমিটীৰ কাৰ্যালয় মুকলি কৰে বড়োবাজাৰ ইউনিট এবছুৰ সভাপতি কেজেং নাৰ্জাৰীয়ে। মন্দিৰৰ দ্বাৰ মুকলি কৰে পূজা আৰু মেলা কমিটীৰ উপদেষ্টা কাতিমল গয়াৰীয়ে।

# ডিমৌ আদৰ্শ চিকিৎসালয়ত চিকিৎসকৰ গাফিলতিত নৱজাতকৰ মৃত্যুৰ অভিযোগ ঃ এজাহাৰ দাখিল

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌ আদৰ্শ চিকিৎসালয়ত যোৱা ২০ ছেপ্টেম্বৰৰ পৰা চিকিৎসালয়খনত ভৰ্তি হৈ আছিল উজনি বৰুৱাচাংমাই গাঁৱৰ ৰাজু কৈৰীৰ পত্নী মণিকা কৈৰী (২২) নামৰ এগৰাকী প্ৰসূতি। আজি পুৱা প্ৰায় ন বজাত এটি ল'ৰ সন্তান জন্ম দিয়াৰ পাছতে সদ্যজাত সন্তানটিৰ মৃত্যু হয় বুলি আদৰ্শ চিকিৎসালয়খনৰ চিকিৎসাকৰ্মীয়ে পৰিয়ালৰ লোকক অৱগত কৰে। ইয়াৰ পাছতে স্বামী ৰাজু কৈৰীয়ে চিকিৎসকৰ অবিহনেই প্ৰসূতিক, নাৰ্ছ আৰু চাফাই কৰ্মীয়ে প্ৰসৱ কৰোৱাৰো অভিযোগ তুলি সংবাদ কৰ্মীৰ সন্মুখত কান্দি কান্দি কয় যে মোৰ পৰিয়ালৰ লগত যি ঘটনা সংঘটিত হ'ল তেনে ঘটনা যেন আৰু কাৰো লগতে নহওঁক। লগতে দুৰ্ভগীয়া পৰিয়ালটোৱে ঘটনাৰ সন্দৰ্ভত দোষীসকলৰ বিৰুদ্ধে উচিত শাস্তিৰ দাবী জনায়। উল্লেখনীয় যে ইয়াৰ পূৰ্বেও ডিমৌ আদৰ্শ চিকিৎসালয়ৰ প্ৰসূতি বিভাগৰ চিকিৎসকজনৰ বিৰুদ্ধে প্ৰসূতিসকলক দুৰ্ব্যৱহাৰ কৰাাৰ অভিযোগ উত্থাপন হৈছিল। ইয়াৰোপৰি চিকিৎসকগৰাকীয়ে প্ৰসূতিসকলক নিৰ্দিষ্ট কৰি দিয়া আল্ট্ৰাচ'ন'গ্ৰাফী চেণ্টাৰত আল্ট্ৰাচাউণ্ড নকৰালে ৰিপ'ৰ্ট দলিয়াই দিয়াৰো অভিযোগ উত্থাপন কৰিছিল একাংশ প্ৰসূতিয়ে। এই চিকিৎসকগৰাকীৰ বিৰুদ্ধে এতিয়া শূন্য সহনশীল চৰকাৰখনৰ স্বাস্থ্য বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব। অৱশ্যে বাতৰি লিখা পৰলৈকে চিকিৎসকজনৰ মতামত জানিব পৰা হোৱা নাই।

# সুৱনখাটা হাইস্কুলৰ প্ৰশংসনীয় পদক্ষেপ ঃ বিশ্ব নদী দিৱস পালন




**অগ্ৰদূত বাৰ্তা**
**বৰমা, ২৬ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা বিশ্ব নদী দিৱসৰ অংশৰূপে বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত সুৱনখাটা হাইস্কুলৰ এনচিচি গোটৰ লগতে বিদ্যালয় পৰিচালনা সমিতি আৰু উত্তৰকুছিস্থিত ৬৪ নম্বৰ এছএছবিয়ে ৰূপায়ণ কৰে চাফাই অভিযান। হাইস্কুলখনৰ এনচিচি গোটৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে পাগলাদিয়া নদীৰ পৰা সুৱনখাটাৰ মাজেৰে বৈ অহা জোপাদোং সুঁতিৰ আৱৰ্জনা চাফা কৰে। প্ৰণিধানযোগ্য যে জিলাখনৰ সুৱনখাটা অঞ্চলৰ ৰাইজে বছৰ বছৰ ধৰি পাগলাদিয়া নদীত বান্ধ দি সুঁতি বা ডোঙেৰে পানী বোৱাই আনি ঘৰুৱা কাম-কাজত ব্যৱহাৰ কৰি আহিছে। কিন্তু সুৱনখাটাৰ মাজেৰে বৈ অহা সুঁতিটো বিভিন্ন আৱৰ্জনাৰে ভৰি থকাত আজি সুৱনখাটা হাইস্কুলৰ এনচিচি গোটে বিশ্ব নদী দিৱস উপলক্ষে এই চাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। চাফাই অভিযানৰ আগে আগে ছাত্ৰ-ছাত্ৰীসকলে সুৱনখাটাত সজাগতা অনাৰ বাবে এক সমদলো উলিয়ায়।

# ডিগবৈত ৰক্তদান শিবিৰ

**ডিগবৈ, ২৬ ছেপ্টেম্বৰ ঃ** ৰক্তদান জীৱন দান এই বাক্যশাৰী মহান উদ্দেশ্যক সাৰোগত কৰি তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈৰ ৰটাৰী ক্লাবৰ (আৰ আই ডি ৩২৪০) উদ্যোগত ডিগবৈ ৰ'টাৰেক্ট ক্লাব আৰু ডিগবৈ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সহযোগত তথা ডিগবৈ সামূহিক স্বাস্থ্যসেৱা কেন্দ্ৰ আৰু জিলা স্বাস্থ্য বিভাগৰ সমৰ্থনত আজি এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ডিগবৈ মূলাবাৰীস্থিত সেউজ প্ৰকল্প প্ৰাংগণত অনুষ্ঠিত ৰক্তদান শিবিৰত ডিগবৈস্থিত ভাৰতীয় সেনাবাহিনী, ৰাষ্ট্ৰীয় সেৱা যোজনা (এনএছএছ, ৰটাৰী ক্লাবৰ সদস্য আৰু স্থানীয় ব্যক্তিয়ে স্ব-ইচ্ছাৰে ৰক্তদান কৰে। ডিগবৈ সামূহিক স্বাস্থ্যসেৱা কেন্দ্ৰৰ ডাঃ নীহাৰিকা বৰা সোণোৱাল, ডাঃ নীজা শইকীয়াৰ তদাৰকত অনুষ্ঠিত শিবিৰত ডিগবৈ ৰটাৰী ক্লাবৰ সদস্য-সদস্যাসকলে সহযোগিতা আগবঢ়ায় ।সংগৃহীত ৰক্তসমূহ যথোপযুক্ত ব্যৱস্থাৰে পৰৱৰ্তী সময়ত তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়া হয়।

# লখিমপুৰত দেৱী দুৰ্গাৰ আগমনি মহালয়া উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** লখিমপুৰত প্ৰথমবাৰৰ বাবে মহালয়া উদ্‌যাপন সমিতিৰ উদ্যোগত দেৱীৰ আগমনি উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে মহালয়া উদ্‌যাপন কৰা হয়। উত্তৰ লখিমপুৰ খেলমাটিস্থিত ষটপূজা ঘাটত অনুষ্ঠিত অনুষ্ঠানত পুৱা ৪-৩০ বজাত তৰ্পণ কাৰ্যসূচী সমাপনৰ পাছত ধৰ্মধ্বজা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি শিশু ভাৰালে। অনুষ্ঠানত চণ্ডীপাঠ, আইনাম অনুষ্ঠিত হয়। তদুপৰি পৃথিৱীৰ সমস্ত প্ৰাণীৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ২০গৰাকী পুৰোহিতৰ শ্ৰাদ্ধ পাৰ্বণ মংগল আৰু গীতা পাঠ কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে অনুষ্ঠানত লখিমপুৰৰ ভক্তপ্ৰাণ ৰাইজে ষটপূজা ঘাটৰ পৰা ৰাওনা হৈ লখিমপুৰ নগৰৰ মাজমজিয়াৰে দেৱী আগমনিৰ বাৰ্তা প্ৰেৰণেৰে পদযাত্ৰা কৰে।





**তদন্ত নোহোৱালৈকে প্ৰধান শিক্ষকক বিদ্যালয়ৰ পৰা আঁতৰাবলৈ পৰিদৰ্শকক নিৰ্দেশ প্ৰশাসনৰ**

# মাধৱদেৱ চেমিনাৰীৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

অগ্ৰদূত বাৰ্তা
**মেলামাটি, ২৬ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ তিতাবৰ শিক্ষাখণ্ডৰ অন্তৰ্গত এলেঙীৰ মাধৱদেৱ ছেমিনাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপেন বৰুৱাৰ বিৰুদ্ধে বিদ্যালয়ৰ পুঁজি আত্মসাৎ কৰাৰ লগতে বেংকৰ চেকত সভাপতিৰ নামত জাল চহী মাৰি ধন উলিয়াই নিয়াৰ অভিযোগ কৰিছে বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি উপসভাপতি প্ৰমুখ্যে সদস্যসকলে। কেৱল পৰিচালনা আৰু উন্নয়ন সমিতিয়েই নহয়, বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ সংগঠন আৰু বিদ্যালয়ৰ অভিভাৱকসকলেও প্ৰধান শিক্ষক দ্বিপেন বৰুৱাৰ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে। প্ৰধান শিক্ষক দ্বীপেন বৰুৱাই বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি মহেন্দ্ৰ শইকীয়াৰ নামত সভাপতি বুলি জাল চহী মাৰি অসম গ্ৰামীণ বিকাশ বেংকৰ মেলামাটি শাখাৰ বিদ্যালয়ৰ একাউণ্টৰ পৰা ধন উলিয়াই নিয়ে বুলি তিতাবৰ আৰক্ষী থানাত গত তিনি আগষ্টত এজাহাৰ দাখিল কৰে বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি মহেন্দ্ৰ শইকীয়াই। আনহাতে, গত ছয় আগষ্টত বিদ্যালয়ত পৰিচালনা আৰু উন্নয়ন সমিতিৰ উদ্যোগত অভিভাৱক আৰু স্থানীয় ৰাইজৰ উপস্থিতিত পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতিৰ ১৩ পৃষ্ঠাত চাওক



নাহৰকটীয়াত অনুষ্ঠিত কৰম সন্মিলনত অংশগ্ৰহণকাৰীৰ একাংশ, সোমবাৰে।

## ঐতিহাসিক গোপাল আতা সত্ৰত বেদখল

**স্মাৰকপত্ৰ প্ৰদানৰ পাছতেই তাৎক্ষণিক সঁহাৰি অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ**

অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ২৬ ছেপ্টেম্বৰ ঃ** ঐতিহাসিক গোপাল আতা সত্ৰৰ বেদখলী ভূমি উচ্ছেদৰ বাবে আবেদন জনোৱাৰ পাছতেই বিষয়টোলৈ তাৎক্ষণিকভাৱে সঁহাৰি জনাইছে অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগে। ইতিমধ্যে গোপাল আতা সত্ৰ পৰিচালনা কমিটীৰ সভাপতি ধীৰেন্দ্ৰ নাথ বৰ্মনৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে যোৱা ২৩ ছেপ্টেম্বৰত বজালী জিলাৰ উপায়ুক্ত কাৰেৰী বি শৰ্মাৰ ওচৰত সত্ৰৰ অবৈধভাৱে দখল কৰা ভূমিভাগ বেদখলমুক্ত কৰাৰ দাবীত এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। তদুপৰি এই স্মাৰকপত্ৰৰ প্ৰতিলিপি ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰৰ লগতে অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগলৈও প্ৰেৰণ কৰিছিল। আনহাতে, স্মাৰকপত্ৰ পোৱাৰ পাছতেই আয়োগে বিষয়টোলৈ তাৎক্ষণিকভাৱে সঁহাৰি জনায়। নিশাই অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাই বজালী জিলাৰ উপায়ুক্তলৈ এখন পত্ৰ প্ৰেৰণ কৰে আৰু ২০১৯ৰ সংশোধিত 'আছাম লেণ্ড এণ্ড ৰেগুলেচন এক্টৰ ১৭৪ (এ) আৰু (বি) ধাৰা অনুযায়ী বেদখলীকৃত মাটি উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে। উল্লেখ্য যে ইয়াৰ পূৰ্বে বিগত ৩১ জুলাইত অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ হাজৰিকাৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে সত্ৰখনলৈ আহি চৰজমিন তদন্তৰ অন্তত সত্ৰৰ ভূমিভাগ বেদখলমুক্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতিৰ ইংগিত দিছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বে সত্ৰ পৰিচালনা কমিটীৰ লগতে স্থানীয় ৰাইজে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত সত্ৰখনৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে কে'বাবাৰো দাবী উত্থাপন কৰি আহিছিল।

## দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিকটৱৰ্তী অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ২০২১ত ৭৫ টা বসন্ত গৰকিলে। সেয়ে এই বিদ্যালয়খনৰ মহাৰজত জয়ন্তী সমাৰোহ উদ্‌যাপন কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক, নগাঁও সদৰ সমষ্টি বিধায়ক ৰূপক শৰ্মাক সভাপতি, প্ৰফুল্ল চন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি আৰু লৰকান্ত শৰ্মাক সাধাৰণ সম্পাদকৰূপে লৈ ইতিমধ্যে ৭৫ জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হয়। এই সমিতিৰ সৌজন্যতে অতি উলহ-মালহেৰে যোৱা আঠ ফেব্ৰুৱাৰী ২০২১ত মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পৰৱৰ্তী সময়ত ক'ভিড-১৯ অতিমাৰীৰ বাবে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰিব পৰা নগ'ল। পুনৰ যোৱা আঠ ছেপ্টেম্বৰত বৰ্ধিত ১৩ পৃষ্ঠাত চাওক

## আগছুৰ নাহৰকটীয়া আঞ্চলিক সমিতিৰ বিশেষ কাৰ্যনিৰ্বাহ সভা

অগ্ৰদূত বাৰ্তা
**নাহৰকটীয়া, ২৬ ছেপ্টেম্বৰ ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা আগছুৰ নাহৰকটীয়া আঞ্চলিক সমিতিৰ বিশেষ কাৰ্যনিৰ্বাহক সভা কালি নাহৰকটীয়া ৰাধা কৃষ্ণ মিলন মন্দিৰ ধৰ্মশালা'ৰ প্ৰাংগণত অনুষ্ঠিত হয়। নাহৰকটীয়া আঞ্চলিক সমিতিৰ সভাপতি সূৰজ নেৱাৰে সভাপতিত্ব কৰা আৰু সাধাৰণ সম্পাদক বিনোদ ছেত্ৰীয়ে উদ্দেশ্য ১৩ পৃষ্ঠাত চাওক

## চতিয়া সমষ্টিত চাৰিটাকৈ সৰ্বশিক্ষাৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা



অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ২৬ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটৰ উত্তৰাঞ্চলত আজি সমষ্টিটোৰ বিধায়ক পদ্ম হাজৰিকাৰ আহ্বান মৰ্মে একেদিনাই চাৰিটাকৈ সৰ্বশিক্ষাৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে মূঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহালে। পুৱাই প্ৰথমে পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ গড়বিল প্ৰাথমিক বিদ্যালয়ত গৃহ নিৰ্মাণৰ আধাৰশিলাৰ উপৰি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পাছতে উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তৰ দুই নম্বৰ প্ৰাথমিক বিদ্যালয় আৰু এক নম্বৰ জয়পুৰ প্ৰাথমিক বিদ্যালয়ৰ লগতে দক্ষিণ ১৩ পৃষ্ঠাত চাওক

## দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিকটৱৰ্তী অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ২০২১ত ৭৫ টা বসন্ত গৰকিলে। সেয়ে এই বিদ্যালয়খনৰ মহাৰজত জয়ন্তী সমাৰোহ উদ্‌যাপন কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক, নগাঁও সদৰ সমষ্টি বিধায়ক ৰূপক শৰ্মাক সভাপতি, প্ৰফুল্ল চন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি আৰু লৰকান্ত শৰ্মাক সাধাৰণ সম্পাদকৰূপে লৈ ইতিমধ্যে ৭৫ জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হয়। এই সমিতিৰ সৌজন্যতে অতি উলহ-মালহেৰে যোৱা আঠ ফেব্ৰুৱাৰী ২০২১ত মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পৰৱৰ্তী সময়ত ক'ভিড-১৯ অতিমাৰীৰ বাবে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰিব পৰা নগ'ল। পুনৰ যোৱা আঠ ছেপ্টেম্বৰত বৰ্ধিত কাৰ্যনিৰ্বাহক ১৩ পৃষ্ঠাত চাওক

## আৰিকুছিত সাৰ্বজনীন দুৰ্গা পূজাৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ২৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত আৰিকুছিত এক অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ ২৯ সংখ্যক সাৰ্বজনীন দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে অমূল্য চক্ৰৱৰ্তীক সভাপতি, ফুকন বৈশ্যক কাৰ্যকৰী সভাপতি, লিকু মহন্ত আৰু বিশ্বজিৎ বৰুৱাক সম্পাদক, গৌৰৱ মহন্ত আৰু ধনজিৎ দাস (বাবু)ক সহকাৰী সম্পাদকৰূপে লৈ দুৰ্গা পূজা উদ্‌যাপন পৰিচালনা সমিতিখন গঠন কৰিছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা ধৰ্মধ্বজা উত্তোলন, পূজামণ্ডপৰ দ্বাৰ উন্মোচন, গছপুলি ৰোপণ, আতচবাজী প্ৰজ্বলন, সমূহীয়া শান্তিৰ বাবে বন্তি প্ৰজ্বলন, দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। দুই অক্টোবৰত সমূহীয়া চাফাই অভিযান, দেৱীৰ নৱপত্ৰিকা প্ৰৱেশ স্থাপন, সপ্তমী বিহিত পূজা আৰম্ভ, চণ্ডীপাঠ, ওজাপালি, আয়তীৰ নাম, চিত্ৰাংকন প্ৰতিযোগিতা, পুষ্পাঞ্জলি আৰু প্ৰসাদ বিতৰণ, ভোগ বিতৰণ, ওজাপালি, সমূহীয়া বন্তি আৰু আতচবাজী, আৰতি প্ৰদান, মঞ্চ উদ্বোধন, শ্ৰদ্ধাঞ্জলি আৰু সম্বৰ্ধনা, নাগাৰা নাম আদি আছে। তিনি অক্টোবৰত দেৱীৰ মহাষ্টমী কল্পাৰম্ভ আৰু অষ্টমী বিহিত পূজা, চণ্ডীপাঠ, ওজাপালিৰ বন্দনা পৰিৱেশন, আয়তীৰ নাম-প্ৰসংগ, পুষ্পাঞ্জলি, ভোগ বিতৰণ, ওজাপালি, সন্ধি পূজা, ধৰ্মালোচনা সভা, আৰতি, বিভিন্ন সাংস্কৃতিক গোষ্ঠীৰ নৃত্যানুষ্ঠান আৰু নৃত্য প্ৰতিযোগিতা। চাৰি অক্টোবৰত দুৰ্গাদেৱীৰ মহানৱমী কল্পাৰম্ভ আৰু মহানৱমীৰ পূজা, চণ্ডীপূজা, ওজাপালি, আয়তীৰ নাম, হোম, পূৰ্ণাহুতি, মহাশান্তি পুষ্পাঞ্জলি, ওজাপালি, আৰতি প্ৰতিযোগিতা, কুইজ, সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন আৰু আমন্ত্ৰিত শিল্পীৰ গীতৰ শৰাই। পাঁচ অক্টোবৰত দেৱীৰ দশমী পূজা, অপৰাজিতা পূজা আৰু বলয় বন্ধন, প্ৰীতি ভোজন আৰু প্ৰতিমা বিসৰ্জনৰে পূজাৰ কাৰ্যসূচীৰে অন্ত পৰিব।

## অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন নাথক সাক্ষাৎ আত্মসমৰ্পণকাৰী কে এল অ'ৰ

অগ্ৰদূত বাৰ্তা
**চিথিলা, ২৬ ছেপ্টেম্বৰ ঃ** পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত দীৰ্ঘদিন সংগ্ৰামৰ অন্তত মূলসুঁতিলৈ ঘূৰি অহা একাংশ কে এল অ'ৰ সদস্যই গঠন কৰা সংগঠন ছাৰেণ্ডাৰ কেএলঅ' এছ'চিয়েছন নামৰ এক সংগঠন জন্ম দিয়ে। বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ই এম অৰূপ কুমাৰ দেৱ নেতৃত্বত আজি ছাৰেণ্ডাৰ কে এল অ' এছ'চিয়েছনৰ এটা দল অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন নাথক সাক্ষাৎ কৰি ছাৰেণ্ডাৰ কেএলঅ'ৰ কেডাৰসকলৰ সমস্যা সমূহ সমাধানৰ বাবে আলোচনা কৰে। আজিৰ আলোচনা কালত ই এম দেৱ লগতে ছাৰেণ্ডাৰ কেএলঅ' এছ'চিয়েছনৰ সভাপতি কনকেশ্বৰ ৰায়, সাধাৰণ সম্পাদক ৰঘুদেৱ বৰ্মনৰ লগতে কে'বাজনো সদস্য উপস্থিত থাকে।

## টেঙাখাতত কাব্যালোচনী 'মন্দাক্ৰান্তা' উন্মোচন ঃ স্বৰচিত কবিতা পাঠ অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**টেঙাখাত, ২৬ ছেপ্টেম্বৰ ঃ** টেঙাখাতৰ পৰা প্ৰকাশিত কাব্যালোচনী মন্দাক্ৰান্তাৰ পঞ্চম বৰ্ষৰ প্ৰথম সংখ্যা কালি টেঙাখাত অগ্ৰগামী সংঘত আনুষ্ঠানিকতাৰে উন্মোচন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে টেঙাখাত লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী তথা বিশিষ্ট লেখিকা ফুলনী ফুকনে। কাব্যালোচনী মন্দাক্ৰান্তা উন্মোচন কৰে টেঙাখাত প্ৰেছ ক্লাবৰ সভাপতি দীপক গগৈয়ে। কাব্যালোচনী উন্মোচন কৰি দিয়া বক্তব্যত দীপক গগৈয়ে মন্দাক্ৰান্তাৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে আলোচনীখন পাঠক সমাজে আঁকোৱালি ল'ব বুলি ১৩ পৃষ্ঠাত চাওক

## দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

স্টাফ ৰিপৰ্টাৰ
**যোৰহাট, ২৬ ছেপ্টেম্বৰ ঃ** দেউৰী স্বায়ত্তশাসিত পৰিষদৰ এক নম্বৰ সমষ্টি যোৰহাটৰ নিৰ্বাচনী চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ সন্দৰ্ভত আজি উপায়ুক্ত কাৰ্যালয়ত যোৰহাটৰ ৰিটাৰ্ণিং বিষয়া তথা অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনৰ সভাপতিত্বত সকলো ৰাজনৈতিক দলৰ বিষয়ববীয়াৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সভাত লোৱা সিদ্ধান্ত অনুসৰি আজি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা মতে, যোৰহাটৰ দেউৰী স্বায়ত্তশাসিত পৰিষদৰ এক নম্বৰ সমষ্টিত চাৰিটা কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত কৰা হ'ব। সেই অনুসৰি,



ওপৰ দেউৰী এল পি স্কুলত সৰ্বমুঠ ৫৭১ (পুৰুষ ২৭৮, মহিলা ২৯৩) জন, নাম দেউৰী বালিকা বিদ্যালয়ত ৬২৪ (পুৰুষ ৩২১, মহিলা ৩০৩), নাম দেউৰী চৰকাৰী নিঃ বুঃ বিদ্যালয়ত ৫২৬ (পুৰুষ ২৮১, মহিলা ২৪৫) আৰু নাম দেউৰী এল পি স্কুলত ২৮১ (পুৰুষ ১৬৩, মহিলা ১১৮)জনে ভোটদান কৰিব পাৰিব। সভাত পশ্চিম ৰাজহ চক্ৰ বিষয়া তথা নিৰ্বাচন পঞ্জীয়ন বিষয়া পল্লৱজ্যোতি দাস, ঢেকৰগড়া উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্য কেশৱ দেউৰীৰ লগতে ৰাজনৈতিক দলৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## ছিপাঝাৰত আজি শিল্পী সম্বৰ্ধনা সভা

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ২৬ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ শংকৰ-মাধৱ নাগাৰা নাম দলৰ সৌজন্যত কাইলৈ ছিপাঝাৰস্থিত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰেক্ষাগৃহত অসমৰ তিনিগৰাকী নাগাৰা নামৰ শিল্পীক সম্বৰ্ধনা জনাব। উল্লেখ্য যে অসমৰ অন্যতম পৰিৱেশ্য কলা নাগাৰা নামৰ পাঠক কৈলাশ তালুকদাৰ, নাগাৰা নামৰ বিশিষ্ট নাগাৰা বাদক হৰেকৃষ্ণ গোস্বামী, দৰঙৰ অন্যতম নাগাৰা নামৰ পাঠক-সংগঠক দুলু বড়োলৈ সম্বৰ্ধনা জ্ঞাপন কৰিব বুলি উদ্যোক্তা সুভাষ নাথে জনাইছে।

## সৎসংগ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰত বৃক্ষৰোপণ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৬ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ সমষ্টিৰ সৎসংগ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰত আজি বিশ্বনাথ মহিলা মৰ্চাৰ উদ্যোগত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি পালন কৰা 'সেৱা পখেক'ৰ অন্যতম কাৰ্যসূচী বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচীত বিশ্বনাথ নগৰ মণ্ডলৰ সভাপতি কোযেশ্বৰ বৰা, বিশ্বনাথ নগৰ মণ্ডলৰ মহিলা মৰ্চাৰ সভানেত্ৰী, উপ-সভানেত্ৰী, বিশ্বনাথ মহিলা মৰ্চাৰ উপ-সভানেত্ৰীৰ লগতে অন্যান্য কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

## লিড়ুৰ কয়লাখনিত কৰ্মৰত অৱস্থাত মৃত্যু হোৱা আছমত আলীৰ পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণৰ দাবী

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২৬ ছেপ্টেম্বৰ ঃ** লিডুৰ কয়লা খনিত কৰ্মৰত অৱস্থাত আকস্মিকভাৱে শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাৰ চিবিআই তদন্তৰ লগতে পাঁচদফীয়া দাবীৰে গোৱালপাৰা জিলাৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে গোৱালপাৰা জিলা আমছুৱে। আমছুৰ গোৱালপাৰা জিলা কমিটীৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে আনিমূল হক চৌধুৰী আৰু আনিছুৰ আলম স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, অসমৰ বিভিন্ন প্ৰান্তৰ পৰা তিনিচুকীয়া জিলাৰ লিডুৰ কয়লা খনিত কাম কৰিবলৈ বহুতো শ্ৰমিক যায়। ইপিনে, গোৱালপাৰা জিলাৰ বগুৱান আৰক্ষী থানাৰ অন্তৰ্গত হলদীবাৰীৰ আছমত আলীয়েও তিনিচুকীয়া জিলাৰ লিডুৰ কয়লা খনিত শ্ৰমিক হিচাপে বিগত কিছুদিনৰ পৰা কাম কৰি আছিল। কিন্তু যোৱা ১৮ ছেপ্টেম্বৰত কয়লা খনিত কৰ্মৰত অৱস্থাত ১৩ পৃষ্ঠাত চাওক

**বছৰজোৰা কাৰ্যসূচীৰে সাজু দুৰ্গোৎসৱ সমিতি ঃ এক অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব দুৰ্গা পূজা**

## জাগীৰোডত শতবৰ্ষ গৰকিলে জাগী ভকতগাঁও আঞ্চলিক দুৰ্গা পূজাই

অগ্ৰদূত বাৰ্তা
**জাগীৰোড, ২৬ ছেপ্টেম্বৰ ঃ** শতবৰ্ষ গৰকা ঐতিহ্যমণ্ডিত জাগী ভকতগাঁও আঞ্চলিক শ্ৰীশ্ৰীদুৰ্গা পূজা অহা এক অক্টোবৰৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ সাজু হৈছে উদ্‌যাপন সমিতি। ১৯২৩তেই আৰম্ভ হোৱা এই জাগী ভকতগাঁও আঞ্চলিক দুৰ্গোৎসৱে এইবেলি শতবৰ্ষত ভৰি দিছে । তদুপলক্ষে জাগী ভকতগাঁও আঞ্চলিক দুৰ্গোৎসৱ উদ্‌যাপন সমিতিখনে বছৰজোৰা এক আকৰ্ষণীয় কাৰ্যসূচী গ্ৰহণ কৰি সমূহ কাৰ্যসূচীতে বৃহত্তৰ অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ অকুণ্ঠ সহায়-সহযোগ কামনা কৰিছে। গৌৰৱময় শতবৰ্ষৰ ষষ্ঠী তথা প্ৰথমদিনা পুৱা বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলনেৰে আৰম্ভ হৈ দশমীৰ অন্তিম কাৰ্যসূচীত দেৱী বিসৰ্জন আৰু ৰাৱণ দাহনেৰে সামৰণি পৰিব পাঁচদিনীয়া কাৰ্যসূচীৰ। বিগত বৰ্ষৰ দৰে এইবেলিও শতবৰ্ষ উদ্‌যাপন উপলক্ষে পাঁচোটি দিনতে এলানি আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। উলেখ্য যে শতবৰ্ষ গৰকা এই দুৰ্গামন্দিৰত অনুষ্ঠিত দুৰ্গতিনাশিনীৰ পূজাভাগ সম্পূৰ্ণ বৈদিক নীতি-নিয়ম আৰু পূজা-অৰ্চনাৰে অনুষ্ঠিত হৈ আহিছে। কাৰ্যসূচী অনুসৰি, পহিলা অক্টোবৰৰ পুৱা বন্তি প্ৰজ্বলন কৰিব শতবৰ্ষ উদ্‌যাপন সমিতিৰ উপদেষ্টা গিৰিধৰ ভূঞাই। দুৰ্গোৎসৱ সমিতিৰ ধৰ্ম ধ্বজা উত্তোলন কৰিব শতবৰ্ষ উদ্‌যাপন সমিতিৰ ১৩ পৃষ্ঠাত চাওক

**অনুষ্ঠিত হ'ব ৰাৱণ দাহনকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান**

## বৰমাত ৮৯ সংখ্যক দুৰ্গা পূজাৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
**বৰমা, ২৬ ছেপ্টেম্বৰ ঃ** বাগসা জিলাৰ ভিতৰতে লেখত ল'বলগীয়া আগশাৰীৰ বাৰোৱাৰী দুৰ্গা পূজা বৰমাত শ্ৰীশ্ৰীদুৰ্গা পূজা অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। ৮৯ সংখ্যকত পদাৰ্পণ কৰা বৰমাত দুৰ্গা পূজাৰ আয়োজনৰ বাবে ইতিমধ্যে এখন সমিতি গঠন কৰা হৈছে। অজয় দাসক সভাপতি, ভাৰত তালুকদাৰক কাৰ্যকৰী সভাপতি, ভূপেন চন্দ্ৰ কলিতাক মুখ্য সম্পাদক আৰু ভাৰত ৰাজবংশী, নৰজ্যোতি বৰ্মনক যুটীয়া সম্পাদক হিচাপে লৈ গঠন কৰা সমিতিখনে পূজাৰ ব্যাপক আয়োজনৰ বাবে দিনে-নিশাই কাম-কাজ আগবঢ়াই নিয়া পৰিলক্ষিত হৈছে। পূজা উপলক্ষে বাঁহ শিল্পৰ স্থানীয় শিল্পীৰে মৰা পাগলাদিয়া নদীত বাঁহৰ দলং, চিৰিয়াখানা, পাৰ্ক, ডাইন'চৰৰ আতংক, এশ ফুট উচ্চতাৰ ৰাৱণ বধ, চিনেমা প্ৰদৰ্শন চাৰ্কাচ, সাংস্কৃতিক অনুষ্ঠান, স্মৰণিকা প্ৰকাশ আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা বুলি উদ্যোক্তাসকলে জনাইছে। সমিতিয়ে প্ৰকাশ কৰা ১৩ পৃষ্ঠাত চাওক

**প্ৰশাসন, আছু-অ' এন জি চিৰ ত্ৰিপাক্ষিক বৈঠক**

## সাময়িকভাৱে স্থগিত শিৱসাগৰ আছুৰ অ' এন জি চি বন্ধ কাৰ্যসূচী

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২৬ ছেপ্টেম্বৰ ঃ** অ' এন জি চিৰ অসম সম্পদৰ ভিতৰচ'ৰাত গা কৰি উঠা অনা-অসমীয়া লবীৰ মইমতালি আৰু প্ৰতিষ্ঠানটিৰ অসম বিৰোধী স্থিতিৰ বিৰুদ্ধে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই ২৭ ছেপ্টেম্বৰৰ পুৱা ৫ বজাৰ পৰা আহ্বান কৰা ৪৮ ঘন্টীয়া অ' এন জি চি বন্ধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখিছে। আছু ঘোষিত বন্ধ কাৰ্যসূচী সন্দৰ্ভত জিলা প্ৰশাসনৰ দুই প্ৰতিনিধি অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ,নাজিৰা মহকুমাৰ মহকুমাধিপতি অতিৰিক্তি উপায়ুক্ত সব্যসাচী কাশ্যপ, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াৰ নেতৃত্বত যোৱা সঁজাতী দল আৰু অ' এন জি চি অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক তথা সম্পদ পৰিচালক ৰাজেশ কুমাৰ শৰ্মা সহ নিগমৰ উচ্চস্তৰীয় বিষয়াবৰ্গৰ উপস্থিতিত অনুষ্ঠিত হোৱা এক আলোচনাত অ' এন জি চিয়ে আছুৰ কেইবাটিও দাবী ১৩ পৃষ্ঠাত চাওক

## অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতি গঠন ঃ বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ২৬ ছেপ্টেম্বৰ ঃ** অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতিৰ পুৰ্ণাংগ সমিতিখন কালি গোলাঘাটৰ হোটেল অভিনন্দনৰ সভাগৃহত গঠন কৰা হয়। কেন্দ্ৰীয় সভাপতি যাদৱ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত সহঃসচিব আকাশ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰাৰ শতাধিক লোকৰ উপস্থিতিত গঠিত হয় ৩১ জনীয়া জিলা সমিতি। বিভিন্ন গুৰুত্বপূৰ্ন প্ৰস্তাৱ গ্ৰহণ কৰা সভাখনত পৰেশ হাজৰিকাক সভাপতি আৰু কৃষ্ণম সন্দিকৈক সচিব ৰূপে লৈ গোলাঘাট জিলা সমিতি গঠন কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সচিব সঞ্জীৱ হাজৰিকা, সহঃসাংগঠনিক সচিব পংকজ বৰা, প্ৰচাৰ সচিব সঞ্জয় চক্ৰৱৰ্তী, কাৰ্যনিৰ্বাহক সদস্য চিৰঞ্জীত বৰদলৈ আৰু দিপাংকৰ নাথ উপস্থিত থাকে। আজি বিভিন্ন জ্বলন্ত সমস্যাৰ ওপৰত আপোচবিহীন সংগ্ৰাম অব্যাহত ৰাখিব বুলি এক বিবৃতিৰ জৰিয়তে অসমীয়া যুৱ মঞ্চৰ সাংগঠনিক সচিব সঞ্জীৱ হাজৰিকাই জানিবলৈ দিয়ে।

## মাজুলী মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ কৰ্মচাৰী পদ্মেশ্বৰ শইকীয়াৰ গ্ৰন্থদান



অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** প্ৰতিষ্ঠাৰ গৌৰৱোজ্জ্বল ৬০টা বৰ্ষ অতিক্ৰম কৰা নদীদ্বীপ মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ে ২০১৬ৰ আঠ অক্টোবৰৰ পৰা মহাবিদ্যালয়খনৰ পুথিভঁৰাললৈ গ্ৰন্থ সংগ্ৰহৰ বাবে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ বিভিন্ন প্ৰান্তৰ লোকে মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ দানস্বৰূপে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যা ইতিমধ্যে ২২ হেজাৰৰ অধিক হৈছেগৈ। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মাজুলী মহাবিদ্যালয়ৰ কৰ্মচাৰী পদ্মেশ্বৰ শইকীয়া আৰু তেওঁৰ পুত্ৰ শইকীয়াই মহাবিদ্যালয়ৰ অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰলৈ গ্ৰন্থ ক্ৰয়ৰ উদ্দেশ্যে নগদ ২০ হেজাৰ টকা আগবঢ়ায়। দাতা কৰ্মচাৰীজনৰ পৰা দান গ্ৰহণ আৰু তেওঁক কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যে ১৩ পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত বিজেপিৰ চৰাইবিল মহিলা মণ্ডলৰ উদ্যোগত দীনদয়াল উপাধ্যায়ৰ জন্ম দিৱস পালন

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** একাত্ম মানৱতাবাদৰ প্ৰণেতা, মাৰ্গ দৰ্শক, ৰাষ্ট্ৰভক্ত, ৰাজনৈতিক কৰ্মযোগী, দক্ষ সংগঠক আদি বহু গুণৰ অধিকাৰী, ১৯১৫ৰ ২৫ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা সু-সন্তান পণ্ডিত দীনদয়াল উপাধ্যায়ৰ পবিত্ৰ জন্ম দিৱস সমগ্ৰ দেশৰ লগতে চৰাইবিল মণ্ডল মহিলা মৰ্চাৰ ৪০ নম্বৰ বুথতো আজি উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন তথা পুষ্পমাল্য অৰ্পণেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰে মণ্ডলৰ উপ-সভানেত্ৰী মৃণালিনী ডেকা কলিতাই। ইয়াৰ পাছতে সমবেত সকলোৱে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম' পৰিৱেশন কৰে আৰু একাদিক্ৰমে পুষ্পাঞ্জলি প্ৰদান কৰি তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত সমল ব্যক্তিৰূপে অতিথি শংকৰ চৌধুৰীয়ে উপাধ্যায়ৰ জীৱন দৰ্শনৰ ওপৰত ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতে আৰম্ভ হয় প্ৰতি মাহৰ অন্তিমটো দেওবাৰে অনুষ্ঠিত হোৱা ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মোদীজীয়ে দেশবাসীৰ উদ্দেশ্যে প্ৰদান কৰা ভাষণ 'মন কী বাত' অনুষ্ঠান। উল্লেখ্য যে অনুষ্ঠানৰ স'তে সংগতি ৰাখি বৃক্ষৰোপণৰ এক কাৰ্যসূচীও ৰূপায়িত কৰা হয়।

# পীড়াকটা চমুৱা গাঁৱত চুলাই মদৰ ঘাটি উচ্ছেদ



অগ্রদূত বাৰ্তা

**জাঁজী, ২৬ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত পীড়াকটা চমুৱা গাঁৱত আজি এটা বৃহৎ চুলাই মদৰ ঘাটি ভাঙি লণ্ডভণ্ড কৰে। তাৎপৰ্যপূৰ্ণ বিষয় যে যি সময়ত অবৈধ চুলায়ে বহুতৰ সংসাৰ ধ্বংস হোৱাৰ লগতে টীয়কৰ বহু অঞ্চলত অবৈধভাৱে গঢ় লৈ উঠা চুলাই মদৰ ঘাটিয়ে সৰ্বস্বান্ত কৰিছে বহু পৰিয়ালক। অৱশ্যে পূৰ্বতকৈ এনে ক্ষেত্ৰত বহু সক্ৰিয় হৈছে প্ৰশাসন। তথ্য মতে এক বিশেষ সুত্ৰৰ পম খেদি টীয়ক আৰক্ষী ক্ষিপ্ৰ অভিযানত চমুৱা গাঁৱৰ প্ৰকাশ দুৱৰা আৰু বিজয় দুৱৰাৰ বাৰীৰ মাটিৰ তলত পুতি থোৱা অৱস্থাৰ পৰা প্ৰায় ৫০০ লিটাৰৰো অধিক চুলাই উদ্ধাৰ কৰাৰ লগতে প্ৰস্তুত কৰি থকা বহু পৰিমাণৰ চুলাই নষ্ট কৰে। উল্লেখ্য যে এই ভাটিটোত আগন্তুক পূজাৰ বতৰত বিক্ৰীৰ বাবে বুজন পৰিমাণে চুলাই প্ৰস্তুত কৰি টীয়কৰ বিভিন্ন স্থানলৈ সৰবৰাহৰ পৰিকল্পনা কৰিছিল বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে এই অবৈধ চুলাইখিনি নষ্ট কৰাৰ লগতে এই বৃহৎ সুৰা চক্ৰৰ স'তে জড়িতসকলক আটক কৰিবলৈ তদন্ত অব্যাহত ৰাখিছে।

## সাৰাপাৰাত বনৰীয়া হাতীয়ে এটা পৰিয়ালৰ দুটাকৈ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰিলে

# ৰংজুলিত অব্যাহত বন্যহস্তীৰ সন্ত্ৰাস



অগ্রদূত বাৰ্তা

**দুধনৈ, ২৬ ছেপ্টেম্বৰ ঃ** ৰংজুলিত বন্যহস্তীৰ সন্ত্ৰাসে নিদ্ৰাহৰণ কৰিছে গঞা ৰাইজৰ। যোৱা নিশাও দুটা প্ৰকাণ্ড বনৰীয়া হাতীয়ে খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা গাঁৱত প্ৰৱেস কৰি সাৰাপাৰা গাঁৱৰ এটা পৰিয়ালৰ দুটাকৈ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। পৰিয়ালৰ লোকসকল কোনোমতে ঘৰৰ পৰা ওলাই প্ৰাণৰক্ষা কৰে আৰু গোটেই নিশা আনৰ ঘৰত থাকিব লগা হয়। ইপিনে, হাতী দুটাই ঘৰ-দুৱাৰ ভাঙি ঘৰত থকা ধান-চাউল খাই তহিলং কৰে আৰু ঘৰৰ ভিতৰত থকা বিছনাপত্ৰকে আদি কৰি সকলোবোৰ সা-সামগ্ৰী ভাঙি তচনচ কৰে। মাতৃ আৰু দুই সন্তানক লৈ চলা পৰিয়ালটো বৰ্তমান গৃহহীন হৈ পৰিছে।

# আৰ্থিক স্বাবলম্বীতাৰ ক্ষেত্ৰত যুৱ সমাজক আত্মনিয়োগ কৰাৰ আহ্বান

অগ্রদূত বাৰ্তা

**নুমলীগড়, ২৬ ছেপ্টেম্বৰ ঃ** মৰঙি মৌজাৰ অতিকৈ পাছপৰা ৰংবং অঞ্চলত কালি সন্ধিয়া উপস্থিত হয় নুমলীগড় শোধনাগাৰৰ স্বতন্ত্ৰ সঞ্চালক সুদীপ প্ৰধান। নুমলীগড় শোধনাগাৰৰ নিচেই নিলগত অৱস্থিত চাৰি নম্বৰ ৰংবঙৰ গোৰ্খাপট্টিত উপস্থিত হোৱা সঞ্চালক প্ৰধানে ৰাইজৰে মত-বিনিময় কৰি অঞ্চলটোৰ ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লয়। তদুপৰি, কাজিৰাম ছেত্ৰীৰ গো-পালন ফাৰ্মৰ পৰিদৰ্শন কৰাৰ লগতে তেওঁৰ কাৰ্যৰ প্ৰশংসা কৰে। ইয়াৰ পাছতে তেওঁ গোৰ্খাপট্টি শিৱমন্দিৰত সেৱা লয়। গোৰ্খাপট্টি সমাজৰ তৰফৰ পৰা প্ৰধানক অংগবস্ত্ৰৰে উষ্ম আদৰণি জনোৱা হয়। ৰাইজৰে মত-বিনিময় কৰি সুদীপ প্ৰধানে অঞ্চলটোৰ যুৱ সমাজক আৰ্থিক দিশত স্বাৱলম্বীতাৰ চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈ আগবঢ়াৰ আহ্বান জনায়। লগতে তেওঁ এনেদৰে আগবাঢ়ি কাম কৰি গ'লে শোধনাগাৰৰ তৰফৰ পৰাও সহায়-সহযোগিতা আগবলৈ সুবিধা হ'ব বুলিও উল্লেখ কৰে। তদুপৰি, অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰতো নুমলীগড় শোধনাগাৰে ক্ৰমান্বয়ে কাম কৰি যাব বুলিও মন্তব্য প্ৰকাশ কৰে। উল্লেখ্য যে নুমলীগড় শোধনাগাৰত ভাৰত চৰকাৰৰ প্ৰতিনিধিত্বৰে স্বতন্ত্ৰ সঞ্চালকৰ দায়িত্ব প্ৰাপ্ত সুদীপ প্ৰধান চিক্কিমৰ নিবাসী। প্ৰধানৰ এই ৰংবং ভ্ৰমণ সূচীত সংগ দিয়ে 'ইন্টাৰ্নেচনেল কমিউনিটী জাৰ্নেলিষ্ট এৱাৰ্ড' প্ৰাপক 'দ্য ইক' অৱ ইণ্ডিয়া'ৰ সহঃসম্পাদক নন্দ কিৰাতী দেৱানে। দেৱানেও অঞ্চলটোৰ ৰাইজক সম্বোধন কৰি সাংবাদিকতাৰ ক্ষেত্ৰত তেওঁ লাভ কৰা তিতা-মিঠা অনুভৱৰ সম্পৰ্কে আলোকপাত কৰে। শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত মত-বিনিময় অনুষ্ঠানৰ আঁত ধৰে অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক শোভিতমান বিষ্টই। অনুষ্ঠানত ৰাইজৰ হৈ গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ সভাপতি কাজিৰাম ছেত্ৰী, সমাজকৰ্মী সূৰ্য বাহাদুৰ ছেত্ৰী, ডম্বৰ ঘিমিৰে, কৃষ্ণ ছেত্ৰীকে আদি কৰি ব্যক্তিসকলে বক্তব্য দাঙি ধৰি ৰাইজৰ সমস্যা সম্পৰ্কে অৱগত কৰে।

**ৰংবঙত নুমলীগড় শোধনাগাৰৰ স্বতন্ত্ৰ সঞ্চালক সুদীপ প্ৰধান**

# টিহুত কবি সন্মিলনত 'জুয়ে পোৰা সোণ'-'কাব্যসেতু' উন্মোচন



অগ্রদূত বাৰ্তা

**টিহু, ২৬ ছেপ্টেম্বৰ ঃ** টিহু মহাবিদ্যালয় প্ৰেক্ষাগৃহত কালি টিহু সন্মিলিত কবি মঞ্চৰ উদ্যোগত এখন কবি সন্মিলন অনুষ্ঠিত কৰা হয়। টিহু সন্মিলিত কবি মঞ্চৰ সভানেত্ৰী নীলিমা দেৱী ভাগৱতীয়ে সঞ্চালনা কৰা আৰু সম্পাদক নিতু শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা লগতে আঁত ধৰা কবি সন্মিলনত টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰৰ অনুগল্প 'জুয়ে পোৰা সোণ' উন্মোচন কৰে বিশিষ্ট কবি, সাহিত্যিক তথা সংস্কাৰধ্বনি ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক হিতেশ গোস্বামীয়ে। আনহাতে, টিহু সন্মিলিত কবি মঞ্চৰ স্মৰণিকা 'কাব্যসেতু' উন্মোচন কৰি বিশিষ্ট কবি-সাহিত্যিক তথা গুৱাহাটী কমাৰ্চ কলেজৰ সহযোগী অধ্যাপিকা ড° ৰূপা ডেকা পাটৰে কয় যে কবি সন্মিলন পতা হয় ভাষা-সংস্কৃতিৰ বিকাশৰ বাবে। যিসকলে অসমীয়া ভাষা-সংস্কৃতি, আচাৰ নীতি, খাদ্যাভ্যাস ভাল পায় বা আদৰি লৈছে তেওঁলোকেই অসমীয়া। পাটৰে মহিলাসকলক কবি সন্মিলন বা জাতীয় অনুষ্ঠানত জাতীয় সাজপাৰ পৰিধান কৰিবলৈ আহ্বান জনায়। সন্মিলনত কবি প্ৰণৱ কুমাৰ বৰ্মন, উদ্ধৱ দাস, উপেন্দ্ৰজিত শৰ্মা, বিনয় মজুমদাৰ, প্ৰদীপ বৰ্মন আদি অৰ্ধ শতাধিক কবিয়ে অংশগ্ৰহণ কৰে। টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে বন্তি প্ৰজ্বলন কৰা কবি সন্মিলনখন উদ্বোধন কৰে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৰুণাকান্ত কলিতাই।

# কালাগ সামূহিক চিকিৎসালয়ত বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন

অগ্রদূত বাৰ্তা

**নলবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে ফাৰ্মাচিষ্ট নলবাৰী জিলাৰ বৰভাগ মৌজাৰ কালাগ সামূহিক চিকিৎসালয়ত সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সন্থাৰ উদ্যোগত আৰু কমাৰকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত বিশ্ব ফাৰ্মাচিষ্ট দিৱস কালি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। উল্লেখ্য যে এইবাৰৰ ফাৰ্মাচিষ্ট দিৱসৰ মূল মন্ত্ৰ 'স্বাস্থ্যবান বিশ্বৰ বাবে একত্ৰিত ফাৰ্মাচী সেৱা'। অনুষ্ঠানত পতাকা উত্তোলন কৰে সমাজসেৱক জয়ন্ত তালুকদাৰে। ছহিদ তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱাই। নলবাৰী জিলাৰ জ্যেষ্ঠ ফাৰ্মাচিষ্টসকলে কে'বাটাও মূল্যবান আৰু ঔষধি গছৰ পুলিও ৰোপণ কৰে। মুকলি সভাত সভাপতিত্ব কৰে আপচাৰ নলবাৰী জিলাৰ সভাপতি গুণীন নাথে। উদ্দেশ্য ব্যাখ্যা কৰে আপছাৰ নলবাৰীৰ সম্পাদক ফণীন্দ্ৰ ডেকাই। অনুষ্ঠানত নলবাৰী ঔষধ ভঁৰালৰ প্ৰবন্ধক মুকুতা আহমেদে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গংগাপুখুৰী বৰকুৰিহা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক বাপুকণ ৰাজবংশী, কমাৰকুছি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিপিএম ডিম্বেশ্বৰ হালৈ, স্বাস্থ্যকৰ্মী চামনুৰ হুছেইন। সভাত উদ্‌যাপন সমিতিৰ সদস্য ভৱেশ বেজবৰুৱা, পংকজ শৰ্মা, ৰুবুল বৈশ্য, মৃগেন কলিতাৰ সহযোগত 'ফাৰ্মাচিষ্ট দিৱস' উদ্‌যাপন সাফল্যমণ্ডিত কৰি তোলে।

# সমাজকৰ্মী ভূপেন্দ্ৰ নাথ তালুকদাৰৰ মৃত্যু



অগ্রদূত বাৰ্তা

**বৰভাগ/বাহাৰঘাট, ২৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ দক্ষিণ প্ৰান্তৰ বৰকুৰিহা গাঁও নিবাসী অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, বৰকুৰিহা কমতা চুবুৰিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা সমাজকৰ্মী ভূপেন্দ্ৰ নাথ তালুকদাৰ (৮৪)ৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। ২০০১ত চাকৰিৰ পৰা অৱসৰগ্ৰহণ কৰা তালুকদাৰ দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। তালুকদাৰৰ মৃত্যুত বৰকুৰিহাৰ লগতে বৰভাগ অঞ্চলত শোকৰ ছাঁ পৰে। শ্ৰীশ্ৰীবাসন্তী পূজা আৰু শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ, শান্তি আশ্ৰম, গংগাপৰীয়া সংকীৰ্তন দল আদিকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত তালুকদাৰৰ মৃত্যুত গংগাপৰীয়া বৰকুৰিহা উন্নয়ন সমিতি, শ্ৰীশ্ৰীবাসন্তী পূজা আৰু শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ পৰিচালনা সমিতি, শান্তি আশ্ৰম পৰিচালনা সমিতি, বৰকুৰিহা যুৱ সংঘ পুথিঘৰ, বৰকুৰিহা কমতা চুবুৰি উন্নয়ন সমিতি, গংগাপৰীয়া সংকীৰ্তন দলকে ধৰি বিভিন্ন অনুষ্ঠানৰ লগতে ব্যক্তি-বিশেষে নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনি পুত্ৰ আৰু দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনীসহ অনেক আত্মীয়ক এৰি যায়।

## শ্ৰেষ্ঠ তিনিটা দলক নগদ ধন, বঁটাৰে পুৰস্কৃত

# ৰঙাপৰাত ঝুমুৰ প্ৰতিযোগিতাত ২৫ টা দলৰ অংশগ্ৰহণৰে মুখৰিত হ'ল ঝুমুৰ বাকৰি

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৬ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাক্ মুহূৰ্তত এনেহেন এক উদুলি-মুদুলি পৰিৱেশত ৰঙিয়াল দিনতেই কালি বৃহত্তৰ ৰঙাপৰা সমষ্টিটোৰ অঞ্চল সামৰি বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্য প্ৰতিযোগিতা নগৰৰ গাতে লাগি থকা ঠাকুৰবাৰী গল্ফ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীৰ উদ্যোগত আৰু বিজেপি চাহ জনগোষ্ঠী মৰ্চা ৰঙাপৰা আৰু বালিপৰা মণ্ডলৰ যুটীয়া সহযোগত ঝুমুৰ প্ৰতিযোগিতা কাৰ্যসূচীত চাহ জনগোষ্ঠীয় লোকসংগীতৰ অনুষ্ঠান পৰিবেশন কৰা হয়। দিনৰ এক বজাত আখৰা বন্দনাৰে অনুষ্ঠানৰ আৰম্ভণি কৰে বিধায়ক তাঁতীয়ে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে একগোট হৈ উদ্‌যাপন কৰা মুকলি প্ৰতিযোগিতাত উপস্থিত থাকে ৰঙাপৰা সমষ্টিৰ বিধায়ক তাঁতী, শোণিতপুৰ জিলা বিজেপিৰ সভাপতি বাতাস ওৰাং, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলি চোৰেন, উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস, ৰঙাপৰা বিজেপি গ্ৰাম্য মণ্ডলৰ সভাপতি দীপক তেলী, সম্পাদক বিকি তাঁতী, নগৰ মণ্ডলৰ সভাপতি স্বপন ধৰকে ধৰি বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। চাহ জনগোষ্ঠী যুৱ প্ৰজন্মৰ জীৱন কেৱল এটি কলি দুটি পাতৰ মাজতে আবদ্ধ নাথাকি সৰ্বাংগীণ বিকাশ সাধন কৰাৰ লগতে সংস্কৃতি ভেটি সমৃদ্ধিশালী কৰাৰ লক্ষ্যৰে ৰঙাপৰা সমষ্টি ভিত্তিত এই বেলি প্ৰথম বাৰ্ষিক ঝুমুৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি বিধায়ক তাঁতীয়ে প্ৰতিযোগিতাৰ উদ্বোধনী ভাষণত উল্লেখ কৰে। আজিৰ যুগৰ কৃত্ৰিমতাৰে ভৰা সমাজ ব্যৱস্থা তথা আকাল-অনাটনৰ দিনতো যে জনসাধাৰণে নিজৰ শিপা এৰি দিব নোখোজে এয়াই তাৰ প্ৰমাণ বুলি তেওঁ উল্লেখ কৰে। ২৫ টা দলে অংশগ্ৰহণ কৰা আৰু মাজ নিশালৈ অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে হাড়চুৰা চাহ বাগিচাৰ (খ) দলে, দ্বিতীয় শ্ৰেষ্ঠ দল তৰাজুলি ঝিলিমিলি ঝুমুৰ দল আৰু তৃতীয় শ্ৰেষ্ঠ দল ইঞ্জৰ যুৱ সংঘ ঝুমুৰ দলে। প্ৰথম শ্ৰেষ্ঠ দলক ৫০,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলক বঁটা আৰু ৩০,০০০ টকা আৰু তৃতীয় শ্ৰেষ্ঠ দলক বঁটা আৰু ২০ হেজাৰ টকাৰে পুৰস্কৃত কৰা হয়। দলকেইটাৰ ভিতৰত শ্ৰেষ্ঠ ঢুলীয়া হিচাপে আকাশ তৰা, শ্ৰেষ্ঠ নাচনী হিচাপে ইঞ্জৰ যুৱ সংঘৰ ন নম্বৰ নাচনী আৰু শ্ৰেষ্ঠ ৰচিকা হিচাপে প্ৰথম শ্ৰেষ্ঠ দলৰ ৰচিকাক নগদ ১০ হেজাৰ টকা আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হয়। ঝুমুৰ প্ৰতিযোগিতা প্ৰায় তিনি সহস্ৰাধিক লোকৰ উপস্থিতিত ঠাকুৰবাৰী গ'ল্ফ ফিল্ডত এক উখল-মাখল পৰিৱেশে বিৰাজ কৰে।



# ঘগ্ৰাপাৰত প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে বিজেপি মহিলা মৰ্চাৰ বৃক্ষৰোপণ



অগ্রদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৬ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন উপলক্ষে যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা অহা দুই অক্টোবৰলৈ বিজেপিৰ উদ্যোগত অনুষ্ঠিত হৈ থকা সেৱা পযেক অনুষ্ঠানৰ অংশৰূপে বড়িগোগ বনভাগ মণ্ডল সমিতিৰ মহিলা মৰ্চাই আজি ঘগ্ৰাপাৰৰ ২৪ নম্বৰ বাঘমাৰা অংগনৱাড়ী কেন্দ্ৰৰ চৌহদত এলানি বৃক্ষৰোপণ কৰাৰ লগতে বড়িগোগ বনভাগ মণ্ডলৰ অন্তৰ্গত উক্ত বিশেষ স্থানসমূহত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত নলবাৰী জিলাৰ মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশীয়ে উদ্বোধন কৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন শুভ হোৱাৰ কামনা কৰাৰ লগতে মোদীৰ নেতৃত্বত দেশে বিভিন্ন দিশত লাভ কৰা সুবিধাসমূহৰ কথা সদৰী কৰে। লগতে বিজেপি নেত্ৰীগৰাকীয়ে আগন্তুক দিনতো মোদীয়ে দেশলৈ ন ন উপহাৰ দিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ মহিলা সভানেত্ৰী মণিকা ভৰালী, অংগনৱাড়ী কেন্দ্ৰটোৰ কৰ্মী, সহায়িকাৰ উপৰি এই মণ্ডলৰ অন্তৰ্গত মহিলা মৰ্চাৰ বিষয়ববীয়া, সদস্য-সদস্যাৰ লগতে ভালেসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে।

# তামুলপুৰত ছহিদ অমিতাভ ৰাভা স্মৃতি ভৱনৰ আধাৰশিলা স্থাপন

অগ্রদূত বাৰ্তা

**তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলা সদৰৰ বাৰেইগাঁৱত আজি তামুলপুৰত জনজাতি আন্দোলনৰ গুৰি ধৰোতা ছহিদ অমিতাভ ৰাভা স্মৃতি ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। ভৈয়াম জনজাতি উন্নয়ন পৰিষদৰ পৰা আবণ্টিত এক কোটি টকাৰে নিৰ্মাণ হ'বলগা তিনিমহলীয়া ভৱনটোৰ আধাৰশিলা স্থাপন কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। আধাৰশিলা স্থাপন কৰি বিটিআৰ প্ৰধান বড়োৱে কয় যে 'ছহিদ অমিতাভ ৰাভা এগৰাকী ৰাভা জনগোষ্ঠীৰে নহয় তেওঁ তামুলপুৰৰ প্ৰতিটো জনজাতীয় সংগঠনৰ নেতা আছিল। তেওঁ সেই সময়তে তামুলপুৰৰ পিছপৰা জনজাতি লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ কাৰণে সংগ্ৰাম কৰিছিল। তেনে এজন জনজাতীয় নেতাৰ স্মৃতিত নিৰ্মাণ হ'বলগীয়া ভৱনটোৱে তামুলপুৰৰ ৰাভা জনগোষ্ঠীৰ লোকসকলক যথেষ্ট উপকৃত কৰিব। আজিৰ আধাৰশিলা স্থাপন অনষ্ঠানত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা, তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু ৰাভা সম্পাদক ৰাহুল ৰাভা, ৰাভা উন্নয়ন দাবী পৰিষদৰ সভাপতি লক্ষ্মী ৰাভা, ছহিদ অমিতাভ ৰাভাৰ একালৰ সহকৰ্মী বাণীকান্ত বসুমতাৰী, উমেশ কলিতা, তামুলপুৰ জিলা ৰাভা সাহিত্য সভাৰ সভাপতি প্ৰমোদ ৰাভা, তামুলপুৰ জিলা ৰাভা কৰ্মচাৰী পৰিষদৰ সভাপতি মাধৱ চন্দ্ৰ ৰাভা, সম্পাদক ৰবেন ৰাভা, বেতনা দেফেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক, তামুলপুৰ জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী-সম্পাদিকাসহ কে'বাগৰাকী বিশিষ্ট লোক।

# মাধ্যম আন্দোলনৰ ছহিদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱসৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ১৯৭২ৰ মাধ্যম আন্দোলনে চলিত বৰ্ষত ৫০ বছৰত ভৰি দিছে। এই আন্দোলনত সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা নগাঁৱৰ পলাশনিৰ তেজাল যুৱক অনিল বৰা ছহিদ হৈছিল। ১৯৭২ৰ সাত অক্টোবৰত অবিভক্ত নগাঁও জিলাৰ হোজাইত প্ৰতিভাবান ছাত্ৰ নেতা অনিল বৰাক দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰিছিল। এইবাৰ ছহিদ অনিল বৰাৰ ৫০ বছৰীয়া স্মৃতি দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। পলাশনি সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশনিত সাত আৰু আঠ অক্টোবৰত ছহিদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱস উদ্‌যাপনৰ দিহা কৰা হৈছে। প্ৰথম দিনা পুৱা পতাকা উত্তোলনেৰে ছহিদ দিৱসৰ আৰম্ভ কৰা হ'ব। ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰিব ছহিদ ভ্ৰাতৃ অপূৰ্ব কুমাৰ বৰাই। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব উদ্যোগ মন্ত্ৰী বিমল বৰাই। দুপৰীয়া নাম-প্ৰসংগ আৰু বিয়লি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা 'সীতাহৰণ' অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনা উদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। আঠ অক্টোবৰত পুৱা শিশুৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিয়লি ভোলানাথ শইকীয়াৰ সঞ্চালনাত 'উচ্চ শিক্ষা আহৰণত অসমীয়া মাধ্যম অন্তৰায় নহয়' শীৰ্ষক মুকলি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া প্ৰদৰ্শন হ'ব লগা মঞ্চ নাটক 'বাজী' উদ্বোধন কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। ছহিদ দিৱস সফল কৰি তুলিবলৈ পলাশনিৰ সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ সভাপতি সদানন্দ বৰা আৰু সম্পাদক বুলবুল বৰাই সকলো ৰাইজক আহ্বান জনাইছে।

# থমনাত পৰম্পৰাগত মাছ মৰা উৎসৱ পালন ঃ সহস্ৰাধিক লোকৰ অংশগ্ৰহণ



অগ্রদূত বাৰ্তা

**মুছলপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** 'অ' মোৰে ল'ৰাৰ মাক, মাছলৈ যাও, নাখাওঁ নাখাও শুদা ভাত' শীৰ্ষক গীত পৰিৱেশন কৰি কালি থমনাত পাঁচ সহস্ৰাধিক লোকে পৰম্পৰাগত মাছ ধৰা উৎসৱত অংশ লয়। বিগত ৪০ বছৰ ধৰি চলি অহা এই পৰম্পৰাত সকলো লোকেই হাতে হাতে জাকৈ, পল', জাল আদি লৈ আনন্দত আত্মহাৰা হৈ ওলাই অহা দেখা গ'ল। বাগ্‌সাৰ সদৰ মুছলপুৰৰ নিকটৱৰ্তী থমনাত প্ৰতি বছৰে পালন কৰা এই উৎসৱ এই নিৰ্দিষ্ট দিনতহে মৰাদিয়া নৈত পালন কৰা হয়। উল্লেখ্য যে নৈখনৰ শ্লুইছ গেট বন্ধ কৰি দিয়াৰ লগে লগে নৈৰ পানী কমি গ'লে সকলো লোকেই নৈৰ বুকুত নামি মাছ মাৰিবলৈ আৰম্ভ কৰে। এই পৰম্পৰাগত উৎসৱত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো লোকেই অংশ লোৱা দেখা যায়। মুছলপুৰ মহকুমাৰ অন্তৰ্গত আঠিয়াবাৰী, ন্যাওশালী, জালাহ, অঞ্চলী, মাণিকপুৰ, চৰাইমাৰীকে ধৰি প্ৰায় ১০-১৫ কিলোমিটাৰ দূৰৈৰ মানুহেও এই মাছ মৰা উৎসৱত অংশ ল'বলৈ আহে।

# ধূলিৰ অমিয় ভৱনত ৰক্তদান শিবিৰ

অগ্রদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী ধূলিৰ অমিয় ভৱনত আজি এটোপৰ উদ্যোগত বিশ্বনাথ ৰক্তভঁৰাল লগতে ধূলিবাসী ৰাইজৰ সহযোগত ৰক্তদান শিবিৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰটো উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য ৰূপম দাসে, শিবিৰটোত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক দুলদুল বৰকটকী, ডাঃ গুঞ্জন পাঠক, সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি আজমত শ্বেইখ, বিশ্বনাথ জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গজেন কুৰ্মী, বিশ্বনাথ জিলা ভোজপুৰী যুৱ পৰিষদৰ সভাপতি বলবীৰ ৰয়, সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক মহেশ শৰ্মা, এটোপৰ উপদেষ্টা বিভাৰাণি দাস, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা সুনীল গোৱালা, বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থা এটোপ তথা এটোপৰ সভাপতি সুৰজ ভূঞা, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুশীল তাঁতী, বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্যজিত শইকীয়া, বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কুশল শৰ্মাকে আদি কৰি ৰক্তদান কৰিবলৈ অহা বহু যুৱক।

# গোৱালপাৰাৰ কুমৰীত চোৰাং মাটিভৰ্তি ডাম্পাৰ জব্দ



অগ্রদূত বাৰ্তা

**মাটিয়া, ২৬ ছেপ্টেম্বৰ ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই অভিযান চলাই কালি সন্ধিয়া কুমৰীৰ পৰা এ এছ-১৮ এ চি-৩৭৯৩ নম্বৰৰ চোৰাং মাটিভৰ্তি ডাম্পাৰ এখন জব্দ কৰে। বঙাইগাঁও জিলাৰ যোগীঘোপাত এছপি চিংলা কনষ্ট্ৰাকচনছ প্ৰাইভেট লিমিটেডৰ কামৰ বাবে কুমৰীৰ পৰা চালানবিহীনভাৱে ডাম্পাৰভৰ্তি মাটি সৰবৰাহ কৰাৰ সময়তে জব্দ কৰি বনাঞ্চলিক বিষয়াজনে নিজৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে বিভাগীয় বিষয়া-কৰ্মচাৰীৰে বুজাপৰা কৰি অসাধু চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে পঞ্চৰত্ন বন খণ্ডৰ কুমৰীকে ধৰি বিভিন্ন ঠাইৰ পৰা নৈপৰীয়া মাটি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, কম পৰিমাণৰ চালানেৰে অথবা একে চালানেৰে গোটেই দিনজুৰি ট্ৰাক-ডাম্পাৰেৰে মাটি সৰবৰাহ কৰাটো এক পৰম্পৰাত পৰিণত হৈছে। কেৱল এয়াই নহয় এঠাইৰ চালানেৰে অন্য ঠাইৰ পৰা মাটি খনন কৰি থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে আৰু আনফালে, স্থানীয় বন খণ্ডৰ বিষয়াকে ধৰি শীৰ্ষ পৰ্যায়ৰ বিভাগীয় বিষয়াই নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন ৰাইজে।

# নাহৰকটীয়াৰ পানীবুৰাত কৰম সন্মিলন সম্পন্ন



অগ্রদূত বাৰ্তা

**নাহৰকটীয়া, ২৬ ছেপ্টেম্বৰ ঃ** নাহৰকটীয়াৰ পানীবুৰা গাঁৱৰ প্ৰগতি মজলীয়া বিদ্যালয়ৰ খেলপথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ নাহৰকটীয়া আঞ্চলিক সমিতিৰ অন্তৰ্গত পানীবুৰা গাঁও প্ৰাথমিক গোটৰ উদ্যোগত তথা তিনিআলি চাহ বাগিচা, ঘূৰণীয়া গাঁও প্ৰাথমিক গোট আৰু স্থানীয় ৰাইজৰ সহযোগত যোৱা ২৪ আৰু ২৫ ছেপ্টেম্বৰত প্ৰথম বাৰ্ষিক কৰম সন্মিলন অনুষ্ঠিত কৰে। সন্মিলনৰ প্ৰথম দিনা আছাৰ পতাকা উত্তোলন কৰে আছা পানীবুৰা গাঁৱৰ সভাপতি খ্ৰীষ্টিনুচ ধানৱাৰে আৰু সাংস্কৃতিক পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি অজয় গোৱালাই। ছহিদ তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ সম্পাদক মিখেল পুৰ্তীয়ে। বৃক্ষৰোপণ কাৰ্যসূচী কৰি সন্ধিয়া কৰম পূজা সম্পাদনেৰে প্ৰথম দিনাৰ কাৰ্যসূচী সম্পন্ন কৰে। দ্বিতীয় দিনা চাফাই কাৰ্যসূচী আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অন্তত মুকলি সভা অনুষ্ঠিত হয়। অজয় গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি আৰু উদ্দেশ্য ব্যাখ্যা কৰে নাহৰকটীয়াৰ আছা নেতা তথা উদ্‌যাপন সমিতিৰ সম্পাদক মিখেল পুৰ্তীয়ে। মুকলি সভা আৰু কৰম সন্মিলনখনত অতিথিৰূপে নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈ, আছা ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক মিঠুৰাজ কিস্কু, প্ৰচাৰ সম্পাদক বিচুন কিস্কু, সদৌ অসম বঙালী যুৱ ছাত্ৰ ফেডাৰেছন কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সুব্ৰত লোধ, চাচনী আৰক্ষী চকীৰ আৰক্ষী ধনীৰাম দাস, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টিংখাঙৰ অজিত কন্দ, তিনিআলি চাহ বাগিচাৰ পৰিচালক এ আৰ ৰহমান, আছা টিংখাঙৰ উমেশ ঘাটোৱাৰ, শিৱা তন্তবাই, নাহৰকটীয়া ভিডিপি থানা কমিটীৰ সভাপতি গুণাভি কোঁৱৰ, সমাজ সেৱক শৰৎ চাৰিঙীয়া ফুকন, সমাজসেৱক নেলচন টেছা, তিনিআলি চাহ বাগিচা চাহ মজদুৰ সংঘৰ দেৱৰাজ ভক্তা, উৰিয়ামগুৰিৰ গাব্ৰেল পুৰ্তী, তিনিআলি চাহ বাগিচাৰ ৱাৰ্ড সদস্যা, পানীবুৰা গাঁৱৰ আদিবাসী মহিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে ।

দৈনিক অগ্ৰদূত
ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
গুৱাহাটী, ২৭ ছেপ্টেম্বৰ, ২০২২
মঙলবাৰ, পৃষ্ঠা ১৫

### দুই অক্টোবৰত বৰ্ষাপাৰা ষ্টেডিয়ামত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ মেচ ঃ দুদিন অনুশীলন কৰিব টীম ইণ্ডিয়াই

# ২৯ ছেপ্টেম্বৰত গুৱাহাটীত উপস্থিত হ'ব ভাৰতীয় দল




**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। উক্ত মেচখনৰ বাবে ভাৰতীয় দলটো অহা ২৯ ছেপ্টেম্বৰত আহি গুৱাহাটীত উপস্থিত হ'ব। আজি এই কথা অবগত কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। ইফালে, বি চি চি আয়ে জনোৱা অনুসৰি ভাৰতীয় ক্ৰিকেট দলে গুৱাহাটীত ৩০ ছেপ্টেম্বৰৰ দিনা দুপৰীয়া এক বজাৰ পৰা চাৰি বজালৈ নেট অনুশীলন কৰিব। তদুপৰি পহিলা অক্টোবৰৰ দিনা টীম ইণ্ডিয়াই আবেলি পাঁচ বজাৰ পৰা নিশা আঠ বজালৈ অনুশীলন কৰিব বৰ্ষাপাৰা ষ্টেডিয়ামত। দুই অক্টোবৰত মেচ খেলাৰ পাছত তিনি অক্টোবৰত টীম ইণ্ডিয়া ৰাওনা হ'ব ইন্দোৰলৈ। ইফালে, সকলো থিকে থাকিলে দক্ষিণ আফ্ৰিকা দলো ২৯ ছেপ্টেম্বৰতে আহি গুৱাহাটীত উপস্থিত হ'ব। দলে ৩০ ছেপ্টেম্বৰৰ দিনা নৈশলোকত অনুশীলন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথম মেচখন ২৮ ছেপ্টেম্বৰত টিৰুৱন্তপুৰমত হ'ব। তাৰ পৰাই দুয়োটা দল আহিব গুৱাহাটীলৈ। ইফালে, শৃংখলাৰ তৃতীয় টি-২০ খন চাৰি অক্টোবৰত ইন্দোৰত হ'ব। ইফালে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটোত কিছু সাল-সলনিও হ'ব। কৰ'নাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱেই খেলিব। আনহাতে, হাৰ্দিক পান্দিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰে দললৈ আহিব। ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, হৰ্ষল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব টীম ইণ্ডিয়াই। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ২-১ ৰ ব্যৱধানত দখল কৰিছে। শৃংখলাৰ নিৰ্ণায়ক তৃতীয়খন মেচত ভাৰত ছয় উইকেটত জয়লাভ কৰে। ১৮৭ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰা ভাৰতে ১৯.৫ অভাৰত চাৰিটা উইকেট হেৰুৱাই পূৰ্ণ কৰি চমকপ্ৰদ বিজয় অৰ্জন কৰে। উল্লেখ্য যে প্ৰথম মেচত ব্যৰ্থতাৰ পাছতো ক্ৰমাগত দুখন মেচত জয়ী হৈ শৃংখলা দখল কৰিছে ভাৰতে। ভাৰত প্ৰথমখন খেলত চাৰি উইকেটত পৰাস্ত হৈছিল যদিও নাগপুৰৰ বৰ্ষা বিঘ্নিত দ্বিতীয় মেচত ছয় উইকেটত জয়লাভ কৰিছিল।

## নৱজ্যোতি-মহাৰাণাৰ ড্ৰ

**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত আজি নৱজ্যোতি ক্লাব আৰু মহাৰাণা ক্লাবৰ খেলখন গ'লশূন্যভাৱে সমাপ্ত হয়। আনহাতে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি কামৰূপা এফচিয়ে মেট্ৰ' এছচিক ৬-০ গ'লত বিধ্বস্ত কৰে। কামৰূপাৰ হৈ গ'ল কৰে চন্দন ৰাভা, ৰণদীপ খাখলাৰী, ইন্দ্ৰ ৰাভা , ৰন্টু ৰাভা আৰু নিতুল ৰাভাই। কাইলৈ ছুপাৰ ডিভিজনত এফচি গ্ৰীণভেলীয়ে ছানৰাইজ এচিৰ বিৰুদ্ধে খেলিব।

## ফুটবলৰ শিবিৰ

**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসম ফুটবল সন্থাৰ ৪৩ সংখ্যক অনুৰ্ধ ১৫ ছাব জুনিয়ৰ আন্তঃজিলা ফুটবল চেম্পিয়নশ্বিপৰ বাবে গুৱাহাটী দলটো গঠনৰ বাবে গুৱাহাটী ক্ৰীড়া সন্থাই ৩০ ছেপ্টেম্বৰৰ পৰা নেহৰু ষ্টেডিয়ামত এক বাছনি শিবিৰৰ আয়োজন কৰিছে। খেলুৱৈসকলক জন্মৰ প্ৰমাণপত্ৰ আৰু আধাৰ কাৰ্ড বা পাছপ'ৰ্টৰ মৌলিক আৰু ফটোকপিসহ ৩০ ছেপ্টেম্বৰৰ পুৱা সাত বজাত নেহৰু ষ্টেডিয়ামত উপস্থিত হ'বলৈ অনুৰোধ জনাইছে ফুটবল সম্পাদক এল প্ৰণৱ সিঙে। খেলুৱৈসকলে অধিক তথ্যৰ বাবে ৯১০১০ ৪৭৫৬০ নম্বৰত যোগাযোগ কৰিব পাৰে।

## ২৮ ছেপ্টেম্বৰত বেংককত দ্বিতীয়খন আন্তৰ্জাতিক মেচ খেলিব অভিজিতে

**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰথম পেছাদাৰী বক্সাৰৰূপে ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা লাভ কৰাৰ পাছত এইবাৰ দ্বিতীয়খন আন্তৰ্জাতিক মেচ খেলাৰ বাবে বেংককলৈ গৈছে অভিজিত বৰুৱা। অহা ২৮ ছেপ্টেম্বৰত অভিজিতে থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বী বুমডেট জুমপাঙৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে ইয়াৰপূৰ্বে অভিজিতে নিজৰ প্ৰথমখন আন্তৰ্জাতিক মেচত নতুন দিল্লীত পৰাস্ত কৰিছিল বাংলাদেশৰ বক্সাৰক। বিশ্ব বক্সিং পৰিষদ আৰু এচিয়ান বক্সিং পৰিষদৰ অধীনত হোৱা পেছাদাৰী বক্সিং প্ৰতিযোগিতাত অসম সন্তান অভিজিতে এতিয়ালৈকে অপ্ৰতিৰুদ্ধ অপৰাজেয় যাত্ৰা অব্যাহত ৰখাৰ লগতে তিনিখন মেচত নকআউট কৰিছে বিপক্ষক। উল্লেখ্য যে দ্বিতীয় ৰাউণ্ডৰ মেচত অভিজিত মুখামুখি হৈছিল উত্তৰ প্ৰদেশৰ শিৰম তিৱাৰীৰ। মাত্ৰ ১৯ ছেকেণ্ডতে ৰিঙত শিৰমক ধাৰাশায়ী কৰি নকআউট কৰি দিয়ে অভিজিতে। আনহাতে, প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত জয়লাভ কৰি চমকপ্ৰদ আৰম্ভনি কৰা অভিজিতে প্ৰথম ৰাউণ্ডৰ মেচত প্ৰতিদ্বন্দ্বী হিতেশ কাচানক হেলাৰঙে নক আউট কৰি পেছাদাৰী বক্সিং জগতত নিজৰ গৌৰৱময় অভিযান আৰম্ভ কৰিছিল। অভিজিতে দহ ছেকেণ্ডৰ ভিতৰতে বিধ্বস্ত কৰিছিল প্ৰতিদ্বন্দ্বী হিতেশ কাচানক।






## ৰাজ্যিক খেলুৱৈ মঞ্জু বেগমৰ মৃত্যু

**ছয়গাঁও, ২৬ ছেপ্টেম্বৰ ঃ** অসম যুৱ অলিম্পিকত অংশগ্ৰহণকাৰী ড্ৰেগন নাও খেলুৱৈ মঞ্জু বেগমৰ কালি আকস্মিক বিয়োগ ঘটে। ছয়গাঁও থানা এলেকাৰ জাৰপাৰা গাঁৱৰ মঞ্জু বেগমৰ মৃত্যুৰ সময়ত বয়স ১৭ বছৰ হৈছিল। বৰভিঠা আঞ্চলিক হাইস্কুলৰ ছাত্ৰীগৰাকীয়ে যোৱা যুৱ অলিম্পিকত ড্ৰেগন নাও খেলত ডিব্ৰুগড় জিলা দলক প্ৰতিনিধিত্ব কৰিছিল। খেলুৱৈ গৰাকীৰ মৃত্যুত অসম পৰম্পৰাগত ক্ৰীড়া আৰু ড্ৰেগন নাও সন্থাৰ সভাপতি তাহেৰ আহমেদ , সাধাৰণ সম্পাদক অনুপ চৌধুৰী আৰু দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সুকুমাৰ মেধিয়ে শোক প্ৰকাশ কৰিছে।

### এতিয়া চৰকাৰ-অলিম্পিক সন্থাই ৰাজ্যৰ খেলুৱৈৰ মূল অভিভাৱক ঃ ধিং এক্সপ্ৰেছ

## ৰাষ্ট্ৰীয় ক্ৰীড়াত হিমা-অম্লানে চাৰিটা সোণ দিব অসমক





**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। অসমবাসীৰ এই আশাৰ কাৰণটো হ'ল এইসময়ত ভাৰতৰ দ্ৰুত তৰুণ-তৰুণী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে অসম জননীৰ দুই সন্তানে। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিব ৰাষ্ট্ৰীয় অভিলেখ গঢ়া অম্লান বৰগোহাঁই আৰু অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী 'ধিং এক্সপ্ৰেছ' খ্যাত হিমা দাসে। সেয়েহে পুৰুষ আৰু মহিলাৰ ১০০ আৰু ২০০ মিটাৰ দৌৰৰ সোণৰ পদক অম্লান আৰু হিমাই লাভ কৰিব বুলি আশাবাদী অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰো। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছত হিমা আৰু অম্লানৰ লগতে অসমৰ এটা ছজনীয়া দলে খেলিব। এথলেটিকছৰ সভাপতি তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে লগতে কয় যে অম্লানে ১০০ মিটাৰ ১০.২৫ ছেকেণ্ডৰে তথা ২০০ মিটাৰ ২০.৫২ ছেকেণ্ডৰে ইতিমধ্যে নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। আনহাতে, হিমাৰ ১০০ মিটাৰৰ সময় ১১.৪৩ ছেকেণ্ড তথা ২০০ মিটাৰৰ সময় ২২.৮৮ ছেকেণ্ড। সেয়ে সকলো থিকে থাকিলে এথলেটিকছত অসমৰ চাৰিটা স্বৰ্ণ পদক নিশ্চিত। ইফালে, প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া খেলিব লগা হিমাই কয় 'দেশৰ হৈ এছিয়ান গেমছ আৰু কমনৱেলথ খেলিছো। পেৰিছত অলিম্পিক খেলাৰ লক্ষ্যও আছে। কিন্তু নিজৰ ৰাজ্যক প্ৰতিনিধিত্ব কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া খেলাৰ অনুভূতি অনন্য। সাত বছৰ পাছত পুনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া হৈছে। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া অসমৰ খেলুৱৈৰ বাবে জীৱন গঢ় দিয়াৰ এক সুযোগ। পদক জয় কৰা মানেই চৰকাৰী চাকৰি। এই সুযোগ সকলো খেলুৱৈয়ে ল'ব লাগে। মোৰ ম'তে এতিয়া অসম চৰকাৰ আৰু অসম অলিম্পিক সন্থাই ৰাজ্যৰ খেলুৱৈৰ মূল অভিভাৱক।' ইফালে, আজি আহমেদাবাদত উপস্থিত হোৱা অসম লন বল দলে অনুশীলন কৰে। অৱশ্যে কিনকিনিয়া বৰষুণে অনুশীলনত বাধা দিয়ে। অসমে অহা ২৮ ছেপ্টেম্বৰত লন বলৰে ৰাষ্ট্ৰীয় ক্ৰীড়াত অভিযান আৰম্ভ কৰিব বুলি দলৰ চিফ দ্য মিছন ৰাজ কাকতিয়ে জনাইছে।

### গুৱাহাটীত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন আৰম্ভ

## উভয় শাখাত চাৰিখন মেচ জয়ৰে প্ৰথমদিনাই চমকপ্ৰদ আৰম্ভণি ভাৰতৰ

**গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা। উল্লেখ্য যে ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখনত প্ৰথমদিনাই ভাৰতে উভয় শাখাৰ চাৰিখন মেচত জয়লাভ কৰি চমকপ্ৰদ আৰম্ভণি কৰিছে। গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাত আজি মিক্সড দলীয় ইভেণ্টৰ খেল অনুষ্ঠিত হয়। ৰাউণ্ড ৰবীন লীগ মেচত ভাৰতৰ ১৭ বছৰ অনূৰ্ধ্ব দলে প্ৰথম খেলত মালদ্বীপক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত জয়ী হয় ভূটানৰ বিৰুদ্ধে। আনহাতে, ভাৰতৰ ১৫ বছৰ অনূৰ্ধ্ব দলে প্ৰথম খেলত ভূটানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত জয়ী হয় শ্ৰীলংকাৰ বিৰুদ্ধে। কাইলৈ ভাৰতৰ ১৭ বছৰ অনূৰ্ধ্ব দলে খেলিব নেপাল আৰু শ্ৰীলংকাৰ বিৰুদ্ধে। আনহাতে, ১৫ বছৰ অনূৰ্ধ্ব দলে বাকী থকা মেচ দুখনত মুখামুখি হ'ব নেপাল আৰু মালদ্বীপৰ। উল্লেখ্য যে ৰাউণ্ড ৰবীন লীগ মেচৰ অন্তত শীৰ্ষ দুটা দলে ফাইনেল খেলিব। উভয় শাখাত ভাৰতৰ ফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত হৈছে। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰলৈ চলিব লগা পাঁচ দিনীয়া প্ৰতিযোগিতাখনত ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ মিক্সড দলীয় ইভেণ্টৰ খেল হোৱাৰ লগতে ল'ৰা-ছোৱালী উভয় শাখাৰে একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ খেল অনুষ্ঠিত হ'ব। আজি মিক্সড দলীয়ত ভাৰতীয় দলৰ হৈ খেলা ১৫ বছৰ অনূৰ্ধ্বৰ খেলুৱৈসকল হ'ল প্ৰতীক কৌণ্ডিল্য, অভিনৱ গাৰ্গ, নিশা কৌৰ ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰি। ইফালে, ১৭ বছৰ অনূৰ্ধ্ব দলৰ সদস্যসকল হ'ল ছাৰাছৱাট সংস্কাৰ, প্ৰনয় ছেট্টিগৰে, আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা।



## অম্বা মেধি ফুটবলত পুলিচক হৰুৱাই ছেমিত দাৰ্জিলিং এছএছবি



**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ২৬ ছেপ্টেম্বৰ ঃ** মঙলদৈ ষ্টেডিয়ামত চলি থকা ৪১ সংখ্যক অম্বামেধি সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজি হোৱা অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত দাৰ্জিলিং এছ এছ বিয়ে অসম পুলিচক ২-০ গলত পৰাস্ত কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হৈছে। খেল আৰম্ভ হোৱাৰ তিনি মিনিটতেই এছ এছ বিৰ জিতু কুমাৰ সিঙে মাইনাচ কৰি দিয়া বল আয়ত্ব কৰি দলৰ ষ্ট্ৰাইকাৰ দৈমালু ব্ৰহ্মাই তীব্ৰ শ্বটেৰে স্ক'ৰ কৰি দলক প্ৰথমটো সফলতা প্ৰদান কৰে। অসম পুলিচ দলটোৱে আজি আশানুৰূপ খেল প্ৰদৰ্শন কৰাত ব্যৰ্থ হয়। প্ৰথমাৰ্ধত এগ'লত পিছপৰি থকা অসম পুলিচে স্ক'ৰ কৰাৰ বাবে কেবাটাও সুযোগ লাভ কৰে যদিও সফল হ'ব নোৱাৰিলে। দ্বিতীয়াৰ্ধৰ সাত মিনিটত দাৰ্জিলিং এছ এছ বিৰ অভিমণ্যু পলে কৰা ফাউলৰ বাবে ৰেফাৰী হিতেশ কলিতাই খেলুৱৈ গৰাকীক ৰঙা কাৰ্ড দেখুৱাই খেলপথাৰৰ পৰা উলিয়াই দিয়ে। ১০ গৰাকী খেলুৱৈৰে খেলি এছ এছ বিয়ে এই অৰ্ধৰ ১২ মিনিটত দ্বিতীয়টো সফলতা লাভ কৰে দৈমালু ব্ৰহ্মাই মৰা শ্বটত। খেলৰ অন্তিম মুহূৰ্ততো অসম পুলিচে বহুকেইটা সুবিধা লাভ কৰে যদিও আক্ৰমণ বিভাগৰ খেলুৱৈ সকলে কৃতকাৰ্যতা লাভ কৰাত ব্যৰ্থ হয়। কাইলৈ বিদ্যুৎ পৰিষদে পঞ্জাবৰ পুলিচৰ বিপক্ষে প্ৰথমখন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব।

## মাজগাঁও ফুটবল ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ২৬ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত মাজগাওঁ ফুটবল ক্লাবে ৩-২ গলৰ ব্যৱধানত বায়দা কোচিং চেণ্টাৰ ফুটবল ক্লাবক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

## সোণতলীত নাওঁ খেলৰ আয়োজন

**অগ্ৰদূত বাৰ্তা, সোণতলী, ২৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ সোণতলী পাৰঘাটত পূৰ্বৰ দৰেই এইবাৰো প্ৰাইজমানি নাওঁ খেল প্ৰতিযোগিতাৰ প্ৰস্তুতি চলিছে। নামনি অসমৰ পৰাম্পৰাগত তথা অসমীয়া সংস্কৃতিৰ ধ্বজা বাহক হিচাপে অতীজৰে পৰা নদীপৰীয়া ৰাইজৰ হিয়াৰ আমঠু হিচাপে জনাজাত এই নাওঁখেলখন ব্ৰহ্মপুত্ৰ নদীৰ সোণতলী পাৰঘাটত লুইতপৰীয়া ব্ৰহ্মপুত্ৰ দক্ষিণ পৰীয়া নাৱৰীয়া সন্থাৰ উদ্যগত অহা ২৮ আৰু ২৯ ছেপ্টেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব।



## কাৰ্বি আংলং ফুটবলত কেজিচি ক্লাবৰ খিতাপ

**কাৰ্বি আংলং, ২৬ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ উত্তৰ বড়বিল বীণাপাণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ডকমকাৰ খেজুৰ গাঁৱৰ কে জি চি ক্লাব মুখামুখি হয় ৰজাপথাৰৰ ৰিভেন্স ক্লাবৰ। খেলত কে জি চি ক্লাবে ৪-০ গ'লত জয় অৰ্জন কৰি খিতাপ লাভ কৰে। পাছত বটা বিতৰণী অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ উপাধ্যক্ষ অজিত কুমাৰ দে, হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাং, লাংহিন পৰিষদিয় সমষ্টিৰ কাৰ্যবাহী সদস্য বিলি মোহন খাকলাৰী, উত্তৰ বড়বিল বীণাপাণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰতন চক্ৰৱৰ্তী। বিধায়ক দৰছিং ৰংহাঙে বিনাপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ উন্নয়ৰ বাবে বিধায়ক পুজিৰ পৰা দহ লাখ টকা আৱৰ্তনৰ কথা ঘোষণা কৰে । ফাইনেল খেলখন পৰিচালনা কৰে গৌতম বড়ো, ৰামা ৰংহাং আৰু লুনছিং টকবিয়ে ।

## শোণিতপুৰ জিলা ভাৰোত্তোলনত বৃষ্টি, জয়ন্ত, আমিনা, নীলম শ্ৰেষ্ঠ




**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলা শৰীৰ চৰ্চা সন্থা আৰু শোণিতপুৰ জিলা ভাৰোত্তোলন সন্থাৰ ৩৯ সংখ্যক জিলা ভাৰোত্তোলন প্ৰতিযোগিতাখন ঢেকিয়াজুলিৰ 'ফিট এণ্ড শ্লিম'ৰ উদ্যোগত সফলতাৰে সামৰণি পৰে। প্ৰায় শতাধিক পুৰুষ আৰু মহিলা প্ৰতিযোগীয়ে অংশ লোৱা এই প্ৰতিযোগিতাত জুনিয়ৰ মহিলা বেষ্ট লিফ্‌টাৰ খিতাপ লাভ কৰে বৃষ্টিৰেখা হাজৰিকাই। মহিলাৰ চিনিয়ৰ শাখাত আমিনা খাতুনে বেষ্ট লিফ্‌টাৰ খিতাপ লাভ কৰাৰ লগতে পুৰুষৰ ছিনিয়ৰ বেষ্ট লিফ্‌টাৰ হয় জয়ন্ত কোঁচ। তিনিওগৰাকী খেলুৱৈ তেজপুৰ বিন্দুকুৰিৰ ফিজিক জিমৰ সদস্য। আনহাতে পুৰুষৰ জুনিয়ৰ বিভাগত বেষ্ট লিফ্‌টাৰ খিতাপ লাভ কৰে বিহগুৰি চিলাৰায় ব্যায়ামগাৰৰ নীলম নাথে। বৰচলাৰ বিধায়ক গণেশ লিম্বুৱে উদ্বোধন কৰা প্ৰতিযোগিতাখনত বিচাৰক হিচাবে অংশ লয় ৰাতুল কুমাৰ দাস, দেববাম বৰা, বিবূধ ডেকা, শৰৎ শইকীয়া, দিব্যজ্যোতি দাস, সমিৰণ বৰা, অৰ্পনা ডেকা, মিন্টু কাকতি, দুদু তামুলী, দিৱসমণি বৰুৱা, মোজাহিদ ৰাজা, চলিমত দেৱান আৰু জয়ন্ত বৰাই। জুৰী বৰ্ডৰ চেয়াৰমেন হিচাবে খেলপৰিচালনা কৰে পংকজ বৰাই। উল্লেখ্য যে, অহা ২৪-২৫ অক্টোবৰলৈ গুৱাহাটীত অনুষ্ঠিত হ'বলগা ভাৰোত্তোলনৰ সোনালী জয়ন্তীৰ প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে শোণিতপুৰৰ এটা শক্তিশালী দল এই প্ৰতিযোগিতাৰ পৰাই বাচনি কৰা হ'ব বুলি শোণিতপুৰ জিলা শৰীৰৰ চৰ্চা সন্থাই জানিবলৈ দিছে। প্ৰতিযোগিতাৰ আৰম্ভণিতে জিলা শৰীৰ চৰ্চা সন্থাৰ পতাকা উত্তোলন কৰে পংকজ বৰাই আৰু জিলা ভাৰোত্তোলন সন্থাৰ পতাকা উত্তোলন কৰে শৰত শইকীয়াই। আনহাতে ফিট এণ্ড শ্লিমৰ পতাকা উত্তোলন কৰে কৰুণা দত্ত বৰাই। প্ৰতিযোগিতাখনত ৰাজ্যৰ প্ৰথম গৰাকী ভাৰোত্তোলনৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত বিচাৰক তথা অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। **এছ এম বিৰ সাফল্য ঃ** ইপিনে,এই প্ৰতিযোগিতাখনত তেজপুৰ নপামৰ এছ এম বি জিমৰ ছয় গৰাকী খেলুৱৈয়ে পদক লাভ কৰিবলৈ সক্ষম হয়। সোণৰ পদক লাভ কৰে ইমৰান হুছেইন, ৰূপজ্যোতি গগৈ আৰু প্ৰতিশ্ৰুতি দেৱীয়ে। ৰূপৰ পদক লাভ কৰে ছাইফউদ্দীন আহমেদ আৰু আঞ্জামূল হকে তথা ব্ৰঞ্জৰ পদক লাভ কৰে ইনজামুল হকে। এইসকলৰ ভিতৰত ইমৰান হুছেইন, ৰূপজ্যোতি গগৈ আৰু প্ৰতিশ্ৰুতি দেৱীয়ে আগন্তুক ২০ অক্টোবৰৰ পৰা গুৱাহাটীত অনুষ্ঠিত হবলগা ৰাজ্যিক প্ৰতিযোগিতাত শোণিতপুৰ জিলা দলৰ হৈ অংশ গ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিছে।



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিনৰ পূৰ্বে নিজৰ জন্মদিনত মধ্যপ্ৰদেশৰ কুনো ৰাষ্ট্ৰীয় উদ্যানত মুকলি কৰি দিছিল আফ্ৰিকা মহাদেশৰ নামিবিয়াৰ পৰা অনা আঠটা চিতাবাঘ। চৰকাৰীভাৱে কোৱা হৈছিল যে এই নামিবিয়াৰ অতিথিয়েই দেশৰ পৰা বিলুপ্ত হোৱা চিতাৰ সংসাৰখন নতুনকৈ গঢ়ি তুলিব।

# কুনোৰ জংঘলত চিতাৰ বংশবিস্তাৰক লৈ প্ৰশ্ন বিশেষজ্ঞৰ

## আফ্ৰিকান অতিথিৰ খাদ্যাভ্যাসক কেন্দ্ৰ কৰিও চিন্তা ব্যক্ত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিনৰ পূৰ্বে নিজৰ জন্মদিনত মধ্যপ্ৰদেশৰ কুনো ৰাষ্ট্ৰীয় উদ্যানত মুকলি কৰি দিছিল আফ্ৰিকা মহাদেশৰ নামিবিয়াৰ পৰা অনা আঠটা চিতাবাঘ। চৰকাৰীভাৱে কোৱা হৈছিল যে এই নামিবিয়াৰ অতিথিয়েই দেশৰ পৰা বিলুপ্ত হোৱা চিতাৰ সংসাৰখন নতুনকৈ গঢ়ি তুলিব। এই আফ্ৰিকান চিতা (বৈজ্ঞানিক নাম এছিন'নিক্স জুবাটুছ জুবাটুছ) জংঘলত এৰি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছিল যে এই বিলুপ্ত প্ৰাণীবিধক আন দেশৰ পৰা অনাৰ চেষ্টা আগৰ কোনো চৰকাৰেই কৰা নাছিল। প্ৰধানমন্ত্ৰীয়ে এই কৃতিত্ব দাবী কৰাৰ সময়তে দেশৰ প্ৰাণী বিশেষজ্ঞসকলৰ এটা বৃহৎ অংশই আন এক প্ৰশ্ন দাঙি ধৰিলে। তেওঁলোকে প্ৰশ্ন কৰিছে যে বিলুপ্ত ভাৰতীয় চিতা (এছিন'নিক্স জুবাটুছ ভেনাটিকাছ)ৰ পুনৰ্ভিষেক আফ্ৰিকাৰ চিতাসমূহৰ দ্বাৰা কিদৰে সম্ভৱ? ভিন্ন প্ৰজাতিৰ এবিধ প্ৰাণী বিদেশৰ পৰা আনি বিলুপ্ত ভাৰতীয় চিতাক পুনৰজন্ম দিয়াটো কিদৰে সম্ভৱ বুলিও তেওঁলোকে প্ৰশ্ন কৰিছে। এয়া অনৈতিক বুলিও তেওঁলোকে মত প্ৰকাশ কৰিছে।

উল্লেখ্য যে এই নৈতিকতাৰ প্ৰশ্নতে সম্প্ৰতি প্ৰাণী গৱেষণাৰ বিশ্ব সংস্থা 'ইণ্টাৰনেছনেল ইউনিয়ন ফৰ কনজাৰভেছন অৱ নেছাৰ' (আইইউচিএন)ৰ বিধিও এই ক্ষেত্ৰত বহু পৰিমাণে প্ৰাসংগিক হৈ পৰিছে। তাত স্পষ্টভাৱে কোৱা হৈছে যে ভিন দেশৰ কোনো বিশেষ প্ৰজাতিৰ প্ৰাণীক আনি নিজ দেশত পুনঃস্থাপনৰ চেষ্টা কৰাটো অনুচিত। সেই বাবেই 'প্ৰজেক্ট চিতা'ক কেন্দ্ৰ কৰি এতিয়াও প্ৰশ্নচিহ্ন উলমি আছে। উল্লেখ্য যে ১৯৪৮ত ভাৰতত অন্তিমবাৰলৈ চিতা দেখা পোৱা গৈছিল। মধ্যপ্ৰদেশৰ উত্তৰ অংশৰ ছৰগুজাত মহাৰাজা ৰামানুজ প্ৰতাপ সিংদেউৱে মৃগয়ালৈ যাওঁতে ভাৰতীয় চিতাৰ অন্তিম তিনিটা বংশধৰক গুলীয়াই হত্যা কৰিছিল। তাৰ পাছৰে পৰা দেশত চিতাৰ সাক্ষাৎ নোহোৱা হ'ল। ফলত ১৯৫২ত ভাৰতীয় চিতা বিলুপ্ত হোৱা বুলি চৰকাৰী ছীল-মোহৰ পৰে। ক্ৰমাৎ বিস্মৃতিৰ গৰাহত সোমাই পৰিল ভাৰতীয় চিতা। ৯০ দশকৰ আৰম্ভণিতে হায়দৰাবাদৰ 'লেবৰেটৰী ফৰ দ্য কনজাৰভেছন অৱ এনডেঞ্জাৰ স্পেছিছ' (এলচিইএছ)ৰ একাংশ উৎসাহী গৱেষকে দেশৰ জংঘল-জলাশয়ৰ পৰা বিলুপ্ত হোৱা পশু-পক্ষীবোৰ আন দেশৰ পৰা ঘূৰাই অনাৰ প্ৰস্তাৱ দিয়ে কেন্দ্ৰক। সেই তালিকাত এছীয় চিতাও আছিল। অৱশ্যে সেই সময়ত সঘন চৰকাৰ সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত সেই প্ৰস্তাৱ ফাইলতে আবদ্ধ হৈ ৰ'ল। ২০০৪ত সেই প্ৰস্তাৱৰ ফাইল পুনৰ মুকলি কৰা হয় যদিও ইণ্ডোনেছিয়াৰ চৰকাৰে সেই দেশত পোৱা পিগমি হাতী বা জাভাৰ বাওনা গঁড় বিনিময় কৰিবলৈ অমান্তি হয়। উল্লেখ্য যে ভাৰতীয় চিতাৰ একমাত্ৰ স্বজাতিয়ে বাস কৰে ইৰানৰ কাইজেলকুম মৰু অঞ্চলত বাস কৰে। যদিও তাত মাত্ৰ ৫০টা মানহে চিতা থকাত ইৰান চৰকাৰেও দিবলৈ অমান্তি হয়। পুনৰ বিষয়টো কিছুদিন ফাইল বন্দী হৈ থকাৰ পাছত ২০০৯ত আকৌ নতুনকৈ চিন্তা-ভাবনা আৰম্ভ হয়। তেতিয়াই ততাতৈয়াকৈ মধ্যপ্ৰদেশৰ কুনো ৰাষ্ট্ৰীয় উদ্যানকে আসন্ন চিতাকুলৰ নতুন বাসস্থানৰূপে চিহ্নিত কৰা হয়।

কুনো জংঘলক বাছি লোৱাৰ প্ৰসংগত প্ৰথমৰে পৰা আফ্ৰিকান চিতাৰ পুনৰ্ভিষেকৰ প্ৰশ্নত আপত্তি দৰ্শাই অহা দেশৰ বিশিষ্ট ব্যাঘ্ৰ বিশেষজ্ঞ বাল্মিক থাপাৰে আগতেই কৈছিল, 'এই পৰীক্ষাৰ ভয়ানক দুখজনক পৰিণতি হ'বলৈ গৈ আছে বুলিয়ে মই ভাবো। আফ্ৰিকাৰ অত্যন্ত ধুনীয়া এই প্ৰাণীসমূহক কুনোৰ দৰে অভয়াৰণ্যত এৰি দিয়া হ'ব, য'ত সিহঁতে চিকাৰ কৰিবলৈ কি আছে? তাত নাই সিহঁতৰ পৰিচিত ছাভানা, সিহঁতৰ কথা ভাবিয়ে কষ্ট হৈছে।'

কুনোৰ ঘাঁহনিৰে ভৰা ভূমি চিতাৰ বসবাসৰ পক্ষে একেবাৰে উপযুক্ত নহয় বুলি মন্তব্য কৰিছে দেশৰ আন এজন ব্যাঘ্ৰ বিশেষজ্ঞ বিশ্বজিৎ ৰায়চৌধুৰীয়ে। তেওঁ কয়, 'মাত্ৰ ৭৪০ বৰ্গ কিলোমিটাৰৰ কুনো অভয়াৰণ্য। প্ৰতিটো চিতাৰ নিজস্ব বিচৰণ ক্ষেত্ৰ থাকে, যি কমেও এশ বৰ্গ কিলোমিটাৰ। তেতিয়াহ'লে কুনোত কেইটা চিতা থাকিব, সাতটা?' আফ্ৰিকাৰ চিতাৰ স্বভাৱ সম্পৰ্কে ১৭ বছৰৰ দীঘলীয়া অভিজ্ঞতা থকা ব্যাঘ্ৰ বিশেষজ্ঞ আৰ্থাৰ জেফাৰছনে কয়, 'পূব আৰু দক্ষিণ আফ্ৰিকাৰ চিতাবোৰৰ খাদ্য তালিকাত আছে ইম্পালা, জেমবাক। ভাৰতৰ জংঘলত নীলগাই, ছম্বৰৰ দৰে ডাঙৰ আকাৰৰ হৰিণ নামিবিয়াৰ চিতাই কিদৰে চিকাৰ কৰিব পাৰিব? তদুপৰি ভাৰতীয় জংঘলত বাঘ বা নহৰফুটুকীৰ দৰে প্ৰাণীবোৰ আছে, যিবোৰ চিতাৰ ডাঙৰ শত্ৰু।'

# নগাঁৱৰ বজাৰত ৮০ৰ উৰ্ধ্বৰ বৃদ্ধৰ আশ্ৰয়

## ভায়েকে এৰি থৈ যোৱা বুলি প্ৰকাশ ঃ ইছলামধৰ্মী ব্যৱসায়ীৰ সহায়ৰ হাত

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ ভূঞাপট্টি বজাৰত পৰিচয়হীন ৮০ৰ উৰ্ধ্বৰ এগৰাকী বৃদ্ধ লোকে আশ্ৰয় ল'ব লগা হোৱা ঘটনাই সকলোকে চিন্তিত কৰি তুলিছে। তথ্য মতে, যোৱা পাঁচ-ছদিন ধৰি নগাঁও চহৰৰ ভূঞাপট্টিৰ বজাৰত এই বৃদ্ধ লোকজনে আশ্ৰয় লৈ আছে। পাঁচ-ছদিনৰ আগতে ভূঞাপট্টিৰ বজাৰ অঞ্চলত অতি অসহায় অৱস্থাত প্ৰত্যক্ষ কৰি ইছলামধৰ্মী ব্যৱসায়ীসকলে হিন্দু ধৰ্মৰ লোকজনক বজাৰৰ এটা গৃহত থকা মেলাৰ সুব্যৱস্থা কৰি দিয়াৰ লগতে হোটেলৰ পৰা খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিছে। ইছলামধৰ্মী ব্যবসায়ীসকলৰ এনে পদক্ষেপক সকলোৱে প্ৰশংসা কৰিছে। তেওঁলোকে অসহায় বৃদ্ধজনক সহায়ৰ হাত আগবঢ়ায় মহানুভৱতাৰ লগতে সমন্বয়ৰ এক চানেকি দাঙি ধৰিছে। নৰেন ৰায় বুলি নিজকে পৰিচয় দিয়া বৃদ্ধজনে তেওঁৰ ঘৰ গুৱাহাটীৰ লখৰাত বুলি সদৰী কৰিলেও আত্মীয়-স্বজনৰ সন্দৰ্ভত একো তথ্য প্ৰকাশ কৰিবলৈ সক্ষম হোৱা নাই। তেওঁ জানিবলৈ দিয়া মতে তেওঁৰ লগত ভায়েক নগাঁৱলৈ আহিছিল যদিও ভায়েকে তেওঁক এৰি থৈ গুচি যায়। তেওঁৰ ভায়েক কোন আৰু ভায়েকে তেওঁক কেতিয়া এৰি থৈ গ'ল সেই সম্পৰ্কে একো ক'ব পৰা নাই। আনকি তেওঁৰ ঘৰত কোন কোন আছে সেই সন্দৰ্ভতো বিশেষ একো কথা উল্লেখ কৰিব পৰা নাই। অৱশ্যে লোকজন পুনৰ ঘৰলৈ যাবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰিছে। নগাঁৱৰ দুই এজন সচেতন লোকে লোকজনৰ খবৰ লোৱাৰ লগতে লোকজনৰ নিৰাপদ আশ্ৰয়ৰ বাবে স্বেচ্ছাসেৱী সংগঠন, হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীক অৱগত কৰিছে। এই ক্ষেত্ৰত স্বেচ্ছাসেৱী অনুষ্ঠান আৰু আৰক্ষীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব। কি পৰিস্থিতিত কেনেকৈ লোকজন নগাঁও আহি পালেহি সেই বিষয়ে জানিব পৰা হোৱা নাই। ইপিনে, লোকজনৰ হাতত কোনো ধৰণৰ পৰিচয়ৰ তথ্য নাই।



# দেৰগাঁৱত সংঘটিত হৈছে আচৰিত ঘটনা

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ কমাৰগাঁৱৰ পূজাৰী চুকত সংঘটিত হৈছে এক আচৰিত ঘটনা। পূজাৰী চুকৰ ভৰেন বৰপূজাৰী নামৰ ব্যক্তিজনৰ ঘৰৰ যি কোনো আচবাব নিজে নিজেই জ্বলি উঠিছে। যাৰ বাবে এতিয়া আতংকিত হৈ পৰিছে সকলো। দুই-তিনিদিনৰ আগতে বিদ্যুতৰ কিছু বিসংগতি আছিল যদিও সেয়া ইতিমধ্যেই ঠিক কৰিছিল গৃহস্থই। আজিৰ দিনটোত হঠাতেই এনে কাণ্ড সংঘটিত হোৱাত প্ৰথম অৱস্থাত বিদ্যুতৰ বিসংগতিৰ বাবে এনে ঘটনা সংঘটিত হৈছে বুলি ধাৰণা কৰি বিদ্যুত সংযোগ সম্পূৰ্ণ কৰ্তন কৰি দিয়াৰ পাছতো কিন্তু সংঘটিত হৈ আছে এই আচৰিত ঘটনা। কিতাপ, ফুলদানি, পুতলা, কাপোৰ, চাকি আদি জ্বলি উঠিছে নিজে নিজেই। উপায়হীন গৃহস্থ ব্যস্ত হৈ পৰিছে ঘৰৰ আচবাব নিৰাপদ দূৰত্বলৈ আঁতৰাই নিয়াত। অন্যহাতে, ভৰেন বৰপূজাৰীৰ ঘৰৰ কাষৰ তিনিঘৰতো সংঘটিত হয় অনুৰূপ ঘটনা। প্ৰাঞ্জল পূজাৰী, দিগন্ত বৰপূজাৰী নামৰ ব্যক্তিকেইজনৰ ঘৰতো বিভিন্ন আচবাব মানুহ আঁতৰি গ'লেই নিজে নিজেই জ্বলি উঠে। এনে অস্বাভাৱিক ঘটনাই এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। প্ৰকৃততে এনে ধৰণৰ ঘটনা কি কাৰণত সংঘটিত হৈ আছে তাৰ প্ৰকৃত কাৰণ এতিয়াও পোহৰলৈ অহা নাই। হয়তো কিছু সূক্ষ্মভাৱে অনুসন্ধান কৰাৰ পাছতহে পোহৰলৈ আহিব প্ৰকৃত তথ্য।

## শংকৰ সংঘৰ ৮৯ সংখ্যক বাৰ্ষিক অধিবেশন

# বোকাখাত ২০২০ৰ আয়-ব্যয়ৰ হিচাপ দাখিল আদৰণি সমিতিৰ

**বোকাখাত, ২৬ ছেপ্টেম্বৰ ঃ** বোকাখাতৰ দৰে এখন সৰু ঠাই আৰু সংঘৰ এখন সৰু জিলাই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৮৯ সংখ্যক বাৰ্ষিক অধিবেশন, বোকাখাত ২০২০ৰ আদৰণি সমিতিয়ে এখন নজিৰবিহীন আৰু ঐতিহাসিক অধিবেশন অনুষ্ঠিত কৰিলে। এই মন্তব্য কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে। ২০২০ত ঐতিহাসিক কমাৰগাঁৱৰ দিহিঙীয়া মহুৰা পথাৰৰ বিশ্ব ঐতিহ্য কাজিৰঙা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হৈছিল বোকাখাত জিলা শাখাৰ আতিথ্যত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৮৯ সংখ্যক বাৰ্ষিক অধিবেশন, বোকাখাত ২০২০। কা-আন্দোলন আৰু আৰ্থিক দৈন্যৰ বাবে অধিবেশন অনুষ্ঠিত কৰাৰ বাবে প্ৰতিবন্ধকতা আহি পৰিছিল। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বলিষ্ঠ পদক্ষেপ আৰু প্ৰধান সম্পাদকৰ গুৰুত্বপূৰ্ণ ভুমিকাৰ বাবে ২০২০ৰ পাঁচ, ছয়, সাত আৰু আঠ ফেব্ৰুৱাৰীত এখন সফল অধিবেশন অনুষ্ঠিত কৰিলে। কিন্তু অধিবেশন অনুষ্ঠিত হৈ যোৱাৰ পাছতে বিশ্বজুৰি মহামাৰী কৰ'নাৰ বাবে সকলো গৃহবন্দী হৈ পৰাত অধিবেশনৰ আয়-ব্যয়ৰ হিচাপ দাখিলত কিছু পলম হ'ল। শেহতীয়াকৈ আদৰণি সমিতিয়ে তিনিজনকৈ হিচাপ পৰীক্ষকৰ হতুৱাই উপ-সমিতি আৰু মূল সমিতিৰ হিচাপসমূহ পৰীক্ষণ কৰোৱাই ক্ৰমে আদৰণি সমিতিৰ কৰ্ণধাৰ সভা, আদৰণি সমিতিৰ কাৰ্যনিৰ্বাহক সভা, সাধাৰণ পৰিষদ সভা আৰু জিলা কাৰ্যনিৰ্বাহক সভাত আদৰণি সমিতিৰ সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন অনুমোদন জনাই মূল সংঘই অনুমোদন জনাই গৃহীত কৰিবৰ বাবে প্ৰেৰণ কৰে। কালি নগাঁও কলংপাৰস্থিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ তৃতীয় কাৰ্যনিৰ্বাহক সভাত প্ৰধান সম্পাদক বাবুল বৰাই পাঠ কৰে। আয়-ব্যয়ৰ হিচাপ দাখিলত প্ৰধান সম্পাদক আদৰণি সমিতিয়ে সৰ্বমুঠ আয় কৰে দুই কোটি ৫৭ লাখ, ৪৪ হেজাৰ, ৮৪১ টকা আৰু সৰ্বমুঠ ব্যয় কৰে এক কোটি, ৯৯ লাখ, ৫৭ হেজাৰ, ১৫৫ টকা। সামৰণিত সৰ্বমুঠ ৰাহি কৰে ৫৭ লাখ, ৮৭ হেজাৰ, ৬৮৬ টকা। কিছু পলম হ'লেও কোনো বিতৰ্ক নোহোৱাকৈ আদৰণি সমিতিয়ে সংঘৰ সাংবিধানিক নীতি-নিয়মেৰে অতি নিয়াৰিকৈ আয়-ব্যয়ৰ হিচাপ দাখিল কৰাৰ বাবে পদাধিকাৰ আৰু প্ৰধান সম্পাদকে আদৰণি সমিতিৰ সাধাৰণ সম্পাদক চন্দ্ৰকান্ত ভূঞা, যুটীয়া সম্পাদক প্ৰদীপ হাজৰিকা আৰু কাৰ্যালয় সম্পাদক তথা বিত্ত সমন্বয়ক দিব্যজ্যোতি হাজৰিকাৰ বিশেষ শলাগ লয়। পদাধিকাৰ গগৈয়ে সংঘৰ এখন সৰু জিলাই অতি শৃংখলাবদ্ধভাৱে অতি সুন্দৰ আৰু পৰিপাটিকৈ এখন ঐতিহাসিক আৰু নজিৰবিহীন অধিবেশন অনুষ্ঠিত কৰি এক অভিলেখ সৃষ্টি কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৯০বছৰীয়া ইতিহাসত এইখন এখন বিৰল অধিবেশন বুলি উল্লেখ কৰে পদাধিকাৰ গগৈয়ে। কালি মূল সংঘৰ কাৰ্যনিৰ্বাহকে ৮৯ সংখ্যক বাৰ্ষিক অধিবেশন, বোকাখাত ২০২০ৰ আয়-ব্যয়ৰ হিচাপ অনুমোদন জনাই গৃহীত কৰাৰ পাছত আজি আদৰণি সমিতিয়ে বোকাখাত জিলা শাখাৰ কাৰ্যালয়ত এখন সংবাদমেল অনুষ্ঠিত কৰি আয়-ব্যয়ৰ সমুদায় খতিয়ান ৰাজহুৱা কৰে। বিভিন্ন ঘাত -প্ৰতিঘাতৰ মাজেৰে এখন সফল অধিবেশন অনুষ্ঠিত কৰাৰ বাবে সকলো সাংবাদিকে আদৰণি সমিতিৰ সভাপতি-সাধাৰণ সম্পাদক আৰু প্ৰতিগৰাকী বিষয়ববীয়াৰে শলাগ লয়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত জিলা শাখাৰ সম্পাদক যতীন লইঙে মূল ৰাহি ধনৰ ৫০ শতাংশ ধনেৰে জিলা শাখাৰ নামঘৰ, কাৰ্যালয়, বিদ্যালয় আদি উন্নয়নৰ কাম কৰা হ'ব বুলি সাংবাদিকসকলক অৱগত কৰে। আজিৰ সংবাদমেলত আদৰণি সমিতিৰ সাধাৰণ সম্পাদক চন্দ্ৰকান্ত ভূঞা, যুটীয়া সম্পাদকদ্বয় ক্ৰমে প্ৰদীপ হাজৰিকা আৰু যতীন লইং, কাৰ্যালয় সম্পাদক দিব্যজ্যোতি হাজৰিকা, বিত্ত উপ-সমিতিৰ সম্পাদক অনিমেষ শইকীয়া, আদৰণি সমিতিৰ উপদেষ্টা তথা সাংবাদিক জিতু শৰ্মা ৰাজখোৱা আৰু বোকাখাতৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকল উপস্থিত থাকে।

কোনো মহিলাই ইমানদিনে কৰিব নোৱৰা এটা কাম ৮০ বছৰ বয়সত কৰি ইতিহাস সৃষ্টিৰ দিশে অগ্ৰসৰ হৈছিল মায়া দেৱী। মথুৰাৰ চাৰিশ বছৰীয়া পুৰণি ৰাধাৰাণী মন্দিৰত পুৰেহিতৰ দায়িত্ব লাভ কৰিছে মায়াই। যদিও মন্দিৰটোৰ প্ৰথম মহিলা পুৰোহিত হৈ পূজা কৰিবলৈ যোৱাৰ পূৰ্বেই বাধা পালে তেওঁ। লক্ষ্যণীয়ভাৱে বৃদ্ধাৰ পৰিয়ালৰ লোকৰ পৰাই আহিছে সেই বাধা।

# মথুৰাৰ ৰাধাৰাণী মন্দিৰত প্ৰথমবাৰলৈ মহিলা পুৰোহিত

## বিৰোধিতা কৰি আদালতৰ দ্বাৰস্থ নিজৰে পৰিয়াল



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** কোনো মহিলাই ইমানদিনে কৰিব নোৱৰা এটা কাম ৮০ বছৰ বয়সত কৰি ইতিহাস সৃষ্টিৰ দিশে অগ্ৰসৰ হৈছিল মায়া দেৱী। মথুৰাৰ চাৰিশ বছৰীয়া পুৰণি ৰাধাৰাণী মন্দিৰত পুৰেহিতৰ দায়িত্ব লাভ কৰিছে মায়াই। যদিও মন্দিৰটোৰ প্ৰথম মহিলা পুৰোহিত হৈ পূজা কৰিবলৈ যোৱাৰ পূৰ্বেই বাধা পালে তেওঁ। লক্ষ্যণীয়ভাৱে বৃদ্ধাৰ পৰিয়ালৰ লোকৰ পৰাই আহিছে সেই বাধা। আনকি মায়া ৰাধাৰাণী মন্দিৰৰ পুৰোহিত হোৱাৰ বিৰোধিতাত পৰিয়ালৰ সদস্যসকল আদালতৰো দ্বাৰস্থ হৈছে।

মথুৰাৰ পৰা ৪০ কিলোমিটাৰ নিলগত অৱস্থিত ৰাধাৰাণী মন্দিৰ। বাঁকেবিহাৰী মন্দিৰৰ পাছত ৰাধাৰাণী হৈছে মথুৰাৰ দ্বিতীয় বিখ্যাত মন্দিৰ। বিগত চাৰিশ বছৰ ধৰি ইয়াত পুৰুষ পুৰোহিতেই পূজা কৰি আহিছে। বিগত মে'ত মন্দিৰৰ পুৰোহিতৰূপে মায়াৰ নাম উত্থাপিত হয়, কিন্তু তাৰ পাছতে আৰম্ভ হয় বিতৰ্ক। মায়াৰ স্বামী হৰিবংশ লাল গোস্বামী আছিল ৰাধাৰাণী মন্দিৰৰ পুৰোহিত। তেওঁলোকৰ কোনো সন্তান নথকাৰ বাবে হৰিবংশৰ অবৰ্তমানত মন্দিৰৰ পুৰোহিতৰূপে মায়াই দায়িত্ব লাভ কৰে। যদিও ইয়াৰ পাছতে আৰম্ভ হয় বিতৰ্ক। আচলতে মায়া হৈছে হৰিবংশৰ দ্বিতীয় পত্নী।

তেওঁ পুৰোহিত হোৱাত বাধাৰ সৃষ্টি কৰিছে স্বামীৰ প্ৰথম পত্নীৰ পৰিয়ালে। তেওঁলোকে মায়াক 'প্ৰতাৰক' বুলি অভিযোগ কৰি আদালতৰ দ্বাৰস্থ হৈছে। আনহাতে, সংবাদ মাধ্যমৰ আগত মায়াই দাবী কৰিছে যে তেৰেঁই পুৰোহিতৰ আসনত বহাৰ প্ৰকৃত দাবীদাৰ।

মায়াই কয় যে তেওঁ বিগত ৬০ বছৰ ধৰি স্বামীৰ স'তে পূজা কৰি আহিছে। এতিয়া যিহেতু প্ৰধান পুৰোহিতৰূপে দেৱতাৰ সেৱা কৰাৰ সুযোগ পাইছে, এই সুযোগ কিয় হেৰুৱাব বুলি তেওঁ কয়। উল্লেখ্য যে মায়াৰ আত্মীয় ৰাসবিহাৰী গোস্বামী আৰু তেওঁৰ অনুগামীসকলে ইতিমধ্যে মন্দিৰৰ বাহিৰত মহিলা পুৰোহিতৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিছে। তেওঁলোকে দাবী কৰে যে দেৱতা দৰ্শন, প্ৰসাদ বিতৰণৰ পৰা মন্দিৰৰ তহবিল গঠন পৰ্যন্ত সকলোতে মায়াই অকলে সিদ্ধান্ত গ্ৰহণ কৰিছে। যদিও এই অভিযোগ নস্যাৎ কৰিছে মায়াই। সম্প্ৰতি বিতৰ্কই আদালতৰ মজিয়া পাইছেগৈ।

# পাহাৰৰ শিখৰত 'ক্লং ক্লং' প্ৰতিধ্বনি তুলি জীয়াই থকাৰ হেঁপাহ পাহাৰী কৃষকৰ

## কাৰ্বি পাহাৰত কৃষি ৰক্ষাৰ এক বিশেষ যন্ত্ৰ তৈয়াৰ কৰি সেউজ বিপ্লৱৰ সূচনা এদল পাহাৰীয়াৰ ঃ 'ক্লং ক্লং' শব্দই দূৰ কৰিব পাৰে হাতী-মানুহৰ সংঘাত

**জয়ন্ত কুমাৰ শৰ্মা**
**কলিয়াবৰ, ২৬ ছেপ্টেম্বৰ ঃ** 'ক্লং.. ক্লং.. ক্লং.. ক্লং ... !' এয়া আজিৰ কাৰ্বিপাহাৰৰ বুকুৰ এক চিনাকি শব্দ। পাহাৰীয়া বতাহত অনবৰতে ভাহি আহে এই শব্দ। দুভাগ নিশা পাহাৰত ঠেকা খাই এই শব্দৰ প্ৰতিধ্বনিয়ে অনুৰণন তোলে ভৈয়াম জনাঞ্চলত। এই শব্দৰ উৎস বিচাৰি থিয় পাহাৰ বগাওঁতেই দৃষ্টিগোচৰ হৈছিল পাহাৰৰ বুকুখনি ভিন্ন ৰঙৰ পোহাৰেৰ মাধুৰ্যময় কৰি তোলা বিস্তৃৰ্ণ কৃষিভূমি। ধান, গোমধান, জলকীয়া, আনাৰসকে ধৰি বহু কৃষিভূমি গঢ় লৈ উঠিছে পাহাৰৰ বুকুত। প্ৰথম অৱস্থাত বিভিন্ন চৰাই, গাহৰি, পহু আদিয়ে এই খেতি নষ্ট কৰিছিল যদিও আজি এই কৃষি সুৰক্ষিত। কাৰণ এই কৃষি সুৰক্ষাত পাহাৰীয়া কৃষকৰ আলম হৈছে 'ক্লং ক্লং'। আচলতে এই 'ক্লং ক্লং' হৈছে এবিধ থলুৱা কৃষি সুৰক্ষাৰ যতন। পাহাৰৰ বাঁহ আৰু মৰাপাটৰ ৰছীৰ সহায়ত ইয়াক সাজি উলিওৱা হৈছে। ওখ ডাঁৰবাৰীৰ দৰে এডাল বাঁহৰ আগত বিশেষ পাহাৰীয়া থলুৱা প্ৰযুক্তিৰে সাজি উলিয়াইছে কৃষি সুৰক্ষাত নিয়োজিত এই বিশেষ যন্ত্ৰবিধ। ধনুৰ দৰে সাজি তাত বাঁহৰ টকাৰ দৰে সামগ্ৰী ব্যৱহাৰ কৰি মৰাপাটৰ ৰছীৰে সকলোখিনি সংযোগ কৰা হৈছে। ৰছীডালৰ একেবাৰে তলৰ অংশত আছে এই বাহেঁৰেই নিৰ্মিত ডলাৰ দৰে এক সামগ্ৰী। ইয়াক ডাঁৰবাৰীৰ দৰে ওখ বাঁহডালৰ আগত ওলমাই থ'লে বতাহৰ কম্পনত 'ক্লং ক্লং' শব্দ কৰি থাকে। এইবাবেই থলুৱা লোকৰ ভাষাত এই যন্ত্ৰবিধৰ নাম 'ক্লং ক্লং' দিছে তেওঁলোকে। আজি এই থলুৱা যন্ত্ৰৰ শব্দৰ বাবেই কৃষি পথাৰৰ কাষ নাচাপে ফচল নষ্ট কৰা বন্যপ্ৰাণী, চৰাই আদি আৰু আজিৰ সময়ত এই সামগ্ৰীবিধেই হৈছে কাৰ্বিপাহাৰৰ বুকুৰ কৃষিভূমি ৰক্ষাৰ মূল অস্ত্ৰ। আজিৰ দিনত এই 'ক্লং ক্লং' যন্ত্ৰ লৈয়ে যেন শিলৰ বুকুত সোণগুটি চপাবলৈ নামি পৰিছে এদল পাহাৰীয়া লোক। অস্ত্ৰ-শস্ত্ৰ নহয়, এইবাৰ সেউজভূমি ৰূথে পাহাৰৰ সুউচ্চ চূড়াত গঢ়ি উঠিছে এক সুগন্ধি সেউজ বিপ্লৱ। একালৰ অশান্ত কাৰ্বি পাহাৰৰ মধ্যস্থলৰ কাৰ্বি আংলং জিলাৰ চুচেনধেন্টা স্বায়ত্তশাসিত পৰিষদীয় সমষ্টিৰ অন্তৰ্গত সুউচ্চ ৰূথে পাহাৰৰ চূড়াত স্থানীয় একাংশ কৃষিজীৱী লোকে আৰম্ভ কৰিছে 'চক-মেন-থ্'ৰ খেতি। আচলতে 'চক-মেন-থ্' এক কাৰ্বি ভাষাৰ শব্দ। ইয়াৰ অসমীয়া ৰূপান্তৰ সুগন্ধি ধান। চক মানে সুগন্ধি আৰু মেন-থ্ মানে ধান। এই ধানখেতিৰ লগতে আছে আন আন কৃষিও। নগাঁও- কাৰ্বি আংলং সীমান্তৰ পৰা কলিয়াবৰ মহকুমাৰ দক্ষিণ-পূব দিশেৰে কাৰ্বি আংলং পাৰ্বত্য অঞ্চলত প্ৰৱেশ কৰি পাহাৰীয়া ৰঙামাটিৰ পথটোৰে প্ৰায় আঠৰ পৰা ১০ কিলোমিটাৰ পথ পাহাৰৰ মাজে মাজে গ'লেই পোৱা যায় চুচেনধেন্টা সমষ্টিৰ লংকৈ টিছ্ নামৰ পাহাৰীয়া গাঁওখন। পাহাৰীয়া টিলাৰ অ'ত ত'ত এঘৰ-দুঘৰকৈ কাৰ্বি সম্প্ৰদায়ৰ লোকেৰে গঢ়ি উঠা দুৰ্গম পাহাৰীয়া গাঁওখনৰ লোকসকলে এতিয়া আৰম্ভ কৰিছে এই কৃষি বিপ্লৱ। পাহাৰৰ টিলাত ঝুম পদ্ধতিৰে শ-শ বিঘা পাহাৰটিলাৰ ভূমিত কৰিছে এই সেউজ বিপ্লৱ। একালত এই পাহাৰতে হৈছিল গছ কটা, শিল ভঙাকে ধৰি বহু অপকৰ্ম। ধ্বংসপ্ৰাপ্ত হৈ পৰিছিল ইটোৰ পাছত সিটো পাহাৰ। এতিয়া পিছে এই সেউজ বিপ্লৱেৰে সেউজীয়া হৈছে তাহানিৰ ধ্বংসপ্ৰাপ্ত বহু পাহাৰটিলাৰ বক্ষ। সকলোতকৈ আকৰ্ষণীয় কথাটো হ'ল যে সাম্প্ৰতিক সময়ত আধা পকা অথবা কোনোডৰা পকি সোণালী বৰণ ধৰা ধাননিৰ সুগন্ধি ল'বলৈ ধাননিত প্ৰৱেশ কৰিছে বহু ৰং-বিৰঙৰ বিধে বিধে পক্ষীয়ে। আন আন শস্য খাবলৈও আহিছে গাহৰি, পহুকে ধৰি নানা বন্যপ্ৰাণীও; কিন্তু এই ক্লং ক্লঙে আঁতৰাই পঠিয়াইছে চৰাই-চিৰিকটি, বন্যপ্ৰাণী। যাৰ বাবে সুকলমে খেতি চপোৱাত সফল হৈছে এইসকল পাহাৰী কৃষক। এইসকল কৃষকৰ হৈ এই পাহাৰৰ গোবিন ৰংফাৰ গাঁৱৰ জয়ছিং নামৰ খেতিয়কজনৰ আন আন ভৈয়ামৰ কৃষকৰ প্ৰতিও আহ্বান, 'এই থলুৱা প্ৰযুক্তিৰে সহজেই নিৰ্মাণ কৰিব পৰা যন্ত্ৰই চৰাই বা আন বন্যপ্ৰাণীৰ লগতে হাতীৰ জাককো নিজৰ কৃষিভূমিৰ পৰা আঁতৰাই ৰাখিব পাৰে। যাৰ দ্বাৰা সুকলমে নিজৰ খেতিক সুৰক্ষা দিব পাৰে ভৈয়ামৰ কৃষকেও। আঁতৰাব পাৰে সঘনে হৈ থকা হাতী-মানুহৰ সংঘাত। গতিকে এনে প্ৰাকৃতিকভাৱে পোৱা সামগ্ৰীৰে থলুৱা প্ৰযুক্তিৰে নিৰ্মিত যতনৰ সহায়েৰে নিজ নিজ কৃষিভূমি দিনে-নিশাই সুৰক্ষা দিয়াৰ লগতে বন্যপ্ৰাণীৰে সংঘাতৰ পৰাও আঁতৰি থাকি সকলোকে জীয়াই থকাৰ অধিকাৰ নিশ্চিত কৰা উচিত।'






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com